আহুতি

(ঐতিহাসিক নাটক)

শ্ৰীনিৰুপমা ফুকন ।

আহুতি

[শ্রীহরিকৃষ্ণ প্রেমী—প্রণীত]

অনুবাদিকা— শ্রীনিরুপমা ফুকন

দৰ্পণ প্ৰেচ,
যোৰহাট ।

মূল্য— এটকা চাৰি অনা ।

यं शैवाः समुपासते शिव-इति ब्रह्मेति वेदान्तिनो ।
बौद्धाः बुद्धः इति प्रमाण पटवः कर्तेति नैयायिकाः
अर्हन्नित्यथ जैन शासन रताः कर्मेति मीमांसकाः
सोऽयं मे विदधातु वाञ्छितफलं त्रैलोक्य नाथो हरिः ।

शुभ-कामना

निरुपमाजीने हिन्दी ग्रंथका असमीया भाषा में अनुवाद करनेका जो सङ्कल्प किया है उसके लिये मैं उन्हें बधाई देता हुँ।

उनका यह सङ्कल्प मेरे "आहुति" नाटक के अनुवाद तक ही सीमित न रहेगा ऐसा मेरा विश्वास है। अपनी भाषाके श्रेष्ठ साहित्य को भी वह राष्ट्र भाषा में रूपान्तरित करें तो और भी अच्छा हो।

श्रीहरिकृष्ण प्रेमी।

आकाशवाणी, जलंधर

६।१।५६

পাতনি

হিন্দী নাট্যকাৰ শ্ৰীহৰিকৃষ্ণ প্ৰেমীৰ "আহুতি" নামক নাটকখন ৰাজস্থানৰ ঐতিহাসিক ঘটনাৱলীৰ এটি গৌৰৱপূৰ্ণ অধ্যায়। লিখিকা শ্ৰীমতী নিৰুপমা ফুকনে ইয়াৰ অনুবাদ এটি প্ৰকাশ কৰি অসমীয়া সাহিত্য-ক্ষেত্ৰত প্ৰৱেশ কৰিছে। তেওঁৰ সাহিত্য-প্ৰীতি আৰু সাহিত্যৰ প্ৰতি অদম্য ধৈৰ্য্য এটি আছে। ঘৰুৱা কাম-কাজ কৰি, লৰা-ছোৱালীৰ বহু লোৱাৰ উপৰিও দৈনন্দিন জীৱনৰ এটা অংশ তেওঁ সাহিত্য-চৰ্চ্চাত খটাই এই নাটক খনিৰ অসমীয়া অনুবাদ বাহিৰৰ আগলৈ আগ বঢ়াইছে।

বৰ্ত্তমান স্বাধীন ভাৰতবৰ্ষৰ সাংস্কৃতিক ক্ষেত্ৰত এটা নতুন প্ৰেৰণা আহিছে। আমাৰ পৌৰাণিক যুগৰ আৰু অতীত বুৰঞ্জীৰ গৌৰৱ-পূৰ্ণ অধ্যায়বিলাক নতুনকৈ লিখি, উঠি অহা ভাৰতবাসীক উদ্বুদ্ধ কৰিবলৈ নতুন পোহৰ দিয়া সাহিত্য আমাক লগা হৈছে।

বহু যুগ পৰ-পদানত হৈ পৰৰ আদৰ্শত আগবাঢ়ি গৈ গৈ আমি দেখিলোঁ গৈ যে, আমাৰ নিজস্ব হেৰুৱাই আমি সদায় লোকৰ বৃথা অনুকৰণতহে আত্মনিয়োগ কৰিছিলোঁ। শ্ৰীমতী ফুকনে "আহুতি"ৰ অসমীয়া তৰ্জ্জমা কৰি অসমীয়া নাট্যমঞ্চ বিলাকলৈ এখনি উৎকৃষ্ট নাটক যোগাইছে। আমাৰ ভাষাত ভাল নাটকৰ অভাৱ আমি সকলোৱেই অনুভৱ কৰিছোঁ।

মাত্ৰ ১৪।১৫ টি চৰিত্ৰেৰে সৈতে "আহুতি" নামৰ এই নাটক খনে ৰাজপুত বুৰঞ্জীৰ এটা মহান অধ্যায় চকুৰ আগত ডাঙি ধৰিছে। ইয়াৰ নাটকীয় ভঙ্গি, ঘটনাৰ সময় আৰু চৰিত্ৰাৱলীৰ সমন্বয়ত "আহুতি" নামে-গামে সাৰ্থক হৈছে।

নাটকখনৰ সামৰণিত হম্মীৰসিংহই পুতেক অক্ষয় সিংহক কৈছে -

“তুমি প্ৰকৃত মানুহৰ দৰে সংসাৰত জীয়াই থাকিবলৈ শিকিবা। ৰণথম্ভোৰ সদায় আমাৰ আৰু চিৰদিন আমাৰ হৈয়ে থাকিব। মোৰ বিজয় পৰাজয়ত পৰিণত হ'ল। তুমি এই পৰাজয় যেন বিজয়ত পৰিণত কৰিবা। লোৱাঁ অক্ষয়! মই আজি এই মুকুট তোমাক পিন্ধাই মহাযজ্ঞৰ শেষ আহুতি দিবলৈ ওলালোঁ।”

ত্যাগৰ যি মহান আদৰ্শই যুগে যুগে আমাৰ ভাৰতবৰ্ষক বিশ্ববৰেণ্য কৰি ৰৈছে, সেই আদৰ্শ ইয়াত সমূলি ক্ষুণ্ণ হোৱা নাই। এনে এখন ভাল নাটক অসমীয়া সাহিত্যলৈ অনা বাবে লিখিকা সদৌ নাট্যামোদীৰ ধন্যবাদৰ পাত্ৰী। তেওঁৰ সাহিত্য সেৱা সাৰ্থক হওক; আৰু ভাল ভাল হিন্দী সাহিত্য আমাৰ ভাষালৈ আনিবলৈ সমৰ্থ হওক এয়ে আমাৰ কামনা। ইতি -

ছোলাধৰা, যোৰহাট।
২২।৮।৫৮

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা

নিবেদন

ভাৰতীয় সংবিধানত হিন্দীক ৰাষ্ট্ৰ-ভাষা কৰিছে; সেই হেতুকে ভাৰতৰ বিভিন্ন প্ৰদেশৰ পঢ়াশালিত হিন্দী শিক্ষাৰ বিধান হৈছে; হয়তো অদূৰ ভবিষ্যতত হিন্দী বিশ্ব-ভাষাৰ শ্ৰেণীত পৰিগণিত হ'ব। অসমীয়া ভাষাত মৌলিক সাহিত্যৰ অভাৱ নহলেও আমি আমাৰ সাহিত্যৰ ভঁৰালক আৰু চহকী ও সমৃদ্ধিশালী কৰি তুলিব লাগিব। ইয়াৰ কাৰণে অনুবাদৰো আৱশ্যক।

সুপ্ৰসিদ্ধ হিন্দী নাট্যকাৰ শ্ৰীহৰিকৃষ্ণ প্ৰেমী দেৱৰ "আহুতি" নাটক খন পঢ়ি মোৰ বৰ ভাল লাগিল। মহাবীৰ হম্মীৰসিংহৰ ভিতৰত যি ভাৰতীয় আদৰ্শ আৰু বীৰ মহিমাৰ ভিতৰত যি মানৱতা সোমাই আছে, সি সঁচাকৈ অতুলনীয়। আমাৰ ভাৰতৰ এই প্ৰাচীন গৌৰৱত মই মুগ্ধ হলোঁ; আৰু সেই কাৰণে অপটু হাতেৰে এই নাটক খন অনুবাদ কৰিবলৈ আগ বাঢ়িলোঁ।

এই নাটকখন অনুবাদ কৰিবলৈ হাতত লৈ প্ৰথমে মনত পৰিছিল বুৰঞ্জীবিদ সাহিত্যিক শ্ৰদ্ধেয় পেহাদেউ শ্ৰীযুত বেণুধৰ শৰ্ম্মালৈ। জীৱনত যে কোনোবা এদিন সাহিত্যৰ ওচৰ চাপিব পাৰিম সেই কথা আগতে কেতিয়াও ভাবিব পৰা নাছিলোঁ। ঘৰৰ ভিতৰত থাকিও সাহিত্যৰ যোগেদি নিজৰ দেশৰ, নিজৰ জন্মভূমিৰ সেৱা কৰিম, সেই বাসনা মোৰ অন্তৰৰ ভিতৰত বন্ধ হৈ আছিল, কিন্তু সি প্ৰকাশ হবলৈ সুবিধা পোৱা নাছিল। একমাত্ৰ শ্ৰীযুত পেহাদেউৰ উৎসাহ আৰু অনুপ্ৰেৰণাত মই বাওনা হৈয়ো চন্দ্ৰ ধৰিবলৈ হাত মেলিলোঁ; ইয়াৰ ঋণ বোধকৰোঁ কৃতজ্ঞতাৰ দ্বাৰা সুজিব নোৱাৰি। সেই কাৰণে শ্ৰীযুত পেহাদেউৰ ওচৰত চিৰঋণী হৈ থাকিলোঁ আৰু ভবিষ্যতেও এইদৰে তেখেতৰ উৎসাহ আৰু আশীৰ্ব্বাদ কামনা কৰিলোঁ।

শ্ৰীযুত লোকনাথ ভৰালী এম, এ দেৱে তেখেতৰ অমূল্য সময় খৰচ কৰি এই নাটক খন আগৰ পৰা গুৰিলৈকে চকু ফুৰাই দি মোক বিশেষ উপকৃত কৰিছে, সেই কাৰণে তেওঁক মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

শ্ৰদ্ধেয় শ্ৰীযুত আনন্দচন্দ্ৰ বৰুৱাই অসুস্থ শৰীৰেৰে এই নাটক খনিৰ পাতনি লিখি মোৰ প্ৰতি যি মৰম দেখুৱাইছে, তাৰ কাৰণে তেখেতলৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি যাচিছোঁ।

পূজনীয় শ্ৰীযুক্ত পূৰ্ণানন্দ শৰ্মা-পাঠক জেঠপেহাদেৱে অশেষ কষ্ট কৰি এই নাটকৰ আহি কাকত চাই দিছে; সেইবাবে তেখেতক মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। ইয়াৰ বাহিৰেও যি সকলে এই কামত মোক উৎসাহ দিছে, তেখেত সকললৈকো ইয়াৰ দ্বাৰাই শলাগৰ শৰাই আগ বঢ়াইছোঁ।

এই আহুতিয়েই মোৰ প্ৰথম প্ৰয়াস; সেই দেখি ইয়াত নিশ্চয় নানা ৰকম ত্ৰুটি হৈ গৈছে। পাঠক-পাঠিকাসকলৰ ওচৰত মোৰ বিনীত নিবেদন তেখেতসকলে মোৰ আদৰ্শৰ প্ৰতি লক্ষ্য ৰাখি মোৰ সকলো দোষ মাৰ্জ্জনা কৰে যেন, আৰু ইয়াত হৈ যোৱা আসোঁৱাহবোৰ আঙুলিয়াই দি মোক বাধিত কৰে যেন। ইতি—

বিনীতা,

শ্ৰীনিৰুপমা ফুকন।

ডিব্ৰুগড়

১ আহিন, ১৮৭৮ শক

পৰম পূজনীয়

শ্ৰীলশ্ৰীযুক্ত ৰাধানাথ ফুকন

দেউতাৰ কৰ-কমলত

ভক্তিৰ অৰ্ঘ্য—

—চৰিত্ৰ-পৰিচয়—

(পুৰুষ)

হম্মীৰসিংহ	ৰণথম্ভোৰৰ মহাৰাব।
ৰণধীৰসিংহ	হম্মীৰসিংহৰ দদায়েক।
জয়সিংহ, বিজয়সিংহ আৰু অক্ষয়সিংহ	হম্মীৰসিংহৰ পুতেক।
সুৰজন সিংহ	ৰণথম্ভোৰৰ কোষাধ্যক্ষ।
আলাউদ্দীন	দিল্লীৰ সম্ৰাট।
মহৰমখাঁ	আলাউদ্দীনৰ এজন মন্ত্ৰী।
জমালখাঁ, মীৰ গভৰু	দিল্লীৰ সেনাপতি।
মীৰ মহিমা	মীৰ গভৰুৰ ভায়েক, হম্মীৰ সিংহৰ বন্ধু।

(স্ত্ৰী)

মহাৰাণী দেৱল	ৰণথম্ভোৰৰ মহাৰাণী।
চন্দ্ৰকলা	ৰণথম্ভোৰৰ ৰাজকুমাৰী।
চপলা	নলহাৰণি গড়ৰদুৰ্গৰক্ষীৰ কন্যা।

আহুতি

প্ৰথম অঙ্ক

প্ৰথম দৃশ্য

স্থান—নলহাৰণি গড়ৰ এটা পুখুৰীৰ ওচৰৰ ঠেক বাট।

(কিছুমান গাঁৱলীয়া গাভৰুৱে কাষত শুদা কলহ লৈ ৰং মনেৰে গান গাই আহি আছে। তেওঁলোকৰ কাপোৰ-কানি ৰাজস্থানীয়, ৰং-বিৰঙৰ ঘাঘৰা আৰু চোলা; হাত কাণ আৰু ডিঙিৰ অলঙ্কাৰ আদিয়ে তেওঁলোকৰ আৰ্থিক অৱস্থাৰ পৰিচয় দিছে। গাভৰুসকলৰ লগত তেওঁলোকৰ দলৰ নায়িকা চপলায়ো গান গাই আহি আছে, গাভৰু সকলৰ হাতত পানীৰ কলহ।)

(**গান**)

লোৱাঁ, লোৱাঁ, লোৱাঁ, সখী গাগৰী ভৰাই :
সময় বাগৰি যায় উলটি নাচায়
লোৱাঁ সখী গাগৰী ভৰাই।
কাজল বৰণ মেঘ আহে উড়ি
তোমাৰ গাগৰী লোৱাঁ পূৰ্ণ কৰি।
কালৰ লগত জানো হ'বা জয়ী
সুৰেৰে সপোন ভুলাই।
সাঁচি থোৱা পৰাণৰ অমৃত ধাৰা
পান কৰাঁ জীৱনৰ মধু মদিৰা;
ৰূপৰ মাধুৰী হেৰা কবিতা ভৰা
দিয়াঁ সখী ওৰণি গুচাই।

চপলা — কিয়নো বতাহৰ দৰে ইমান উড়ি গৈছাহঁক ? অলপ ৰবাঁছোন ।

(গাভৰুহঁতে কলহ নমাই বহে)

প্ৰথম গাভৰু — চপলা ! ৰাজস্থানীসকলৰ প্ৰতি ভগবানৰ ইমান নিগ্ৰহ কিয় ? ইয়াৰ আকাশত মেঘমালাৰ দৰ্শনেই নহয় ; যদি কেনেবাকৈ হয়, মানুহৰ মনত যেন পিয়াহ লগাই অন্তৰ্দ্ধান হৈ গুচি যায় ।

চপলা — সখি, ৰাজপুতৰ তৰোৱালতে পানী থাকে আমাৰ ইয়াত পানী নহয়, তেজহে বৰষে ।

২য় গাভৰু — ইয়াৰ মাটিয়ে অগস্ত্য মুনিৰ পিয়াহ লৈ আহিছে ; যিমানেই বৰষুণ হওক, নিমিষৰ পিচতেই সেই আগৰ দৰে খৰাং !

চপলা — হয় সখি, ইয়াৰ মাটিৰ কেৱল পানীলৈ নহয় তেজলৈকো উৎকট পিয়াহ । মাজে মাজে ইয়াত তেজৰ বৰষুণ হৈয়ে থাকে, তথাপিও ইয়াৰ জিভা তেজৰ কাৰণে সদায় লালায়িত হৈ থাকে ।

(নেপথ্যত ঘোঁৰাৰ খুৰাৰ শব্দ শুনা যায় ।)

১ম গাভৰু — চোৱাঁ, চপলা ! সেইফালে কিমান ধূলি উড়িবলৈ ধৰিছে ।

চপলা — সম্ভৱ মহাৰাণা হম্মীৰসিংহ আহিছে ।

২য় গাভৰু — চিকাৰ কৰিবলৈ নে কি ?

১ম গাভৰু — ইয়াত বনৰীয়া পশু-পক্ষী বেচিকৈ আছেনে কি ?

চপলা — সিংহকো বনৰীয়া বুলিয়েই কোৱা হয় । সখি ! তেনে সভ্যতা কিহৰ কাৰণে বাৰু, যি মানুহক পোহনীয়া কুকুৰৰ দৰে কৰি তোলে ! আমি ৰাজপুত সদায় বনৰীয়া সিংহৰ দৰে স্বাধীন আৰু মুক্ত আছিলোঁ, আগলৈকো তেনেকৈ থাকিম । আমি

"মাৰিবাঁ" নহলে "মৰিবাঁ" এই দুটা বাটেকেহে জানোঁ, ইয়াৰ মাজৰ বাটৰ সন্ধান আমি নাজানোঁ। বলাহঁক, পলম হৈ গৈছে।

(আগৰ গান গাই গাই সকলোটি এফালেদি গুচি যায়—আনফালেদি আলাউদ্দীন আৰু মীৰমহিমা সোমাই আহে)

আলাউদ্দীন — মীৰমহিমা, সেই পুখুৰীৰ ফালে মন কৰিছাঁ নে?

মীৰ মহিমা — হয় জাঁহাপনা, চকু আছে সেই কাৰণে দেখিছোঁ; আৰু লগে লগে সেই শুদ্ধাচাৰিণী ভনীহঁতৰ ভৰিত মূৰ দোঁৱাইছোঁ। ৰাজপুত সকলৰ জীৱনটো মোৰ বৰ ভাল লাগে। খোদাই ইয়াত বালিময় পথাৰ সজাই থৈছে, শিলা-ময় পাহাৰ ঠিয় কৰি থৈছে, কিন্তু তথাপি এই মৰুভূমিত ৰাজপুত তিৰোতাসকলে ফুলৰ দৰে ইয়াৰ শোভা বঢ়াই আছে। সেইকাৰণে এওঁলোকক দেখিলে মোৰ চকু জুৰ পৰি যায়।

আলাউদ্দীন — আৰু অন্তৰ ডেই-পুৰি উঠে। সেই সেউজীয়া শাড়ী পিন্ধা ছোৱালীজনী মন কৰিলাঁনে? ইমান বোৰ বেগম থকা সত্বেও মোৰ মহল বৰ শুদা শুদা যেন লাগে। কোৰাঁ ছোন মোৰ হৈ তুমি এটা কাম কৰিবাঁ নে? সেই ছোৱালী জনীক....................।

মীৰ মহিমা — জাঁহাপনা, মীৰ মহিমাই এনেকুৱা কথা শুনাও পাপ বুলি ভাবে। দিল্লীৰ বাদছাহে যদি চিত্তোৰৰ মহাৰাণা বা ৰণথম্ভোৰৰ মহাৰাৱৰ মূৰ বিচাৰিলেহেঁতেন, তেতিয়াহলে তাৰ কাৰণে মই নিজৰ শক্তিৰ পৰীক্ষা কৰিলোহেঁতেন; কিন্তু জাঁহাপনা। কোনো বীৰ পুৰুষে কেতিয়াও কোনো তিৰো-তাৰ সন্মান আৰু মৰ্য্যাদা-হানিকৰ কথা শুনিব নোখোজে।

আলাউদ্দীন — মহিমা, তুমি মোৰ অনুচৰ, তুমি মোৰ নিমখ খাইছাঁ।

মীৰ মহিমা — জাঁহাপনা! আপোনাৰ সেৱাৰ কাৰণে বন্দী সদায় প্ৰস্তুত হৈ আছেঁ। (নিজৰ তৰোৱাল আগ বঢ়াই দি) মোৰ এই তৰোৱাল লওক। এদিন যেতিয়া মই খোজ কাঢ়ি গৈ সিংহ চিকাৰ কৰিছিলোঁ, তেতিয়া বাদছাহে মোক এই তৰোৱাল খন পুৰস্কাৰ দিছিল। আজি ইয়াৰেই মোৰ মূৰ কাটি পেলাওক।

আলাউদ্দীন — তেতিয়াহলে মই আন মানুহক পঠিয়াওঁ ?

মীৰ মহিমা — ক্ষমা কৰিব জাঁহাপনা! দিল্লীৰ বাদছাহ আলাউদ্দীন খিলজী ইয়াৰ পৰা এখোজো লৰিব নোৱাৰে, যেতিয়ালৈকে তেওঁলোক দুৰ্গৰ ভিতৰত নোসোমায়গৈ।

আলাউদ্দীন — যদি মই নিজেই যাওঁ, তেতিয়াহলে............

মীৰ মহিমা — তেতিয়া হলে জাঁহাপনাৰ ভৰি অলপ চুটি কৰি দিব লাগিব।

আলাউদ্দীন — সচাঁনে মীৰ মহিমা! তুমি মোৰ অসন্মান কৰিছাঁ। যি চৰুতে খাইছাঁ, তাকে ফুটাইছাঁ; আলাউদ্দীনৰ খঙৰ পৰিমাণ দেবগিৰিৰ ধ্বংসাৱশেষে আজিও প্ৰকাশ কৰি আছে তাক নাজানা নে কি ?

মীৰ মহীমা — হয়! মই বুজিছোঁ এই খঙৰ পৰিণাম হৈছে মোৰ মৃত্যু! জাঁহাপনা; আপোনাৰ এই দাসে নিজৰ জীৱনৰ কাৰণে কাহানি মায়া দেখুৱাইছে ? আপোনাক যদি লাগে, তেতিয়াহলে এতিয়াই মোৰ মূৰ লব পাৰে। যেতিয়ালৈকে ৰাজপুত ভনী কেইজন দুৰ্গৰ ভিতৰত প্ৰৱেশ নকৰে গৈ তেতিয়ালৈকে মই জীয়াই থকাৰ চেষ্টা কৰিম।

আলাউদ্দীন — মই তোমাক হত্যা নকৰোঁ, কিন্তু তোমাৰ জীৱন ধ্বংসাৰ শেষত পৰিণত কৰিম। মই তোমাক আদেশ দিছোঁ, তুমি মোৰ ৰাজ্যৰ পৰা বাহিৰ হৈ যোৱাঁ।

মহিমা — মোক ইমান দয়া কৰিছে কিয় ? মই তো আজিলৈকে ইয়াকেহে দেখিছোঁ যে যাৰ ওপৰত বাদছাহ আলাউদ্দীনৰ কোপদৃষ্টি পৰিছে, হয় সি চাওদাঙৰ তৰোৱালৰ ধাপত নহলে সিংহৰ মুখত পৰিছে। আজি আপোনাৰ অন্তৰত ইমান দয়াৰ সাগৰনো কিয় উথলি উঠিছে ?

আলাউদ্দীন — মই চাব খুজিছোঁ দিল্লীৰ বাদছাহে নিৰ্ব্বাসিত কৰা মানুহক কোনে আশ্ৰয় দিবলৈ সাহ কৰে।

মহিমা — মোৰ তৰোৱালেই তাৰ নিজৰ আশ্ৰয় উলিয়াই লব। শেষবাৰৰ কাৰণে মই মোৰ মালিকৰ ভৰিত মূৰ দোঁৱাও।

(আলাউদ্দীনৰ ভৰিত মূৰ দোঁৱায়)

আলাউদ্দীন — মহিমা ! ভাও নধৰিবাঁ, মই তোমাক এতিয়াও সুবিধা দিব পাৰোঁ, যদি তুমি নিজৰ ভুল..............

মহিমা — মই সুযোগ নিবিচাৰোঁ জাঁহাপনা ! ৰাজপুত ভনী-সকল দুৰ্গত প্ৰবেশ কৰিছে, এতিয়া মোৰ কামো শেষ হৈছে। স্ত্ৰী জাতিক ৰক্ষা কৰাটো প্ৰত্যেক বীৰৰ কৰ্ত্তব্য। যি জাতিৰেই নাৰী হওক, তেওঁক সন্মান কৰা উচিত। আপুনি যদি তাকে বুজি লব পাৰে তেতিয়াহলে পৃথিবীত আপোনাৰ নাম উজ্জ্বল হৈ থাকিব। জাঁহাপনা ! আপোনাৰ ভিতৰত কি নাই ? আন কথাটো নালাগেই, জাঁহাপনাৰ হাতত এনে শক্তি আছে, যাৰ আগত ভাৰতবৰ্ষৰ প্ৰত্যেক ৰজা কঁপি থাকে ; আপোনাৰ কোপদৃষ্টিৰ আগত ডাঙৰ ডাঙৰ দুৰ্গও দোঁ খাই যায়। জাঁহাপনা !

আপুনি মানুহ হওক। মই যাওঁ ; মোৰ ককাই থাকিল, তেওঁক চাব !

(মীৰ মহিমাৰ প্ৰস্থান)

আলাউদ্দীন — বীৰ মীৰ মহিমা ! তোমাক হত্যা নকৰি মই তোমাৰ প্ৰতি দয়া দেখুৱা নাই। নিজৰ বংশ গৌৰৱৰ অহঙ্কাৰত কোনো এজন নহয় এজন ৰাজপুতে তোমাক নিশ্চয় নিজৰ ৰাজ্যত আশ্ৰয় দিব ; আৰু তেতিয়াহলে সেই সুযোগতে নিজৰ ৰাজ্য বিস্তাৰ কৰিবলৈকো মোৰ সুবিধা হব। বাহ্ ! ইয়াকে বোলে "এক কাঁৰত দুই পক্ষী।" দিল্লীৰ ধনী সম্প্ৰদায়ৰ মাজত মহিমাৰ সন্মান আৰু প্ৰতিপত্তি দিনে দিনে বাঢ়ি গৈছিল, কোনে জানে কোন দিনা সকলো লগ লাগি মোৰ বিৰুদ্ধে ঠিয় নহলহেঁতেন। ভালেই হল, এডাল কাঁইট আঁতৰিল। (প্ৰস্থান)

(পট পৰিবৰ্ত্তন)

দ্বিতীয় দৃশ্য

এখন হাবি। সময়—ৰাতি, ফটফটীয়া জোনাক।

(চাৰিওফাল নিস্তব্ধ ; কেৱল কুলু কুলু শব্দ কাৰ ওচৰেদি এখন নৈ বৈ যোৱাৰ শব্দ শুনা যায়। মহাৰাণা হম্মীৰসিংহ আৰু বীৰ ৰণধীৰসিংহৰ হাতত খোলা তৰোৱাল লৈ প্ৰবেশ।)

হম্মীৰ সিংহ — খুৰাদেউ ! মোৰ প্ৰাণত অশান্তি, অসন্তোষ আৰু উদ্দাম আকাঙক্ষাৰ ভয়ঙ্কৰ ধুমুহা উঠি থাকে। সেইদিনো এদিন আছিল যিদিনা আমাৰ পূৰ্ব্ব পুৰুষ পৃথ্বীৰাজ চৌহানৰ বিজয় দুন্দুভিত চাৰিও দিশ মুখৰিত হৈ উঠিছিল। বিদেশী আক্ৰমণকাৰী জন-সমুদ্ৰৰ ঢৌ পৃথ্বীৰাজ-ৰূপী শিলত খুন্দা খাই ঘূৰি গৈছিল। সেই বীৰত্বপূৰ্ণ গৌৰৱময় অতীতৰ ইতিহাস মনত পৰিলে হৃদয় পুলকিত হৈ উঠে। আমাৰ পূৰ্ব্ব পুৰুষৰ তেজেৰে ৰাঙলী হৈ থকা এই জন্মভূমি অধিকাৰ কৰি যি সকলে শান্তিৰ বাঁহী বজাইছে, তেওঁলোকৰ লগত এবাৰ যুদ্ধ দিবলৈ মোৰ ইচ্ছা হৈছে। মোৰ প্ৰাণত উৎসাহৰ প্ৰবল ধুমুহা উঠিছে আৰু ইয়েই মোক পৰ্ব্বতে-পাহাৰে লৈ ফুৰাইছে। খুৰাদেউ ! সিংহৰ চিকাৰত জানো মোৰ এই তৰোৱাল তৃপ্ত হ'ব পাৰে ?

ৰণধীৰ সিংহ — মই জানো। হম্মীৰ, তুমি এদিন তোমাৰ বীৰত্বেৰে চাৰিও দিশ উজ্বলাই তুলিবা।

হম্মীৰ সিংহ — খুৰাদেউ। মোৰ তৰোৱাল পিয়াহত আতুৰ, ই নৰ ৰক্ত বিচাৰে, নৰ-ৰক্ত। এইটো ফাগুন মাহ। কেইদিন মানৰ

পাছতে ফাকুৱা আহিছে। মোৰ ইচ্ছা হৈছে এইবাৰ ফাকুৰে নহয়, আমি প্ৰাণভৰি তেজেৰে ফাকুৱা খেলোঁ।

ৰণধীৰ — কাৰ লগত আৰু কেনেকৈ ? অৱশ্য এনেকুৱা এদিন আছিল যিদিনা চৌহান বংশৰ ওচৰত ভাৰতবৰ্ষৰ সকলো ৰজাই বশ্যতা স্বীকাৰ কৰিছিল। কিন্তু আজি আমি এখন সৰু প্ৰদেশৰ অধিপতি। আজি আমি শক্তিহীন।

হম্মীৰ — কিন্তু মোৰ অন্তৰ উথলি উঠিছে, প্ৰাণত অশান্তিৰ জুই জ্বলিছে। সৰু প্ৰদেশৰ অধিপতি হম্মীৰে বিনাশৰ ৰুদ্ৰমূৰ্ত্তি ধৰি ভাৰতবৰ্ষৰ প্ৰতিটো চুককে কপাঁই তুলিব। পুনৰ এবাৰ চৌহানৰ তৰোৱালৰ প্ৰতাপত সংসাৰে চকা-মকা দেখিব!

(হাবিত সিংহৰ গোঁজৰণি শুনা হয়।)

ৰণধীৰ — হম্মীৰ। বোধকৰো সিংহই আহি পালে। শত্ৰুৰ লগত যুদ্ধ কৰাৰ আগতে ইয়াৰ লগত এখুন্দা মাৰি লোৱঁা। বলা, তাক বিচাৰোঁ।

হম্মীৰ — ধৈৰ্য্য ধৰক খুৰাদেউ! নৰ মাংস লোভী পশু নিজেই ইয়ালৈ বলি হবলৈ আহিব, তাক বিচাৰি যাব লাগিব জানো? যিদৰে চাকিৰ পোহৰ দেখি পোক পৰুৱাই আত্মবলিদান দিয়ে, সেইদৰে হিংস্ৰক পশুৱেও হম্মীৰৰ তৰোৱালৰ আগত পৰি নিজৰ প্ৰাণ বলিদান দিব।

(আকৌ সিংহৰ গোঁজৰণি শুনা যায়)

ৰণধীৰ — অনুমান হয় তাত অন্য কোনোবা চিকাৰীও আছে আৰু সিংহই ঘাইল হৈ গুঁজৰি উঠিছে।

হম্মীৰ — কোনে মোৰ চিকাৰত হাত দিছে, যিয়েই মোৰ সিংহক চিকাৰ কৰিছে মই তাক চিকাৰ কৰিম।

ৰণধীৰ — নহয় হম্মীৰ। বীৰ পুৰুষৰ লগত মিছাতে কাজিয়া কৰা ভাল নহয়।

(হাতত তেজেৰে ৰাঙলী খোলা তৰোৱাল আৰু কান্ধত সিংহৰ শ লৈ মীৰ মহিমাৰ প্ৰবেশ)

হম্মীৰ — বীৰ! সিংহটো নমোৱাঁ আৰু তৰোৱাল উঠোৱাঁ।

মহিমা — কি কাৰণে ?

হম্মীৰ — চৌহানী তৰোৱালে যুদ্ধ কৰিবলৈ ইচ্ছা কৰিছে।

মহিমা — আপুনি কোন ?

ৰণধীৰ — এওঁ ৰণথম্ভোৰৰ মহাৰাণা হম্মীৰ সিংহ চৌহান, আৰু মই এওঁৰ খুৰাক ৰণধীৰসিংহ।

মহিমা — আপোনালোক দুজনৰ নাম শুনিলে দিল্লীৰ বাদছাহ আলাউদ্দীন খিলজীও সশঙ্কিত হৈ পৰে। যিজনে দিল্লীৰ পৰা দেৱগিৰিলৈকে বিজয়ৰ দুন্দুভি বজায় তেওঁও ··

হম্মীৰ — আমাৰ লগত তেওঁ যুদ্ধ কৰিব খুজিছেনে কি ? নাজানো সেই শুভদিন কেতিয়া আহিব! বাৰু, প্ৰথমে তোমাৰ লগতে যুজি লওঁ। তুমি মোৰ চিকাৰ মাৰিলা, এতিয়া মই তোমাক মাৰিম।

মহিমা — সচাঁকৈয়ে যদি আপোনাৰ এয়ে ইচ্ছা, তেতিয়াহলে অলপ অপেক্ষা কৰক। অলপ খৰি-খেৰ গোটাই লৈ এই সিংহটো পুৰি খাই লওঁ, আজি তিনদিন মই অনাহাৰত আছোঁ, পেটটো ভৰাই লব পাৰিলে অলপ শান্তিত মৰিব পাৰিম।

হম্মীৰ — বীৰ! তুমি কোন ? আৰু তিনদিন কিয় অভুক্ত হৈ আছিলাঁ ?

মহিমা — মোৰ নাম মীৰ মহিমা। বাদছাহ আলাউদ্দীনৰ সেনাৰ

ময়ো এজন সেনাপতি আছিলো।

ৰণধীৰ — এতিয়া নোহোৱানে কি ?

মহিমা — সেইকাৰণেই তো পেটৰ লগত ভোকৰ সমন্ধ ঘটিছে, বাদছাহে মোৰ ওপৰত খং কৰি মোক ৰাজ্যৰ পৰা নিৰ্ব্বাসিত কৰিছে আৰু লগতে ঘোষনা কৰি দিছে যে যিয়েই মোক আশ্ৰয় দিব তেওঁ নিজৰ মৃত্যু নিজেই মাতি আনিব।

হম্মীৰ — তেতিয়াহলে তুমি ৰণথম্ভোৰলৈ বলাঁ।

মহিমা — মই মুছলমান।

হম্মীৰ - তুমি মানুহ তো। মানুহ হলেই কাম হব। আজিৰ পৰা তুমি মোৰ "ভাই" হলা।

মহিমা — মোৰ কাৰণে আপোনালোকৰ বিপদ .. ..

হম্মীৰ — বিপদ! তুমি কেঁচুৱা লৰাৰ দৰে কি কথা কৈছাঁ ? যি অগ্নি পুত্ৰ, যাৰ মাতৃ, যাৰ স্ত্ৰী আৰু যাৰ বাই-ভনীহঁতে হাহিঁ মুখে জুইত নিজৰ জীৱনাহুতি দিয়ে, তেওঁলোকে বিপদলৈ ভয় কৰেনে কি ? বনৰীয়া পশু চিকাৰ কৰি কৰি মই ভাগৰি গৈছো ; সেই কাৰণে এতিয়া কোনো পৰাক্ৰমী শক্তিৰ লগত যদ্ধ কৰিবলৈ মই হেপাহ কৰিছো। ভয় নকৰিবা মীৰ! মোৰ অন্তৰত তোমাৰ কাৰণে ঠাই আছে আৰু ৰণথম্ভোৰৰ দূৰ্গ তো আছে। দিল্লীৰ নিচিনা সুন্দৰ অট্টালিকা তাত নাপাবা, সচাঁ, কিন্তু এজনৰ আন্তৰিক ভাতৃস্নেহ নিশ্চয় পাবা।

মহিমা — ধন্যবাদ! মই নিজৰ কাৰণে আন কাকো বিপদত পেলাব নোখোজোঁ, এটা প্ৰাণৰ কাৰণে হেজাৰটা প্ৰাণ নষ্ট কৰিবলৈ ইচ্ছা নকৰোঁ।

হম্মীৰ — যি জীৱনৰ ধ্বংস হবলৈকে জন্ম, তাক বিনাশৰ পৰা

কোনে ৰক্ষা কৰিব ? তুমি ক্ষত্ৰিয়ক নেজানা ; ক্ষত্ৰিয়ৰ এটা ভৰি সদায় বিচনাত থাকে আৰু আনটো চিতাত।

মহিমা — কিয় নাজানো, মহাৰাৱ ! যুদ্ধ ক্ষেত্ৰত মই তেওঁলোকক দেখিছোঁ, তেওঁলোকৰ বীৰত্বক মই সদায় শ্ৰদ্ধা কৰো, সন্মান কৰো। কবলৈ গলে আমি পাঠান সকলো আপোনালোকৰে ভাই-ককাই। ইছ্লাম ধৰ্ম্ম গ্ৰহণ কৰাৰ আগতে গোটেই আফ-গানিস্থানেই আৰ্য্যধৰ্ম্ম পালন কৰিছিল।

হম্মীৰ — থৈ দিয়া অতীতৰ ইতিহাস ! তুমি ভাবিছানে কি যে শ-শ বছৰৰ আগতে তোমাৰ পূৰ্ব্ব পুৰুষ ক্ষত্ৰিয় আছিল, সেই কাৰণে মই তোমাক ভাল পাব লাগে ? মোৰ কাৰণে এয়েই যথেষ্ট যে তুমি বীৰ পুৰুষ। মই জানো, তোমাৰ লগত বন্ধুত্ব পতা মানে ডিঙিত ফুলৰ মালা পিন্ধা নহয়, বৰং কাইটঁৰ ওপৰত শুব খোজা হে। আমিতো এনেকৰা বিপদ বিচাৰিয়েই ফুৰোঁ, চাওঁ বাৰু কোনে ৰণথম্ভোৰৰ শিলত নিজৰ মূৰ খুন্দিয়াবলৈ আহে ! সিংহটো মোক দিয়া, তুমি ভোকত আছা, অথচ ইয়াক কঢ়িয়াই আনিছা।

(হম্মীৰে সিংহটো মীৰ মহিমাৰ পৰা নিজৰ কান্ধত লব খোজে)

মহিমা — এৰি দিয়ক মহাৰাৱ। এই অভুক্ত পাঠানে এতিয়াও এনেকুৱা দুটা সিংহ কান্ধত লব পাৰিব।

(সিংহটো লৈ দুয়ো টনা-আজোৰা কৰি যাবলৈ ধৰে আৰু পিছে পিছে ৰণধীৰ সিংহও যায়)

(পট পৰিবৰ্ত্তন)

তৃতীয় দৃশ্য

দিল্লীৰ মীৰ গভৰুৰ ঘৰৰ এখোঁটালী।

[কোঠাত হাকোঁটাত তৰোৱাল, বন্দুক, যাঠি, কাঁড় আদি নানা ৰকমৰ অস্ত্ৰ-শস্ত্ৰ আঁৰি থোৱা আছে। মীৰ গভৰুৱে বিচনাত ডাঙৰ গাৰুত আঁউজি ধপাত খাই থাকে। এজনী দাসীয়ে বটাত তামোল থৈ যায়। গভৰুৱে খণ্ডত হোকাৰ নলী পেলাই দিয়ে।]

মীৰ গভৰু — একো ভাল লগা নাই, একোকে ভাল নালাগে। এই সুখ-স্বাচ্ছন্দ্য, এই ভোগ বিলাস কিহৰ কাৰণে? আজি ধনী, কাইলৈ ভিখাৰী। মই ইয়াত আৰাম কৰিছোঁ আৰু হয় তো মোৰ ভাইয়ে কৰবাত বাটকুৰি বাই ফুৰিছে। এজনে গাৰুত আউজি আৰাম কৰিছে আৰু আনজনে ধূলিত বাগৰি ফুৰিছে।

(ঠিয় হৈ ৰয়)

(জমালখাঁৰ প্ৰবেশ)

জমালখাঁ — (মীৰ গভৰুৰ কান্ধত হাত ৰাখি) কওঁকচোন মীৰ চাহাব, কি চিন্তাত মগ্ন হৈ আছে?

গভৰু — একো নহয় খাঁ চাহাব। মোৰ এখন হাত কটা গল, মোৰ চকুৰ জেউতি শেষ হৈ গল। মোৰ অন্তৰৰ বন্তি নুমাই গল, মহিমা যাবৰ পৰা মোৰ কোনো কামতে মন নবহা হ'ল।

জমালখাঁ — এইটো তো বাদছাহৰ অন্যায় আচৰণ। নিজৰ দদায়েকক ছলনাৰ দ্বাৰা বধ কৰি দিল্লীৰ ৰাজ সিংহাসন অধিকাৰ

কৰা আলাউদ্দীনে আজি আমাৰ আলুয়ে কলা পুলিয়ে উঘালি পেলাব খুজিছে। মীৰ চাহাব, মহিমাই দিল্লীৰ পৰা গুছি গৈ বোধকৰোঁ ভুল কৰিলে, কাৰণ তেওঁৰ আৰু আপোনাৰ ইঙ্গিত পোৱাহেঁতেন আমি আলাউদ্দীনৰ শক্তিক মাটিত মিলাই দিব পাৰিলোহেঁতেন।

গভৰু — বীৰ পুৰুষে কেতিয়াও খং নকৰে। আলাউদ্দীন আমাৰ জাতিৰ গৌৰৱ, তেওঁৰ শক্তিক মাটিৰ লগত মিলোৱা মানে আমাৰ শক্তি নষ্ট কৰা। মীৰ মহিমা মোৰ প্ৰাণতকৈও প্ৰিয়, কিন্তু তাতকৈও প্ৰিয় মোৰ নিজৰ জাতি। আলাউদ্দীনে মোৰ অন্তৰত যি আঘাত দিলে তাক মই মৰবালৈকে পাহৰিব নোৱাৰোঁ, কিন্তু তথাপিও সময়ত তেওঁৰ কাৰণে নিজক বলি দিবলৈকো পাছ নোহোঁহকো।

জমালখাঁ — কিন্তু আপুনি আলাউদ্দীনৰ ছলনা বুজিব পৰা নাই তেওঁ হিন্দুৰো নহয়, মুছলমানৰো নহয়। তেওঁ আমাৰ সহায়ত আফগানিস্থানৰ পৰা দেৱগিৰিলৈকে নিজৰ ৰাজ্য বিস্তাৰ কৰি আজি নিজক স্থায়ী কৰিবৰ কাৰণে আমাৰ সকলোকে শেষ কৰি পেলাব খোজে। আজি মহিমাছাহ গ'ল, কাইলৈ মীৰ গভৰু যাব, পৰহিলৈ জমালখা। তেওঁ নিবিচাৰে যে আমাৰ নিচিনা শক্তিশালী আমীৰ-ওমৰা সকল লগলাগি ক্ষমতাশালী হওঁ।

গভৰু — এইটো কথা তুমি কেনেকৈ জানিলা?

জমালখাঁ — এইটো বেলিৰ পোহৰৰ দৰে ফট্-ফটীয়াকৈ ওলাই আছে। মই মহৰমখাঁৰ নবাৰ লগত মোৰ ছোৱালীৰ বিয়া দিব খুজিছিলোঁ, কিন্তু বাদছাহে অনুমতি নিদিলে। দুজন

সমান শক্তিমান আৰু সমান ধনী মানুহৰ ভিতৰত সমন্ধ হোৱাটো তেওঁ ভাল নাপায়। তেওঁ আমি বেচি শক্তিশালী হোৱালৈ ভয় কৰে, আমাক নিজৰ আহিলা কৰি ৰাখিব খোজে, কিন্তু আমি নিজৰ হাতেৰে অস্ত্র তুলি লওঁ, সেইটো নিবিচাৰে।

গভৰু — তেওঁ বুদ্ধিমান মানুহ। যি অতীতৰ শিকনিৰ পৰা নিশিকে, সি মূৰ্খ। ধন সকলক শক্তিশালী হবলৈ সুবিধা দিলে ৰাজ-কাজত বিঘিনি হে হব পাৰে। প্ৰজাৰ ভিতৰত শক্তি উৎপন্ন হোৱাত তেওঁলোকে ৰেজিয়া বেগমক কি দৰে নচুৱাইছিল তুমি নাজানা জানো? আমাৰ ভিতৰত ইমান শক্তি হোৱাৰ প্ৰয়োজনেই বা কি? ইমান খিনি শক্তিৰহে আমাৰ দৰ্কাৰ যাৰ দ্বাৰা আমি নিজৰ জাতিৰ চিপাহী হৈ থাকিব পাৰো। শাসন সূত্ৰ এজন মানুহৰ হাততে থাকক। এই ৰাজ্য হৈছে এখন ঘোঁৰা-বাগী আৰু আমি হৈছো এই বাগী টনা ঘোঁৰা। আমাৰ লেকাম যদি এজন মানুহৰ হাতত থাকে, তেতিয়াহলে হে আমি তাক টানিব পাৰিম। কিন্তু প্ৰত্যেক ঘোঁৰা যদি নিজৰ ইচ্ছানুসাৰে যাবলৈ ধৰে, তেতিয়াহলে বাগীখন ভাগি চুৰমাৰ হৈ যাব আৰু লগতে ঘোঁৰাও ঘাইল হব। ভাই! 'জাতিৰ এই বাগী' চলোৱাৰ ভাৰ আজি আলাউদ্দীনে লৈছে, আমি যদি বিপথে যাওঁ, তেতিয়াহলে আলাউদ্দীনৰ চাবুক খাবই লাগিব।

জমালখাঁ — কিন্তু আমাকো তো অলপ স্বাধীনতা লাগে। তেওঁৰো তো আমাৰ ওপৰত অলপ বিশ্বাস থকা উচিত। আমি কি খাওঁ, কি পিন্ধো, কলৈ যাওঁ, কাৰ লগত বন্ধুত্ব কৰোঁ, আমাৰ এই

ব্যক্তিগত কথাবোৰ জনাৰ আলাউদ্দীনৰ প্ৰয়োজন কি ? এই বিলাক কি তেওঁ নিজৰ দেশৰ উপকাৰৰ কাৰণে কৰে ? নহয়, এইবোৰ নিজৰ স্বাৰ্থপৰতাৰ বাহিৰে আৰু একো নহয়। তেওঁ ইচলামৰ কথা চিন্তা নকৰে, তেওঁ আলাউদ্দীনৰ কথা ভাবে। কাৰণ ইচলামৰ ধৰ্ম্মত কোনো ভেদা-ভেদ নাই, ধনী-দুখীয়া, বাদছাহ, ভিখাৰী—ইচলামৰ ৰাজ্যত সকলো সমান। দৈনন্দিন কামত আমি সকলো স্বাধীন, তেন্তে তেওঁ কিয় আমাৰ স্বাধীনতাৰ ওপৰত হাত দিয়ে ?

মীৰ গভৰু — মই বুজিছো. আলাউদ্দীনে নিজক কেতিয়াও বিপদ মুক্ত বুলি নেভাবে। যি মানুহে নিজক ছলনা আৰু প্ৰতাৰণাৰ মাজেৰে প্ৰতিষ্ঠা কৰে, তেওঁ নিজক কেতিযাও বিপদমুক্ত বুলি ভাবিব নোৱাৰে। এই বেমাৰেই তেওঁক খুলি খুলি খাইছে যি ৰাজ্য সত্য, অহিংসা আৰু প্ৰেমৰ ভেটিত প্ৰতিষ্ঠিত হয়, তাৰ ৰক্ষনা-বেক্ষণ সময়ে নিজেই কৰে। আলাউদ্দীন আজি যি শক্তিৰ অধিকাৰী হৈছে যদি তাক প্ৰেম আৰু ভাল পোৱাৰ দ্বাৰা বান্ধিলেহেঁতেন তেতিয়াহলে কিমান ভাল হলহেঁতেন। মোৰ ভয় হয় জমালখাঁ, এই ৰাজ্য আৰু বেচিদিন টিকি নাথাকিব। কেৱল হিন্দুৱেই নহয় মুছলমানৰ ভিতৰতো এজনৰ আন জন শত্ৰু হৈ পৰিব। তোমাৰ বংশক খিলজী বংশই ধ্বংস কৰিলে আৰু তেওঁলোকক আন কোনোবা পাঠান সন্তানে শেষ কৰিব।

কিয় কব নোৱাৰো মই কিন্তু ভাৰতবৰ্ষত হিন্দু-মুছলমান কাৰো সুদিন অহাৰ লক্ষণ দেখা নাই। আমি কেৱল দুই-চাৰিশ বছৰ যুজিয়েই থাকিলোঁ, এনেকৈ থকাটো মানুহৰ আদৰ্শ নহয়। [মহৰমখাঁৰ প্ৰবেশ]

জমালখাঁ — আহক মন্ত্ৰী ডাঙৰীয়া ।

মহৰমখা — অ' আপুনিও ইয়াতে আছে । ভালেই হল আপোনা লোক দুয়োৰো লগত মোৰ অলপ পৰামৰ্শ কৰিব লগীয়া আছে -

গভৰু — কওঁক মন্ত্ৰী ডাঙৰীয়া ।

মহৰমখা — মীৰ মহিমা ৰণথম্ভোৰত আছে, মহাৰাৱ হম্মীৰ সিংহই তেওঁক বৰ সন্মানেৰে নিজৰ ৰাজ্যত আশ্ৰয় দিছে ।

গভৰু — আঃ ! খোদাৰ প্ৰতি অশেষ ধন্যবাদ যে তেওঁ মোৰ ভাইক নিৰাপদ ঠাইলৈ লৈ গৈছে ।

মহৰমখাঁ — কিন্তু মীৰমহিমাছাহে কৰবাত আশ্ৰয় পোৱাটো বাদছাহে ইচ্ছা নকৰে, সেইকাৰণে তেওঁ মীৰমহিমাক বাদছাহৰ হাতত গটাই দিবলৈ মহাৰাৱলৈ চিঠি দিছে । কাৰণ আলাউদ্দীনে এতিয়া তেওঁ জীয়াই থকাটো বিপদজনক বুলি ভাবিছে ।

গভৰু — ওঁ ।

জমালখাঁ — আপুনি কি ভাবিছে মীৰ চাহাব ?

গভৰু — একো নহয়, মোৰ হাত ভৰি বন্ধা । মোৰ এই স্নেহভৰা অন্তৰে কি বিচাৰিছে, সম্ভৱ আপোনালোকে অনুভৱ কৰিব নোৱাৰিব । কিন্তু তথাপিও মই নিজৰ ভাবনাক দমাই ৰাখিব লাগিব ।

মহৰমখাঁ — ৰাজপুতসকলক জোকাই নলবলৈ মই বাদছাহক বহুত বুজালোঁ—কিন্তু তেওঁ নিজৰ শক্তিত অন্ধ হৈ পৰিছে । বাদছাহে কৈছে যে "যদি হম্মীৰ সিংহই মীৰমহিমাক তেওঁৰ হাতত সমৰ্পণ কৰি নিদিয়ে, তেতিয়াহলে তেওঁ ৰণথমভোৰৰ এচটা ইটাও থাকিবলৈ নিদিয়ে,"

তেওঁৰ শক্তি ....

জমালখাঁ — তেওঁৰ শক্তি! আমিয়েই হৈছোঁ তেওঁৰ শক্তি!

গভৰু — এৰা, আমিয়েই তেওঁৰ শক্তি। সেইকাৰণে আজি তেওঁ আমাক কয় যে আমি নিজৰ হাতেৰে নিজৰ কলিজা ফালি পেলাওঁ, নিজৰ চকু ফুটাই লওঁ, আৰু নিজৰ হাতেৰেই বিহ ঢালি গিলি থওঁ। হায় খোদা!

মহৰমখাঁ — বলা, মীৰ গভৰু আৰু জমালখাঁ। এইটো কথা আমি ভালকৈ ভাবি চাব লাগিব, এইটো বৰ গুৰুতৰ সমস্যা।

জমালখাঁ — নিঃসন্দেহে!

গভৰু — খোদা! তুমি মোৰ বৰ টান পৰীক্ষা লৈছাঁ।

(তিনিও জনৰ প্ৰস্থান)

(পট পৰিৱৰ্ত্তন)

আবৃত্তি

চতুৰ্থ দৃশ্য

ৰণথম্ভোৰ। [মহাবীৰ হম্মীৰ সিংহৰ ৰাজদৰবাৰ। হম্মীৰসিংহ সোণৰ সিংহাসনত বহি আছে, তেওঁৰ সোঁ ফালৰ আসন খালি আছে, বাওঁ ফালে মীৰমহিমা চাহ বহি আছে। মীৰ মহিমাৰ পাছত সুৰজন সিংহ আৰু অন্যান্য সভাসদ বহিছে।)

হম্মীৰ সিংহ — হে বীৰ ভাইসকল! আজি আমাৰ সৌভাগ্যৰ দিন যে মীৰ মহিমাৰ নিচিনা এজন বীৰ পুৰুষে আমাৰ লগ লৈছেহি।

এজন সভাসদ — আমাৰ জাতিৰ লগত—— ?

হম্মীৰ — হাঃ। হাঃ। হাঃ। আপুনি ভয় খাই গৈছে, ভূৰি সিংহ। আমাৰ লগত সম্মিলিত হোৱা মানে আমাৰ ধৰ্ম্ম গ্ৰহণ কৰা নহয়। মই ভাবোঁ সকলো বীৰেই এটা জাতি। হিন্দুৱেই হওক বা মুছলমানেই হওক সকলো বীৰেই আমাৰ ভাই, আমাৰ বন্ধু।

এনেকৈ ভাবিয়েই মীৰমহিমাক মই মোৰ নিজৰ ভাই বুলি গ্ৰহণ কৰিছোঁ। মীৰ মহিমা আহিবৰ দিনাৰে পৰা তেওঁৰ সাহস, শক্তি আৰু তেওঁৰ উদাৰতাই মোক মুগ্ধ কৰিছে। সেইকাৰণে এওঁক পাই মোৰ আনন্দৰ সীমা নাইকিয়া হৈছে। সুৰজন-সিংহ, ৰাজ-নৰ্ত্তকী লেখাক খবৰ দিয়া। আজি এই সন্মানিত অতিথিৰ কাৰণে উৎসৱৰ আয়োজন কৰা হওক।

সুৰজন সিংহ — যি আদেশ মহাৰাৱ।

(অভিবাদন জনাই প্ৰস্থান)

ভূৰি সিংহ — মহাৰাৱ! যদি মোৰ ধৃষ্টতা মাৰ্জ্জনা কৰে, তেতিয়া-হলে এটা কথা নিবেদন কৰিব খোজোঁ।

হম্মীৰ — ভূৰি সিংহ! যি কাৰো তৰোৱালক কেতিয়াও বাধা নিদিয়ে, তেওঁ কাৰবাৰ বক্তব্যক বাধা দিবনে কি? পেটৰ ভিতৰত কথা সুমাই থোৱা ৰাজপুতৰ স্বভাৱ নহয়, আপুনি যি কব খুজিছে, অনায়াসে কব পাৰে।

ভূৰি সিংহ — মই আমাৰ অতিথিক অসন্মান কৰিব নোখোজো; সেইকাৰণে তেওঁতৰ আগত কিবা কোৱা সভ্যতাৰ বিৰুদ্ধে বুলি ভাবোঁ।

মহিমা — বীৰে সদায় স্পষ্ট কথা পছন্দ কৰে। ইয়াত অসন্মানৰ কি কথা থাকিব পাৰে ভূৰি সিংহ? আপুনি কওক।

ভূৰি সিংহ — গোটেই ভাৰতবৰ্ষই যেতিয়া পৰাধীনতাৰ পাশত আৱদ্ধ হৈ আছে, তেতিয়া আমি নিজে সদায় সাৱধানে চলা দৰ্কাৰ। ইয়াত কোনো সন্দেহ নাই যে মীৰ মহিমা ছাহ বীৰ, সাধু আৰু উদাৰ পুৰুষ, কিন্তু সেইবুলি এজন সাধু পুৰুষকো হঠাতে ইমান বিশ্বাস কৰিব নেলাগে। মহাৰাৱ! মীৰ চাহা-বক যি সুখ-সুবিধা দিব খুজিছে দিয়ক, কিন্তু মোৰ বোধেৰে তেখেতক ৰণথম্ভোৰৰ ৰাজনীতিৰ ভিতৰত সুমুৱা উচিত নহয়।

(লেখাক লৈ সুৰজন সিংহৰ প্ৰবেশ)

হম্মীৰ — ভূৰি সিংহ! আপুনি যদি মীৰ চাহাবৰ সংস্পৰ্শলৈ আহে, তেনেহলে আপোনাৰ এই সন্দেহ আঁতৰি যাব। বাৰু, এই আলোচনা পাছত হব। এতিয়া মনোৰঞ্জন কৰা হওক। (লেখাৰ প্ৰতি) লেখা! তুমি তোমাৰ সংগীত আৰম্ভ কৰা, সংগীতৰ প্ৰবাহত ৰাজনীতিৰ এই ক্লান্তি উটি যাওক, নীৰস জীৱনত ৰসৰ বৰ্ষন হওক।

(নৰ্ত্তকী লেখাই গান গায় আৰু নাচে)

বজোৱা তোমাৰ মোহন মুৰুলী
কদমৰ ডালতে বহি
নীল যমুনাক কৰি মতলীয়া
সুৰেৰে দিয়া সঁহাৰি।
ৰলীয়া বাঁহীৰ সুৰ আলাপন
গোপবালাক কৰি উচাটন
সুৰ বিয়পাই প্ৰতি হিয়াতেই
ফুলায় কদম পাহি।

(ৰণধীৰসিংহৰ প্ৰবেশ। হম্মীৰ সিংহ আৰু সকলো সভাসদ

ঠিয় হয়। গান বন্ধ হৈ যায়, ৰণধীৰসিংহই নিজৰ আসন গ্ৰহণ কৰে আৰু সকলো বহি যায়)

হম্মীৰ — নিয়া লেখা (পুৰস্কাৰ দিয়ে) এতিয়া যোৱাঁ। (অভিবাদন কৰি লেখা গুচি যায়)

ৰণধীৰ — হম্মীৰ! বীৰৰ জীৱনত মনোৰঞ্জনৰ স্থান নিশ্চয় থকা উচিত। তথাপিও সময়.............

হম্মীৰ — সেইটো ঠিকেই খুড়াদেউ! ৰাজপুতৰ গৌৰৱ অক্ষুন্ন ৰখাত আপোনাৰ ভতিজাক বোধ হয় অযোগ্য প্ৰমাণিত নহব।

ৰণধীৰ — এইটো মই জানো। তুমি হৈছা আমাৰ বংশৰ প্ৰদীপ। তোমাৰ বীৰত্ব আৰু বলত আমাৰ যথেষ্ট বিশ্বাস আছে, আশা আছে; তথাপি চকু মুদি থকা উচিত নহয়। মীৰ মহিমাৰ বন্ধুত্বই আমাক কঠোৰ পৰীক্ষাৰ সন্মুখীন কৰিছে। এয়া, চোৱা, দিল্লীৰ পৰা এজন দূতে এইখন চিঠি লৈ আহিছে।

হম্মীৰ — আপুনিয়েই পঢ়কচোন!

ৰণধীৰ — (চিঠি পঢ়ে)

"মহাবীৰ হম্মীৰ সিংহ

মই এইটো কথা শুনি আচৰিত হৈছো যে আপুনি আমাৰ শত্ৰু মীৰ মহিমাক আপোনাৰ ৰাজ্যত আশ্ৰয় দিছে। মই এতিয়ালৈকে আপোনাক নিজৰ বন্ধু বুলিয়েই ভাবো। সেইকাৰণে মই আপোনাক অনুৰোধ কৰিছোঁ, আপুনি যেন আমাৰ শত্ৰুক আপোনাৰ ৰাজ্যৰ সীমাৰ পৰা উলিয়াই দিযে। যদি আপুনি তেওঁক উলিয়াই নিদিয়ে, তেতিয়াহলে দিল্লীৰ শক্তিয়ে ৰণথম্ভোৰৰ অহঙ্কাৰ চূৰমাৰ্ কৰিবলৈ পৰান্মুখ নহব। আপোনাৰ—

আলাউদ্দীন।"

হম্মীৰ — দিল্লীৰ শক্তি! যি দিল্লীৰ ওপৰত এদিন আমাৰ হাত আছিল, সেই দিল্লীৰ পৰা আজি এই হুঙ্কাৰ। কওক ভুৰি-সিংহজী কি কৰা হয়।

ভুৰি সিংহ — মহাৰাৱ! ৰাজপুতে ধমকিৰ উত্তৰ তৰোৱালেৰে দিয়ে। অলপ আগলৈকে মই মীৰ চাহাবক আশ্ৰয় দিয়াৰ পক্ষপাতী নাছিলোঁ, কিন্তু এতিয়া এই আশ্ৰয়ৰ কাৰণে যেতিয়া ৰাজ-পুতৰ মৰ্য্যাদাৰ প্ৰশ্ন উঠিছে, তেতিয়া ইয়াৰ পৰা পাছ হোঁহকা মই কাপুৰুষত্ব বুলি ভাবো।

সুৰজন — মহাৰাৱ! বীৰত্ব শ্ৰেষ্ঠ গুণ, কিন্তু সেইবুলি বীৰত্বৰ অহঙ্কাৰত আমি আত্মহত্যা কৰা উচিত নহয়। আমাৰ এই এমুঠি সৈন্যেৰে দিল্লীৰ সুবিশাল আৰু সুসংগঠিত সৈন্যৰ সন্মুখীন হব পাৰিম জানো?

মহিমা — মহাৰাৱ! এটা তুচ্ছ প্ৰাণৰ কাৰণে ইমান ধ্বংস আৰু বিনাশ কিয় আহ্বান কৰিছে? মই কাইলৈ অকলে গৈ দিল্লীৰ ৰাজদৰবাৰত আলাউদ্দীনৰ লগত মীমাংসা কৰিম। মোক যাবলৈ দিয়ক মহাৰাৱ।

হম্মীৰ — তোমাৰ ৰাজপুতসকলৰ গৌৰৱ আৰু আত্মমৰ্য্যাদাৰ লগত পৰিচয় নাই, মীৰ চাহাব। তোমাক পঠিয়াই দিয়াটোৱেই হব আমাৰ পৰাজয়। পৃথ্বীৰাজৰ বংশধৰে নিজৰ গাত কাপুৰুষত্বৰ কলঙ্ক পৰিবলৈ কেতিয়াও দিব নোৱাৰে। ৰাজপুতে শৰণা-গতৰ কাৰণে সকলো ত্যাগ কৰিব পাৰে। ৰণথম্ভোৰত যেতিয়ালৈকে এজন ৰাজপুতো জীবিত থাকিব তেতিয়ালৈকে তেওঁ তোমাৰ সন্মান ৰক্ষা কৰিব।

মহিমা — এয়েই প্ৰকৃত মানৱতা! মোৰ এনে ইচ্ছা হয় যেন মই নিজৰ সকলো অস্তিত্ব লোপ কৰি আপোনাৰ চৰণত

নিজক অৰ্পণ কৰো, নিজকে জ্বলাই দি আপোনাৰ চকুৰ কাজল হৈ যাওঁ। এনেকুৱা মানুহক মই পশুৰ কবলত সঁপি দিবলৈ ইচ্ছা নকৰোঁ মহাৰাৱ!

হম্মীৰ — আমি পশুৰ দাঁত ভাঙিব জানোঁ, মীৰ চাহাব। আমি যদি নিজৰ গৌৰৱৰ কাৰণে মৰিব পাৰোঁ, তেতিয়াহলে যুগে যুগে অমৰ হৈ থাকিম। কিন্তু যদি তোমাক শত্ৰুৰ হাতত সমৰ্পণ কৰোঁ, তেতিয়াহলে জীয়াই থাকিও মৃততুল্য হম।

মহিমা — আপুনি জেদ্ কৰিছে।

হম্মীৰ — মই জেদেই কৰিছোঁ। মনত ৰাখিবা, তিৰোতাৰ তেল-সেন্দুৰ আৰু হম্মীৰৰ জেদ্ দ্বিতীয়বাৰ পৰিবৰ্ত্তন নহয়। কোৱা মোৰ বীৰ সৈনিকসকল, তোমালোকে মোৰ কথা নিশ্চয় সমৰ্থন কৰা?

সকলোৱে — নিশ্চয় কৰোঁ, মহাৰাৱ।

হম্মীৰ — মই কৈছিলো নহয়, আজি আমাৰ সৌভাগ্য উদয় হৈছে। বাৰু, আপোনালোক এতিয়া যাওক।

(সকলোৰে প্ৰস্থান)

(পট পৰিবৰ্ত্তন)

পঞ্চম দৃশ্য

নলহাৰণি গড়ৰ পুখুৰীৰ ওচৰৰ এটা ঠেক বাট।

সময়— সন্ধ্যা।

(গাঁৱৰ গাভৰুসকলে আগৰদৰে পানী নিবলৈ আহিছে। প্ৰথম দৃশ্যৰ গাভৰুসকলে কাষত গুদা কলহ লয় আৰু গান গায়।)

(চপলাৰ গান)

নিয়তিয়ে লিখা অখণ্ড লিখন
জীৱনৰ ভঙ্গা-গঢ়া
সুখৰ সপোন নিয়ে যে কাঢ়ি
মাধুৰী অমিয়া ধাৰা।
আশা নিৰাশাৰ কবিতা বচাৰি
জীৱন পথত খায় হাবাথুৰি
ধৰণী কঁপিছে মৰণো আহিছে
প্ৰাণক আকুল কৰা।
মায়াৰ মদিৰা পান কৰি কৰি
মোহত মত্ত হৈ পৰে যে পিছলি
কিহৰ ৰাগীয়ে কৰে যে বাউলী
ব্যাকুল আত্মহাৰা।

১ম গাভৰু — থোৱা, থোৱাহে আজি এই গান। আজি একো ভাল লগা নাই, ভবিষ্যতৰ বিপদৰ ছায়াই যেন চাৰিওফালে আবৰি ধৰিছে।

চপলা — ভাবি চাবলৈ গলে মানুহৰ জীৱনেই বিপদপূৰ্ণ, সেই-কাৰণে হাঁহি-মাতি গান গাই জীৱনৰ বাট পাৰ কৰিব লাগে। কোন দিনা বতাহৰ কোবত মানুহৰ জীৱন প্ৰদীপ নুমাই যাব কোনে জানে!

(উত্তৰ ফালে ধূলিৰে আকাশ ঢাকি পেলোৱা দেখা যায়)

২ য় গাভৰু — চোৱাঁ, উত্তৰ ফালে ধূলিৰে গোটেই আকাশ ভৰি গৈছে।

(দুৰ্গৰ পৰা বিকুল বাজি উঠে)

চপলা — বলাঁ, বলাঁ সখিহঁত! সেয়া কোনোবা শত্ৰুৰ সেনা। শুনা নাইনে দুৰ্গত বিকুল বাজিবলৈ ধৰিছে। আজিহে বুজিছোঁ, কিয় ইমান খৰচ কৰি দুৰ্গৰ ভিতৰত পুখুৰী খনোৱা হৈছে।

১ ম গাভৰু — চপলা! তুমি কৈছিলা নহয় হাঁহি হাঁহি জীৱনৰ বাট পাৰ কৰি দিব লাগে। কিন্তু এতিয়া সেই সৈন্য যদি দুৰ্গৰ দুৱাৰ আৰু আমাৰ মাজলৈ আহি যায়? তেতিয়াহে চাম, তুমি কেনেকৈ হাঁহি হাঁহি এই বাট পাৰ হৈ যোৱাঁ। জীৱনৰ বাতটো আৰু দীঘল।

চপলা — (আঁচলৰ ভিতৰৰ পৰা কটাৰী উলিয়ায়) ইয়াক দেখিছানে? ই সদায় আমাক হাঁহি থাকিবলৈকে শিকায়। কাৰ সাধ্য আছে আমাৰ মুখৰ হাঁহিত পাপৰ কালিমা পেলাবলৈ? আমি যেতিয়ালৈকে জীয়াই থাকিম, পবিত্ৰ জীৱন ধাৰণ কৰিম, কেতিয়াও অনুশোচনাত চকু পানী নোটোকোঁ আৰু পাপৰ অট্ট হাঁহি নাহাঁহোঁ। আমাৰ ৰাজপুতনীসকলৰ জীৱন এনেকুৱাই। বিকুলে চিঞৰি চিঞৰি কৈছে যে আমি তৎক্ষণাত দুৰ্গৰ ভিতৰলৈ যোৱা উচিত। নহলে দুৰ্গৰ দুৱাৰ বন্ধ হৈ যাব। নাজানো আকৌ কেতিয়া এই দুৱাৰ মুকলি হব। দুৰ্গৰ

দুৱাৰ খুলিলেও হয়তো ভাগ্যৰ দুৱাৰ চিৰদিনলৈ বন্ধ হৈ ৰব।

১ ম গাভৰু — যদি সচাঁকৈ ভাগ্যৰ দুৱাৰ নোখোলে, তেতিয়া— ?

চপলা — একোৱেই নহব। এই দুৰ্গৰ ভিতৰত ছাইৰ এটা স্তূপ থাকিব, যত ৰাজপুতনী সকলৰ অমৰত্ব লুকাই থাকিব আৰু দুৰ্গৰ বাহিৰত ৰাজপুত সকলৰ শৱ থাকিব, যত ৰাজপুতসকলৰ তেজস্বিতা উজ্জ্বল হৈ থাকিব। বলাঁ, এতিয়া আমি যাওঁ। (তেওঁলোক সকলোৰে এফালেদি প্ৰস্থান ; আনফালে মীৰ গভৰুৰ প্ৰবেশ)

গভৰু — মোৰ ওপৰত বাদছাহে কিমান ডাঙৰ ভৰষা কৰিছে, মহাবাৰৰ লগত যুদ্ধ কৰিবলৈ আৰু নিজৰ ভাই মহিমাক গ্ৰেপ্তাৰ কৰিবলৈ মোৰ ওপৰত ভাৰ দিছে। ইয়াৰ দ্বাৰাই বাদছাহে মোক নিজেই নিজৰ বুকুত কুঠাৰ মাৰিবলৈ দিছে।

(জমালখাঁৰ প্ৰবেশ)

জমাল — কি ভাবিছে মীৰ চাহাব ? ইয়াকে নহয় জানো নিজৰ ভাইৰ ওপৰত কেনেকৈ অস্ত্ৰ ধৰা হয় ? এতিয়াহে আপোনাৰ জাতীয় প্ৰেমৰ পৰীক্ষা হৈ যাব। বাৰু আপুনি কওকচোন আপোনাৰ হাতত ইমানবোৰ সৈন্য আছে, আপোনাৰ শক্তিনো আলাউদ্দিনতকৈ কোনগুণে কম ? ইচ্ছা কৰিলে আপুনি মহাবাৰকো আপোনাৰ লগত লব পাৰে, তেতিয়া ভাৰতৰ ইতিহাস নতুনকৈ লিখিব লাগিব।

গভৰু — জমালখাঁ। তুমি বাৰে বাৰে মোক কিয় পৰীক্ষা কৰিছাঁ ? মই ভালকৈ জানো তুমি কেতিয়াও নিজৰ জাতিক ফাঁকি দিব নোৱাৰা। মোৰ ঠাইত যদি তুমি হলাহেঁতেন তেতিয়া হলে আজি মই যি কৰিছোঁ তুমিও তাকেই কৰিলাহেঁতেন।

জমাল — জাতিক ফাকি দিম। বোধ কৰো মই সেইটো কেতিয়াও

করিব নোৱাৰেঁ। আৰু মই সহোদৰ ভাইৰ ডিঙিত তৰোৱাল বহুৱা বলৈকো সাহস নকৰো।

গভৰু — তেতিয়াহলে তুমিনো কি কৰিলাঁহেতেন?

জমাল — মই দিল্লীৰ পৰা ইয়ালৈ নাহিলোঁহেতেন, তাতেই যমুনাত ডুব দি প্ৰাণ দি দিলোঁহেতেন। আপুনি যি কাম কৰিবলৈ ওলাইছে, তাক ভালেই কম নে বেয়াই কম মই বুজিব পৰা নাই।

গভৰু — কি কৰিম মই গোলাম! জমাল, মই নিজৰ জীৱন কেতিয়াবাই বাদছাহক বেচি দিছো, লগতে অন্তৰ আৰু বুদ্ধিও!

জমাল — কিন্তু বিশ্বাস?

গভৰু — বিশ্বাসৰ বিৰুদ্ধে মই একো কৰা নাই; বিশ্বাস এই স্বাৰ্থপৰ সংসাৰৰ বাহিৰৰ বস্তু। নিজৰ ভাইক ভাই বুলি ভবা আৰু আন মানুহক ভাই বুলি নভবা ই কেতিয়াও বিশ্বাস নহয়, স্বাৰ্থপৰতা। সংসাৰত কেৱল এজনহে পিতা আছে! তেওঁৱেই হৈছে "খোদা"। গতিকে তুমি যেনেকুৱা, মহিমাও তেনেকুৱা, আলাউদ্দিন আৰু হম্মীৰ সিংহও তেনেকুৱাই; আমি সকলো ভাই-ককাই। আমি যেতিয়া হম্মীৰৰ বিৰুদ্ধে অস্ত্ৰ ধৰিব খুজিছোঁ, মহিমাৰ বিৰুদ্ধে ধৰিবলৈ পাছ হুহঁকিম কিয়?

(এজন সৈনিকৰ প্ৰবেশ)

সৈনিক — (অভিবাদন কৰি) আমাৰ কিছুমান চিপাহীয়ে দুৰ্গলৈ যোৱা কেইজনীমান হিন্দু তিৰোতাক বাটত আগ-ভেটা দি আছে।

গভৰু — সেই চিপাহীবোৰক ঠিক বাটলৈ আনিব লাগিব। আমি ৰাজপুতৰ লগত যুদ্ধ ক্ষেত্ৰত যুদ্ধ কৰিবলৈহে আহিছোঁ, অসহায় তিৰোতাক আক্ৰমণ কৰিবলৈ নহয়। বলাঁ জমাল, সেই ভনীসকলক দুৰ্গত থৈ আহোঁ। (সকলোৰে প্ৰস্থান)

(পট পৰিবৰ্ত্তন)

ষষ্ঠ দৃশ্য

ৰণথম্ভোৰৰ ৰাজ মহলৰ অন্তঃপুৰৰ চোতাল।

(তুলসীগছৰ গুৰিত মহাৰাণী দেৱল, ৰাজকুমাৰী চন্দ্ৰকলা, আৰু ক্ষত্ৰিয়াসকলে থালত চন্দন চাউল নাৰিকল আদি তিলকৰ সামগ্ৰী লৈ থিয় হৈ আছে। সকলো মহিলাই গান গাইছে)

গান

আজি আহিছে ঘূৰি ভ্ৰাতৃদ্বিতীয়া তিথি।
আজি হৰষত নাচি উঠিছে প্ৰাণৰ মৰ্ম্ম বিথি।
মাতৃ ভূমিক ৰাখিব লাগিব হাতত ৰক্ত সানি
হে বীৰ! আগবাঢ়ি বলা, বিজয় তিলক পিন্ধি।
নিজৰ জীৱন দিয়া আহুতি অতীত অমৰ কৰি—
হিয়াৰ তেজৰ ৰক্ত জৰাৰে জয়ৰ মালিকা গাঁথি।
নাই ভেদা-ভেদ আমাৰ হিয়াৰ এডালি সূতাৰে গঁথা
আজি মাতৃ ভূমিক মুক্ত কৰিবা জ্বলাই অনল শিখা।
আগবাঢ়ি ব'লা, আগবাঢ়ি ব'লা হিয়াৰ প্ৰীতিকে লোৱা।
কপালত লোৱা অমৰ তিলক বিজয় গৰিমা গোৱা॥

(হম্মীৰ সিংহ, মীৰ মহিমা, ৰাজকুমাৰ জয়সিংহ, বিজয় সিংহ, আৰু অক্ষয় সিংহৰ প্ৰবেশ)

হম্মীৰ — মীৰ চাহাব! তুমি আমাৰ ফাকুৱা উৎসৱত যোগদান কৰিছা, তুমি বঙ লৈ ফাকুও খেলিছা। আজি আমাৰ ভ্ৰাতৃ-দ্বিতীয়া উৎসৱ দেখুৱাবলৈ তোমাক লৈ আহিছোঁ।

মহিমা — মহাৰাজ! হিন্দু সকলে মোৰ জীৱনত নতুন পোহৰ দিছে; এনেকুৱা পবিত্ৰ উৎসৱত সন্মিলিত হবলৈ মোৰ অন্তৰ অধীৰ হৈ আছে।

হম্মীৰ — ফাকুৱাৰ দিনা আমি চেনেহৰ ৰঙত মূৰৰ পৰা ভৰিলৈকে ডুবি যাওঁ, সেইদিনা কোনো ডাঙৰ নহয়, কোনো সৰু নহয়। সকলোৱে ইচ্ছা অনুসৰি আনন্দ কৰিবলৈ সুবিধা পায়। প্ৰকৃতিয়ে আমাক যি স্বাভাৱিক ৰূপত জন্ম দিছে, ফাকুৱাৰ দিনা সেই স্বাভাৱিক ৰূপ আমি ধাৰণ কৰোঁ ; সেইদিনা অন্তৰ, আত্মা, শৰীৰ, সকলো আনন্দ মুখৰিত হৈ উঠে। আনন্দত আত্মহাৰা হৈ আমি ভেদ-ভাব, ভূত-ভবিষ্যৎ, পাপ-পুণ্য সকলো পাহৰি যাওঁ। কিমান একাগ্ৰতা, কিমান আনন্দ আমাৰ এই উৎসৱত।

মহিমা — মইতো বিচাৰো যেন এই আনন্দৰ মাজতে গোটেই জীৱন অতিবাহিত কৰিব পাৰো।

জয় — সংসাৰৰ কঠোৰ সত্যই কিন্তু আমাৰ এই আনন্দোৎসৱৰ মহত্ত্ব কম কৰি দিয়ে।

বিজয় — সেই কাৰণে আমি ফিচ্‌কাৰী এৰি তৰোৱাল লব লগীয়া হয়।

(হঠাৎ চপলাৰ প্ৰবেশ। চপলাৰ সাজ-কাপোৰ অসংযত, চুলি আউলি-বাউলী, হাতত তেজেৰে ৰাঙলী নগ্ন তৰোৱাল)

চপলা — আৰু ৰঙৰ নহয়, তেজৰ ফাকুৱা খেলিব লগীয়া হয়।

ৰাজকুমাৰী — (আগবাঢ়ি চপলাৰ হাতত ধৰি) চপলা ! তুমি ? তোমাৰ কিয় এই বেশ ?

চপলা — ক্ষত্ৰিয়াৰ সদায় এই বেশেই, ৰাজকুমাৰী। তেওঁলোকে যদি নিজৰ অন্তৰখন আয়নাৰে চাবলৈ চেষ্টা কৰে, তেতিয়াহলে দেখিব যে তেওঁলোকৰ শিৰৰ সেন্দুৰ নিজৰ তেজেৰেই ৰাঙলী হয়।

ৰাজকুমাৰী — তোমাৰ শিৰৰ সেন্দুৰ কি হল ?

চপলা — তাক আলাউদ্দীনৰ জিভাই চেলেকি নিলে। আজি তিনি দিন নলহাৰণি গড়ত তেজৰ ফাকুৱা খেলা হৈছিল।

হম্মীৰ — আমি খুৰাদেউৰ অধীনত সেনা পঠাইছোঁ।

চপলা — এতিয়া কি হব ? দুৰ্গ শেষ হৈ গৈছে। বাচি থকা সকল আন ঠাইলৈ পলাই গল। আৰু মোৰ পিতা, পতি, ভাই সকলো .... ।

মহাৰাণী — (চপলাৰ মূৰত হাত থৈ) চপলা ! আমি থাকোতে তোমাৰ কিহৰ অভাৱ ?

চপলা — মা ! অভাৱ ? গোটেই পৃথিবীৰ তেজো সেন্দুৰতকৈ শত সহস্ৰ গুণে নিস্তেজ ।

মহাৰাণী — এইটো কথা সঁচা চপলা ! কিন্তু ক্ষত্ৰিয়া বিধৱা হৈয়ো বিধৱা নহয়, তেওঁৰ গিৰিয়েক মৰিও নমৰে। তেওঁৰ শয্যা........

চপলা — চিতাৰ জুইত পতা হয়। কিন্তু মই সেই বিচনাত নুশুই পলাই আহিলোঁ। মোক কিছুমান নৰ-পশুৱে ধৰি বাদছাহৰ বিলাস-কক্ষলৈ লৈ গৈছিল। মই সকলোকে শেষ কৰি আহিছোঁ।

মহিমা — চাবাইচ্ ভনীটি !

চপলা — ফাকুৱাৰ আনন্দোৎসৱৰ দিনা মোৰ সৌভাগ্য নষ্ট হৈছে। যেতিয়ালৈকে মই দেশৰ আবাল বৃদ্ধৰ মনত প্ৰতিহিংসাৰ জুই জ্বলাব নোৱাৰোঁ, তেতিয়ালৈকে বিশ্ৰাম নলওঁ, মই বাটে-ঘাটে ঘূৰি ঘূৰি প্ৰতিহিংসাৰ গান গাই ফুৰিম।

হম্মীৰ — চপলা ! তোমাৰ গানে আমাৰ অন্তৰত সদায়েই প্ৰতিধ্বনি কৰি থাকিব।

জয় — ভনীহতঁৰ সঙ্কেতত নিজৰ মূৰ দিবলৈ আমি সদায় প্ৰস্তুত থাকোঁ।

বিজয় — তুমি ঘৰত বহিয়েই আমাক আশীৰ্ব্বাদ দিয়া, শত্ৰুৰ তেজেৰে আমি যেন তোমাৰ শূণ্য শিৰ পূৰাব পাৰোঁ।

চপলা — মোৰ অন্তৰৰ এই অশান্তিয়ে কি মোক ঘৰত শান্তিৰে বহি থাকিবলৈ দিব ? ৰাজকুমাৰ ! সাধাৰণ দুৰ্গ-ৰক্ষীৰ কন্যাক যে তোমালোকে নিজৰ ভনীৰ স্থান দিছা, এইটো তোমালোকৰ উদাৰতাৰ পৰিচয় ।

হম্মীৰ — নহয় চপলা ! ক্ষত্ৰিয়ৰ ভিতৰত কোনো সৰু ডাঙৰ নাই, আমি সকলো একে তেজৰ অংশ, শৃঙ্খলাৰ কাৰণে কোনো সিংহাসনত বহিছে আৰু কোনো দুৱাৰ ৰখীয়া হৈছে । কিন্তু বাস্তৱিকতে আমি সকলো একেই । যিদিনাই ৰাজপুতৰ ভিতৰত ডাঙৰ, সৰুৰ ভেদ-জ্ঞান হ'ব, সেই দিনাৰ পৰাই তেওঁলোকৰ শক্তি ক্ষীণ হৈ যাব ।

মহাৰাণী — আজি ভ্ৰাতৃ দ্বিতীয়া ! আজি আমি আমাৰ ভাই ককাইৰ কপালত তিলক পিন্ধাওঁ । মীৰ চাহাব ! আপুনি আমাৰ অতিথি । হিন্দুৱে অতিথিক দেৱতাৰ তুল্য বুলি স্বীকাৰ কৰি আহিছে । সেই কাৰণে সকলোতকৈ আগতে আজি আপোনাকেই তিলক পিন্ধোৱা হ'ব ।

(মীৰ মহিমা আগবাঢ়ি আহে)

মহিমা — আজিহে মোৰ ভাগ্য উদয় হৈছে ; ক্ষত্ৰিয়াৰ পবিত্ৰ হাতৰ এই তিলকে মোৰ জীৱনো পবিত্ৰ কৰি দিব । যাৰ কপালত এই তিলকে ঠাই পায় তেওঁক চন্দ্ৰ-সূৰ্য্যয়ো হিংসা কৰে ! আপুনি মোক ভাই বুলি স্বীকাৰ কৰিছে, এই কাৰণে আনন্দত মোৰ মন নাচি উঠিছে ।

(মহাৰাণীয়ে মীৰ মহিমাৰ কপালত তিলক দিয়ে)

মহিমা — (থালত এডাল ফুলৰ হাৰ থৈ) মহাৰাণী ! মোৰ হাতত নো কি আছে যাক আপোনাক উপহাৰ স্বৰূপে দিম ! এইয়াতো ফুল, মানুহৰ জীৱনৰ প্ৰতিচ্ছৱি;ইয়াত কেৱল সুগন্ধ নহয়, কাইঁটো

আছে, মই জানো। আপোনাৰ ভায়ে আপোনাৰ সুন্দৰ বাগিচাত কাঁইট ৰুই দিছে।

ৰাজকুমাৰী — (জয়, বিজয় আৰু অক্ষয়ক) আহা ভাই জয়, বিজয় আৰু অক্ষয়! ৰুলী চন্দনক কৃতাৰ্থ কৰাঁ।

(জয়-বিজয় আৰু অক্ষয়ক তিলক দিয়ে; তেওঁলোকে থালত এডাল এডাল হাৰ থয়)

জয় — ভনীটি! কোনে জানে আকৌ এই ভ্ৰাতৃ দ্বিতীয়া উপভোগ কৰিবলৈ পাওঁনে নাপাওঁ! কোনে কব তোমাৰ এই তিলকে আমাক কিজানি মৃত্যুৰ ৰজাৰো সম্ৰাট ৰূপে অভিষিক্ত কৰিব?

চপলা — ৰাজকুমাৰ তোমালোকক ময়ো তিলক দিম। মই সৰ্ব্বস্বহীনা! মোৰ হাতত ফুল চন্দন একো নাই, কিন্তু মোৰ তৰোৱালত যি তেজ লাগি আছে, মই তাৰেই তোমালোকক তিলক পিন্ধাম। ইয়াৰ পৰিবৰ্ত্তে মই, হাৰ নহয়, মূৰ বিচাৰিম। কোৱাঁ! কুমাৰ, দিবাঁ? যদি সাহ আছে, তেতিয়াহলে আগবাঢ়ি আহাঁ।

(তিনিও ৰাজকুমাৰ আগবাঢ়ি আহে। চপলাই নিজৰ বুঢ়া আঙ্গুলিত তৰোৱালৰ তেজ লগাই তেওঁলোকৰ কপালত তিলক দিয়ে।

(সকলো ক্ষত্ৰিয়াই আকৌ আগৰ গান গায়)

(পট পৰিবৰ্ত্তন)

আহুতি

দ্বিতীয় অঙ্ক

প্ৰথম দৃশ্য

ছাছগড়ৰ ওচৰৰ হাবিতলীয়া এটা বাট।

(দুজন ৰাজপুত সৈনিকৰ প্ৰবেশ)

১ ম সৈনিক — ভাই গুমান সিংহ ! এই যুদ্ধখন দেখোন দ্ৰৌপদীৰ বস্ত্ৰৰ দৰে দীঘলীয়া হৈ হে গৈছে।

২ য় সৈনিক — ভাই গম্ভীৰ সিংহ ! শুনিছো আলাউদ্দীনে এতিয়া হেনো অৱস্থা বুজিব পাৰিছে, সেইকাৰণে তেওঁ মহাৰাৱৰ সৈতে সন্ধি কৰিবলৈ বিচাৰিছে।

১ ম সৈনিক — আমাৰ মহাৰাৱৰ দৃঢ়তাৰ আগত কোনে পৰাজয় স্বীকাৰ নকৰিব ? কিন্তু আলাউদ্দীনে যে নিজৰ আত্মসন্মান ধূলিৰ লগত মিলাই দিল্লীলৈ ঘূৰি যাব, সেইটোও মোৰ বিশ্বাস নহয়।

২ য় সৈনিক — ময়ো তাকেই ভাবিছোঁ। এই ছমাহে আমাৰ দেশৰ যি সৰ্ব্বনাশ হৈছে মহাৰাৱে দেখা নাইনেকি ? গাৱঁৰ পাছত গাওঁ পুৰি ছাৰ-খাৰ হৈ গৈছে, এনেকুৱা এঘৰ মানুহ নাই, যাৰ ঘৰৰ এজন নহয় এজন মানুহৰ যুদ্ধত প্ৰাণ যোৱা নাই। এই যুদ্ধই আমাৰহে বেচি হানি কৰিছে, তেনেস্থলত বাদছাহে কিয় সন্ধি কৰিব খুজিছে ?

গম্ভীৰ সিংহ — এইটো সঁচা যে বাদছাহৰ ধন-জন-শক্তিৰ বিৰুদ্ধে আমি তিষ্ঠিব নোৱাৰোঁ, তেওঁ ইচ্ছা কৰিলে এই দুৰ্গ বহুত

বহুৰলৈকে যেৰি ৰাখিব পাৰে ; আমাৰ আশা কেৱল মহাৰাৱৰ ৰণ কৌশলৰ ওপৰতহে। তেখেতে দুৰ্গৰ ভিতৰৰ পৰা কেৱল ৰক্ষামূলক যুদ্ধকে কৰা নাই, আনফালে খুৰা ৰণধীৰ সিংহকো বাহিৰৰ পৰা আক্ৰমণ কৰিবলৈ ভাৰ দিছে। তেখেতে ছাছ গড়ত নিজৰ কেন্দ্ৰ স্থাপন কৰি শত্ৰুৰ ওপৰত আক্ৰমণ চলাইছে।

গুমান সিংহ – যদিও খুৰা ৰণধীৰ সিংহ বুঢ়া হৈছে তথাপি তেওঁৰ বীৰত্ব আৰু শক্তিৰ ওঁচৰত ডেকা মানুহেও পৰাজয় স্বীকাৰ কৰে। আজিও তেওঁৰ কণ্ঠত যাদু, চকুত জ্যোতি আৰু হাতত প্ৰলয় বৰ্ত্তমান। তেওঁ যি ফালে আগবাঢ়ি যায়, শত্ৰুৰ সৈন্য সেইফালেই শেলুৰৈৰ দৰে ফাটি-চিটি পৰে।

গম্ভীৰ সিংহ — তেওঁ চৌহানী বংশৰ কীৰ্ত্তি আৰু উজ্জ্বল কৰি তুলিছে। যেতিয়া তেওঁ ঘোৰাৰ লেকাম দাঁতেৰে ধৰি, দুয়ো হাতেৰে তৰোৱাল ঘূৰাই আগবাঢ়ি যায়, তেতিয়া আমাৰ অন্তৰত উৎসাহ আৰু উদ্দীপনাৰ ঢৌ উঠে, প্ৰাণ মতলীয়া হৈ যায়।

গুমান সিংহ — শত্ৰুৰ তোপলৈ ভ্ৰুক্ষেপ নকৰি আগবাঢ়ি যোৱা তেওঁৰ অৱস্থাটোৰ কথা মই পাহৰিব পৰা নাই। তেওঁক তেনে বিপদত দেখি আমি জানো পিচ হুইঁকিব পাৰো ? চাওঁতে চাওঁতেই দশো দিশ তবধ লগা ঘটনা ঘটি গ'ল। তোপ পিচত থাকিল আৰু আমি আগবাঢ়ি গলোঁ। তোপৰ মুখ ঘূৰিল আৰু দিল্লীৰ তোপে দিল্লীৰ সৈন্যৰ ওপৰত জুই বৰষিলে।

গম্ভীৰ সিংহ — সঁচাকৈ ই আমাৰ সৌভাগ্যৰ কথা যে এনেকুৱা এজন বীৰৰ অধীনত থাকি যুদ্ধ কৰিবলৈ সুযোগ পাইছোঁ।

বলঁা, পলম হব। নাজানো আজি আমাক ছাছ্‌গড়লৈ আহিবলৈ কিয় আদেশ দিছে। ব'লঁা—বেগাই ব'লঁা।

(তেওঁলোক দুয়ো যায়; আনপিনে জমালখাঁ আৰু মীৰ গভৰু আহে)

জমালখাঁ— ভাই, মই হলে ভবিষ্যতৰ আশা ভাল দেখা নাই; ক'ত এমুঠি ৰাজপুত সৈন্য আৰু ক'ত দিল্লীৰ এই অগণিত ফৌজ। ইয়াৰ আগতে বাৰু আমি এইদৰে পৰাজিত হৈছোঁনে? যি ঠাইলৈকে আমি গৈছোঁ বিজয়ৰ মালা পিন্ধি আহিছোঁ।

মীৰ গভৰু— আৰু এইবাৰ মৃত্যুৰ কাৰণে ঘৰৰ পৰাই "কফিন" লৈ আহিছোঁ, নহয় জানো?

জমালখাঁ— সৈনিকেতো সদায় নিজৰ মূৰত "কফিন" বান্ধি ৰাখে; তেওঁৰ কবৰ সদায় তেওঁৰ বিছনাৰ তলতে থাকে।

গভৰু— প্ৰত্যেক মানুহৰ বিছনাৰ তলতে তেওঁৰ কবৰ খন্দা থাকে; যাৰ চকু থাকে তেওঁহে দেখে। বাৰু, এইবোৰ কথা বাদ দিয়ঁা। কোৱঁাচোন জমাল, এতিয়া কি কৰা উচিত? তুমি নাজানঁা জমাল, আমাৰ শত্ৰুৱে নিশ্চয় বাদছাহক মন্ত্ৰনা দিছে যে গভৰুৱে নিজৰ ভায়েকক মৃত্যুৰ মুখৰ পৰা ৰক্ষা কৰিবৰ কাৰণে লাহে লাহে যুদ্ধ কৰি আছে; নহলে দিল্লীৰ ধুমুহাৰ নিচিনা ফৌজৰ আগত নুমাব খোজা কেইটামান চাকি কেনেকৈ টিকি থাকিব? সেইকাৰণে মই সোনকালেই যুদ্ধ শেষ কৰিব খুজিছোঁ, কোনেও যাতে কব নোৱাৰে যে ভায়েকৰ স্নেহত গভৰু নিমখহাৰাম আৰু অকৃতজ্ঞ হৈ পৰিছে।

জমালখাঁ— ভালপোৱাটো জানো অকৃতজ্ঞতাৰ চিন?

গভৰু— দাসত্বৰ জীৱনত ভালপোৱাটো সঁচাকৈ অকৃতজ্ঞতাৰেই চিন। মালিকৰ জীৱনৰ লগত আমাৰ জীৱন জড়িত হৈ পৰিছে।

মালিকৰ ইচ্ছাই আমাৰ ইচ্ছা, গতিকে যি মালিকৰ শত্ৰু সি আমাৰো শত্ৰু নহয় জানো ?

জমালখাঁ— সিদিনা যেতিয়া ৰাব ৰণধীৰ সিংহ আৰু মীৰ মহিমাই আমাৰ সৈন্যক আক্ৰমণ কৰিছিল, তেতিয়া মীৰ মহিমাক দেখিছিলোঁ, তেওঁ কাঁড়েৰে আকাশ ছাটি পেলাইছিল। সূৰ্য্যই যিদৰে নিজৰ কিৰণ সকলো ফালে বিস্তাৰ কৰে, সেইদৰেই মীৰ মহিমাই ধনু কাঁড় চলাইছিল। তেওঁৰ মুখ ৰঙা হৈ উঠিছিল। তেওঁক সঁচাকৈ পূৰ্ব্বৰ সূৰ্য্য যেন লাগিছিল।

গভৰু— সেই কিৰণে আকাশকে নহয়, পৃথিবীকো ৰঙা কৰি তুলিছিল। সঁচাকৈ মোৰ ইচ্ছা হৈছিল জমাল, যেন যুদ্ধ নকৰি কেৱল যুদ্ধকে চাই থাকোঁ। মীৰ মহিমাই আমাৰ বংশৰ নাম সঁচাকৈয়ে উজ্জ্বল কৰি তুলিলে।

জমালখাঁ— আপুনিয়েই কৈছিল যে যেতিয়া সন্মুখত জাতিৰ প্ৰশ্ন উঠে, তেতিয়া নিজৰ বংশৰ গৌৰব, আত্মমৰ্য্যাদা, ধন-জন আদি সকলো বলি দিয়া উচিত। সেই দৃষ্টিৰে যদি চোৱা হয়, তেতিয়া হলে জানো মহিমাই জাতিৰ বিৰুদ্ধে নিজৰ শক্তি ব্যৱহাৰ কৰি উপযুক্ত কাম কৰিছে ?

গভৰু— তেওঁ উচিত কাম কৰিছেনে অনুচিত কৰিছে মই কব নোৱাৰোঁ। মই নাজানোঁ যে আলাউদ্দিনৰ আদেশেই জাতিৰ আদেশ, আৰু আলাউদ্দিনৰ শত্ৰুৱেই জাতিৰ শত্ৰু।

জমালখাঁ— সম্ভৱতঃ যুদ্ধ ক্ষেত্ৰত ভায়েকৰ চেহেৰা দেখি আপুনি এই শিক্ষা পালে।

গভৰু— জাতিৰ কাৰণে জীৱন দিবলৈ মই সদায়ে প্ৰস্তুত। কিন্তু সেইদিনা যুদ্ধ ক্ষেত্ৰত হম্মীৰ সিংহ, ৰণধীৰ সিংহ আৰু মীৰ মহিমাক একেলগে দেখি মোৰ নিজৰ বিশ্বাসৰ ওপৰত আঘাত

লাগিল। যেতিয়া মই হম্মীৰ সিংহৰ লগত মহিমাক ঠিয় হৈ থকা দেখিলোঁ, তেতিয়া মই ভাবিলোঁ এওঁলোক দুয়োজন জানো একে জাতিৰ নহয়? আৰু যেতিয়া মহিমাক মোৰ সন্মুখত ঠিয় হৈ থকা পালোঁ, তেতিয়া মোৰ মনলৈ প্ৰশ্ন আহিল, আমি দুয়োজন জানো বেলেগ ২ জাতিৰ নহয়? ইয়াৰ পাছত মই বহুত ভাবিলোঁ, শেহত এই সিদ্ধান্তত উপনীত হলোঁ যে সকলো মানুহেই একে মানব জাতিৰ অংশ।

জমালখাঁ— তেন্তে কিয় এনে যুদ্ধ হয়?

গভৰু— জাতিৰ লগত জাতিৰ যুদ্ধ নহয়, জমাল! ইয়াত মানুহৰ স্বাৰ্থই যুদ্ধ কৰে। আলাউদ্দিনেই ইচলাম নহয় আৰু হম্মীৰো হিন্দু ধৰ্ম্ম নহয়, এজন হৈছে দিল্লীৰ সম্ৰাট, আৰু আন-জন ৰণথম্ভোৰৰ ৰজা। দিল্লীৰ বাদছাহে ৰনথম্ভোৰৰ ৰজাক পৰাধীন কৰিব খুজিছে, আৰু তেওঁ স্বাধীন হৈ থাকিবলৈ চেষ্টা কৰিছে। দুয়োজনৰ দম্ভ আৰু অহঙ্কাৰে ইমানবোৰ মানুহৰ প্ৰাণ লৈছে।

জমালখাঁ— অহঙ্কাৰ! অহঙ্কাৰ বেয়া বস্তু নেকি? যি মানুহে স্বাধীনতা ভাল নাপায়, যাৰ আত্ম-গৌৰৱ নাই, তেওঁ জানো মানুহ? মহাৰাৱে এজন মুছলমান ভায়েকৰ সন্মানৰ কাৰণে নিজৰ জাতিকো বিপদাপন্ন কৰিছে, ইয়াক আপুনি কেনেকৈ অহঙ্কাৰ বুলিব?

গভৰু— তুমি ঠিকেই কৈছা, জমাল। মহাৰাৱৰ দৃষ্টি অতি উচ্চ, অতি মহৎ, সেইকাৰণে তেওঁৰ অহঙ্কাৰক সন্মান কৰা উচিত। সঁচাকৈ এনেকুৱা মহৎ লোকৰ ইচ্ছাৰ কাৰণে যি নিজৰ প্ৰাণ বলি দিয়ে, সি মৰিও অমৰ।

জমালখাঁ— এনেকুৱা মহৎ আদৰ্শৰ কাৰণে আমিও কিয় মহাৰাৱৰ লগত যোগ নিদিওঁ?

গভৰু— আমি যি ফালে ঠিয় হৈছোঁ, সেইফালেই দৃঢ়ভাৱে ঠিয় হৈ থকা ভাল, তাতেইহে আমাৰ ন্যায় আৰু সৌন্দৰ্য্য প্ৰকাশ পাব। যুদ্ধৰ অৱস্থা দেখি আমাৰ ওপৰত বাদছাহৰ খং উঠিছে, সেইকাৰণে তেওঁ নিজেই দিল্লীৰ পৰা আহিব লাগিছে। মই ভাবিছোঁ, বাদছাহ আহি পোৱাৰ আগতেই আমি ৰণথম্ভোৰক শেষ কৰি দিওঁ। সেইকাৰণে মই প্ৰথমতে ছাছ্‌গড়ৰ ওপৰত আক্ৰমণ কৰি তাক অধিকাৰ কৰিব খুজিছোঁ। কাৰণ ইয়াৰ পৰাই বাৰ ৰণধীৰ সিংহই যুদ্ধ পৰিচালনা কৰে।

জমাল— ঠিক! ৰণধীৰ সিংহক আবদ্ধ কৰি যদি অকৰ্ম্মণ্য কৰি দিয়া হয়, তেন্তে ৰণথম্ভোৰ বিজয় সহজ আৰু কাৰ্য্যকৰী হব।

গভৰু— বলাঁ, সোনকালে বলাঁ! (দুয়োৰে প্ৰস্থান)

(পট পৰিবৰ্ত্তন)

দ্বিতীয় দৃশ্য

বনথমুতোবৰ শিব মন্দিৰ। সময়— মাজৰাতি।

(মহাবাৰ হম্মীৰ সিংহই শিৱলিঙ্গৰ আগত হাত যোৰ কৰি তন্ময় হৈ স্তুতি গাই আছে।)

স্তুতি

হে শঙ্কৰ।
দেখা দিয়া প্ৰভু দিব্য ৰূপ ধৰি।
এই ধৰণী কৰা কম্পমান
তাণ্ডৱ নৃত্য কৰি।
শিৰেদি গঙ্গা পৰিছে জৰি
ত্ৰিনয়ন তোমাৰ দিয়া মেলি।
হে মহাভৈৰৱ, হে মহেশ্বৰ
ত্ৰিশূল জটাধাৰী।
দেখা দিয়া প্ৰভু ৰুদ্ৰ ৰূপ ধৰি।

(মহাৰাৰে গাই থাকে, পাছফালে মহাৰাণী দেৱল আহি ঘণ্টা বজায়, মহাৰাৰে ঘূৰি চায়)

হম্মীৰ— আহা মোৰ ভৱানী। এই মাজৰাতিৰ অন্ধকাৰত·· ·····

মহাৰাণী— হে মোৰ শঙ্কৰ। যি অন্তৰত আপুনি বিৰাজ কৰিছে তাত জানো অন্ধকাৰ থাকিব পাৰে? ৰুদ্ৰৰ আগত প্ৰলয়ৰ কামনা কিয় কৰিছে কওকচোন।

হম্মীৰ— তুমি সুধিছা প্ৰলয়ৰ কামনা কিয় কৰিছোঁ? এই কৰুণাময় ভোলানাথক কিয় ধ্বংসৰ কাৰণে আহ্বান কৰিছোঁ? ইয়াৰ উত্তৰ এই বিশ্বৰ পীড়িত আৰু দীন-দুখী সকলক

সোধঁা। স্বাৰ্থৰ মদিৰা পি আজি মানৱ সমাজ উন্মত্ত হৈ পৰিছে। দূৰলৈ কিয় যাব লাগিছে, আমাৰ ৰাজ্যৰ গাওঁবোৰৰ ফালেই চোঁৱাছোন। তেওঁলোকৰ বাৰু কি দোষ? যেতিয়া-লৈকে বাদছাহ আলাউদ্দিন ৰণভূমিলৈ অহা নাছিল, তেতিয়া কেৱল সেনাই সেনাইহে যুদ্ধ কৰিছিল। এতিয়া গোটেই দেশ উজাড় হৈ গৈছে, প্ৰজাৰ মাজত আজি ত্ৰাহি ত্ৰাহিৰ আবাৱ উঠিছে। সেইকাৰণে মই আজি ৰুদ্ৰৰ চৰণত প্ৰলয়ৰ আহ্বান কৰিছোঁ।

মহাৰাণী— নিৰাশাৰ অন্ধকাৰৰ পাছত আশাৰ অৰুণোদয় জানো আপুনি দেখা নাই? প্ৰলয়েতো শিৱ-অশিৱ সকলোকে ধ্বংস কৰিব। হে মোৰ দেৱতা! প্ৰলয়ৰ এনে কামনা নকৰিব। যেতিয়ালৈকে অস্ত্ৰ ধৰিবলৈ হাতত শক্তি থাকে, তেতিয়ালৈকে বিবেকৰ সৈতে ক্ষত্ৰিয় ধৰ্ম্ম পালন কৰি যাওক। যেতিয়া-লৈকে হৃদয়ত স্পন্দন থাকে, তেতিয়ালৈকে ন্যায় আৰু ধৰ্ম্মৰ বাঁহী বজাওক। হে দেৱ! অস্ত্ৰৰ শক্তিৰ আগত প্ৰেমৰ শক্তিৰ কথা পাহৰি নাযাব। মনত ৰাখিব, শঙ্কৰৰ জটাৰ পৰা কৰুণাৰ ধাৰা বৈ আহিছে, তেওঁৰ কপালত চন্দ্ৰ বৰ্ত্তমান, য'ত প্ৰেমৰ শীতল প্ৰকাশ আৰু দয়াৰ অমৃত ভাণ্ডাৰ আছে। সৰ্ব্বৰূপী সংহাৰক শঙ্কৰ ইমান কৰুণাশীল আৰু দয়ালু যে তেওঁ আনৰ বিষো পি খায়।

হম্মীৰ— মই বিপত্তিৰ বজ্ৰ নিজে সহ্য কৰিবলৈ প্ৰস্তুত। কিন্তু শক্তি আৰু সহায়হীন প্ৰজাসকল! কোৱঁা দেৱী, কিহৰ কাৰণে তেওঁলোকে ইমান কষ্ট সহ্য কৰিব? মই নিৰাশো নহওঁ আৰু সন্ধিৰ কাৰণে ইচ্ছুকো নহওঁ। মই সোনকালেই দুৰ্গৰ বাহিৰলৈ গৈ যুদ্ধ কৰা ঠিক কৰিছোঁ।

মহাৰাণী— আপোনাৰ দৃঢ়তাৰ কথা কোনে নাজানে। ৰনথম্ভোৰৰ শিলো যোধ কৰে। আপোনাৰ সমান দৃঢ় নহয়। প্ৰজাৰ এই কষ্ট দেখি আপুনি অশান্ত হৈ পৰিছে, সেইকাৰণে সোনকালে জয়-পৰাজয় মীমাংসা কৰিব খুজিছে। যিদৰে আপুনি মোৰ স্বামী, সেইদৰে আপুনি প্ৰজাৰো স্বামী। যিদৰে আপুনি মোৰ সুখ-দুখৰ কথা চিন্তা কৰে, সেইদৰে প্ৰজাৰ সুখ-দুখৰ কথাও চিন্তা কৰে। যদি মই আপোনাৰ কাৰণে কষ্ট সহ্য কৰিবলৈ সুখ পাওঁ, তেনেহলে প্ৰজাই নাপাব কিয়? ৰজাৰ কাৰণে প্ৰাণ দিয়া প্ৰজাৰ ধৰ্ম্ম।

হম্মীৰ— এই দাবি কৰিবলৈ মোৰ অধিকাৰ কি? মইযে বলেৰে ৰজা হৈ বহি আছোঁ।

মহাৰাণী— বলেৰে? যি বলেৰে ৰজা হয়, প্ৰজাৰ কাৰণে তেওঁ অসহনীয় হৈ উঠে। কিন্তু আপুনি যে প্ৰজাৰ ইচ্ছামতে সিংহাসনত বহিছে। আপুনি প্ৰজাৰ সুখে-দুখে সমভাগী হৈ ৰাজ্য শাসন কৰিবলৈ ওলাইছে। এই কষ্ট সহ্য কৰাত যে কিমান আনন্দ মই তাক জানোঁ। ৰাজপুতনীসকলে নিজৰ আত্মীয়-স্বজন আৰু প্ৰিয়জনক সৰ্ব্বনাশৰ মুখলৈ আগ বঢ়াই দি নিজে জুহৰত আত্মাহুতি দি মিচিকিয়াই হাঁহে কিয়? এজনে আন জনৰ কাৰণে কষ্ট সহ্য কৰাটোৱেই হৈছে প্ৰেমৰ পৰীক্ষা। প্ৰজায়ো নিজৰ ৰজাৰ কাৰণে এনে কষ্ট সহ্য কৰিবলৈ নিশ্চয় আনন্দ পায়। (সুৰজন সিংহৰ প্ৰৱেশ)

সুৰজন সিংহ— জয় শিৱ। মহাৰাজ।

হম্মীৰ— সুৰজন। হঠাৎ তুমি কিয় আহিলা?

সুৰজন— বহুত সময়ৰ পৰা আপোনাক বিচাৰিছোঁ মহাৰাজ। প্ৰথমতে ৰাজমহললৈ গৈছিলোঁ, তাত শুনিলোঁ আপুনি শিৱালয়ত

আছে। নিজৰ জীৱনৰ লগত কিয় ধেমালি কৰিছে মহাৰাজ! দিনত যুদ্ধ সঞ্চালন, ৰাতি মহাদেৱৰ আৰাধনা! আপোনাৰ জীৱনত অলপো বিশ্ৰাম নাইনেকি ?

হম্মীৰ— বিশ্ৰাম! নাই সুৰজন। যি চিন্তাৰ জুইৰ ওপৰত শুই থাকে তেওঁৰ টোপনি ক'ত? ৰজাই দেশৰ, জাতিৰ, বংশৰ আৰু নাজানোঁ কিমানৰ মৰ্য্যাদা ৰক্ষা কৰিব লাগে। যি ৰজাই সুখেৰে শুই থাকে তেওঁ ৰজা নহয়, পৃথিৱীৰ অভিশাপ। কোৱাচোন বাৰু, তুমি মোক কি কাৰণে বিচাৰিছা ?

সুৰজন— কেইবাদিনৰ পৰাই আপোনাৰ ওচৰত এটা নিবেদন কৰিব খুজিছিলোঁ, কিন্তু সাহস হোৱা নাছিল।

হম্মীৰ— কোৱাচোন!

সুৰজন— মহাৰাজ! আপোনাৰ শক্তি আৰু বীৰত্বৰ পৰিচয় গোটেই সংসাৰে পাইছে। কিন্তু মীৰ মহিমা এনেকুৱা বহুমূল্য সম্পত্তি নহয় যে তেওঁৰ কাৰণে আমি আমাৰ ৰাজ্য ধ্বংসৰ পথলৈ ঠেলি দিম। আজি আমাৰ আগত "দেশ" আৰু "মীৰ মহিমা," এই দুটাৰ এটাক নিৰ্ব্বাসন কৰাৰ প্ৰশ্ন উঠিছে।

মহাৰাণী— সুৰজন সিংহ! আজি তুমি এইযোৰ কি আশংকা নোহোৱা কথা কৈছা? কোনো ক্ষত্ৰিয়ই কেতিয়াবা শৰণাগতক ৰক্ষা কৰাৰ পৰা বিমুখ হৈছেনে কি? ক্ষত্ৰিয়ৰ প্ৰাণ গলেও তেওঁৰ ক্ষত্ৰিয়ত্ব লুপ্ত হোৱা উচিত নহয়। যি দিনাই শৰণাগত ক্ষত্ৰিয়ৰ দুৱাৰৰ পৰা ঘূৰি যাব, সেইদিনাই ক্ষত্ৰিয়ৰ ক্ষত্ৰিয়ত্ব ৰসাতললৈ যাব।

সুৰজন— কিন্তু তেওঁ বিদেশী, বিধৰ্ম্মী।

মহাৰাণী— তথাপি শৰণাগত শৰণাগতেই।

সুৰজন— ইয়াৰ পৰিণাম ?

মহাৰাণী— যি হওক, সম্ৰাট পৃথ্বীৰাজৰ বংশধৰক পৰিণামৰ কাৰণে কি ভয় খুৰাবাঁ ? বিপদলৈ তেওঁলোকে ভয় নকৰে, আজি তেওঁলোকৰ ৰাজ্য নষ্ট হৈছে, কিন্তু আত্মশক্তি এতিয়াও বৰ্ত্তমান। ক্ষত্ৰিয়-ধৰ্ম্মপালনৰ কাৰণে যি সকলৰ সাম্ৰাজ্য হেৰাল, তেওঁলোকে নো এখন তুচ্ছ ৰাজ্যৰ কাৰণে ভয় কৰিবনে?

(সন্যাসিনীৰ সাজেৰে চপলাৰ প্ৰবেশ)

চপলা— জয় শঙ্কৰ !

মহাৰাণী— কোন ? চপলা !

চপলা — ময়েই আহিছোঁ মহাৰাণী ! আৰু লগত এটা ভয়ানক সংবাদ লৈ আহিছোঁ ।

হম্মীৰ— কি সংবাদ ?

চপলা— শত্ৰুৱে ছাছ্‌গড় অধিকাৰ কৰিলে।

হম্মীৰ— আৰু খুৰা ৰণধীৰ সিংহ ?

চপলা— ৰাণা ৰণধীৰ সিংহই শঙ্কৰৰ ৰুদ্ৰ ৰূপ ধৰি ৰণভূমিলৈ ওলাই আহিল আৰু হেজাৰ হেজাৰ শত্ৰুৰ শিতানত লৈ তেওঁ চিৰদিনৰ কাৰণে বিশ্ৰাম ললে ।

হম্মীৰ— হায় খুৰাদেউ ! মোৰ জেদৰ কাৰণে আপুনিও আত্মবলি দিলে ।

সুৰজন— মহাৰাব ! এতিয়াও সাৱধান হওক । ৰাণা ৰণধীৰ সিংহ আমাৰ সকলোৰে পিতৃতুল্য আছিল ; তেখেতৰ ব্যৱহাৰ কিমান সৌম্য কিন্তু যুদ্ধক্ষেত্ৰত কিমান ভয়ঙ্কৰ আছিল । তেখেত দেৱতা আছিল, দেৱতা ! কিন্তু মীৰমহিমা আমাৰ কাৰণে শনি হৈ আহিল, তেওঁ সকলো শেষ কৰি যাব ।

হম্মীৰ— মুখত লেকাম লগোৱা সুৰজন ! শৰণাগতক অপমান কৰা ক্ষত্ৰিয়ৰ ধৰ্ম্ম নহয় । যেতিয়া বিপদ আহে, তেতিয়া কাকো

গালি পাৰিলে সি দূৰ নহয়। ক্ষত্ৰিয়ৰ বজ্ৰৰ নিচিনা অন্তৰে সকলো বিপদ আপদ সহ্য কৰি লব। মহাৰাণী! খুৰাদেউৰ মৃত্যু ভয়ঙ্কৰ বিভীষিকাৰ পূৰ্ব্ব সূচনা। কৰ্ত্তব্যৰ বলিবেদীত মোৰ শিৰ আগ বঢ়াবলৈ তুমি মোক আজ্ঞা দিবানে, দেৱী!

মহাৰাণী— আপোনাৰ যশেই মোৰ শিৰৰ সেন্দুৰ দেৱ! আৰু এইটোও বিশ্বাস কৰিব দেৱতা, আপোনাৰ ধৰ্ম্মপত্নী শিৱলোকতো আপোনাৰ দাঁতিতে গৈ বহিব। আমি দুয়ো অগ্নিৰথত একেলগে যাম।

চপলা— কিন্তু মহাৰাৱ! সম্ভৱ সোনকালে আপোনাৰ সেই সৌভাগ্য প্ৰাপ্তি নহব। যেতিয়ালৈকে দেশৰ প্ৰতিজন পুৰুষে যুদ্ধত প্ৰাণ নিদিব, তেতিয়ালৈকে মহাৰাণীয়ে অগ্নিৰথত বহিব নালাগিব। মই প্ৰজাৰ মাজত ঘূৰি ফুৰোঁ, যুদ্ধৰ কাৰণে তেওঁলোকক উত্তেজিত কৰোঁ। আমাৰ সৈন্যই দিল্লীৰ সৈন্যবল দেখি এতিয়াও আতঙ্কিত হৈ যুদ্ধক্ষেত্ৰ এৰা নাই। মহাৰাৱৰ আত্মত্যাগ, শক্তি আৰু বীৰত্বত প্ৰজা মুগ্ধ, আৰু নিজৰ সৰ্ব্বস্ব সমৰ্পণ কৰিবলৈ তেওঁলোক প্ৰস্তুত। নলহাৰনিগড় গ'ল, ছাছগড়ো গ'ল, কিন্তু এই ধ্বংসই মানুহৰ মনত উত্তেজনা আৰু দৃঢ়তাৰ ভাৱ জাগৃত কৰিলে।

মহাৰাণী— গোটেই ৰাতি শিৱালয়তে কটাবনে কি?

হম্মীৰ— মই পাহৰি গৈছিলোঁ, বঁলা। (সকলোৰে প্ৰস্থান)

(পট পৰিবৰ্ত্তন)

তৃতীয় দৃশ্য

ছাছগড়ৰ ৰাজভৱন। (সেনাপতি মীৰ গভৰু আৰু জমালখাঁৰ সৈতে বাদছাহ আলাউদ্দীন বহি আছে।)

আলাউদ্দীন — ছাছগড়ৰ বিজয়ে আমাৰ ভৱিষ্যতৰ কাৰ্য্য সহজ কৰি দিছে।

জমালখাঁ — আমাৰ ৰণথম্ভোৰৰ দুগৰ ভিতৰৰ সৈন্যলৈ কোনো ভয় নাই, কিন্তু ভয় আছিল ৰাণা ৰণধীৰ সিংহৰ অধীনস্ত বাহিৰত যুদ্ধ কৰা সৈন্যলৈ। সদায় আমাৰ ৰচদ-পাতি ডকাইতি কৰি নিয়া, দিল্লীৰ পৰা অহা সৈন্যক বাটত আটক কৰা, হঠাৎ ৰাতি আক্ৰমণ কৰা, ৰাতি অতৰ্কিতে জপিয়াই পৰা ভূতৰ দৰে তেওঁ যে কেনেকৈ কি কৰিছিল বুজাই অসম্ভৱ।

আলাউদ্দীন — বাস্তৱিকতে সেই বুঢ়াৰ ভিতৰত আচৰিত ধৰণৰ ক্ষমতা আৰু স্ফূৰ্ত্তি আছিল। যেতিয়া মই তেওঁক মাত্র কেই-জনমান সৈন্যক লৈ আমাৰ লগত যুদ্ধ কৰা দেখিছিলোঁ, তেতিয়া তেওঁৰ ভৰিত মূৰ দোঁৱাবলৈ মোৰ ইচ্ছা হৈছিল।

মীৰ গভৰু — আপুনিও শত্ৰুৰ প্ৰশংসা কৰেনে কি ?

আলাউদ্দীন — কিয় নকৰিম মীৰ ! মই ফুলৰ শয্যাত শোৱা আৰু সৈন্যক যুদ্ধলৈ আগ বঢ়াই দিয়া ৰজা নহওঁ। মীৰ চাহাব ! মই যুদ্ধ ক্ষেত্ৰত এজন সাধাৰণ সৈনিকৰ দৰে তোমাৰ আজ্ঞা পালন কৰা যিদৰে কৰ্ত্তব্য বুলি ভাবোঁ, সেইদৰে সিংহাসনত বহি আদেশ দিয়াও। যি নিজে তৰোৱাল চলাব জানে, তেওঁ আনৰ তৰোৱালৰ শক্তিৰ প্ৰশংসাও কৰিব পাৰে। বীৰত্বত যে ৰাজপুত আমাতকৈ তুচ্ছ নহয় সেইটো স্বীকাৰ কৰিবই লাগিব।

গীৰ গভৰু — মানৱত্বৰ কাৰণে সৰাও তেওঁলোক আমাতকৈ হীন নহয়।

আলাউদ্দীন — মানৱত্বৰ অৰ্থৰ সদায় পৰিবৰ্ত্তন হৈ থাকে, মীৰ চাহাব। মই এনেকুৱা বহুত কাম কৰিছোঁ যাক মানৱত্ব বুলি কব নোৱাৰি। ৰণথম্ভোৰৰ ওপৰত আক্ৰমণ কৰাও হয়তো মানৱত্বৰ বিৰোধী। কিন্তু তুমিয়েই ভাবাচোন এই মানৱত্বৰ আদৰ্শৰ ওপৰত যদি স্থিৰ হৈ থকা যায়, তেতিয়াহলে গোটেই ভাৰতবৰ্ষক আমাৰ পতাকাৰ তলত অনাত আনো আমি কৃতকাৰ্য্য হব পাৰিম্? যদি দকৈ ভবা যায় তেতিয়া হলে যুদ্ধ কৰাটোও মানৱত্বৰ বিৰোধী। এই পৃথিবী আৰম্ভৰ পৰাই ভুল বাটেদি আগ বাঢ়িছে; এতিয়া মানৱত্বৰ আদৰ্শক খামুচি ধৰি থাকিবলৈ হলে ইয়াত জীয়াই থকাই টান হৈ পৰিব। মীৰ চাহাব। আমি আমাৰ লক্ষ্যত কেৱল চকু ৰখা উচিত; তাত উপনীত হবলৈ আমি কি উপায় অৱলম্বন কৰোঁ, সেই বিষয়ে চিন্তা কৰা নিৰৰ্থক।

গভৰু — আমি আপোনাৰ সেৱক। আপোনাৰ আদেশ পালন কৰাই হৈছে আমাৰ মানৱত্ব। যুদ্ধ ক্ষেত্ৰত কি দৰে তৰোৱাল চলাব লাগে আমি জানো, কিন্তু এই তৰোৱাল চলোৱাৰ উদ্দেশ্যৰ কথা জানিবলৈ আমি ইচ্ছা নকৰোঁ।

আলাউদ্দিন — তোমালোকৰ নিচিনা বিশ্বাসী বন্ধু পাই মই সঁচাকৈ গৌৰবান্বিত। নহলে, ভাৰতবৰ্ষৰ চুকে-কোণে বিজয়ৰ দুন্দুভি বজোৱা জানো আলাউদ্দিনৰ পক্ষে সম্ভৱপৰ? তোমালোকৰ মিলিত শক্তিৰ নামেই হৈছে "দিল্লীৰ বাদছাহ"; যেতিয়ালৈকে আমি এজনে আনজনৰ কাৰ্য্যত সহযোগ কৰিম, সহানুভূতিশীল হম, তেতিয়ালৈকে আমাৰ সাম্ৰাজ্য স্থিৰ হৈ থাকিব। যিদিনা

তোমালোকে নিজৰ চকুৰে চাবলৈ শিকিবা, নিজৰ বুদ্ধিৰে বিবেচনা কৰিবলৈ শিকিবাঁ, নিজৰ অন্তৰেৰে পৰীক্ষা কৰিবলৈ শিকিবাঁ, সেইদিনাই আমাৰ ৰাজ্যৰ শক্তি চূৰ্ণ-বিচূৰ্ণ হৈ যাব।

গভৰু — সচাঁকৈ আপুনি মস্তিস্ক আৰু আমি হৈছোঁ অঙ্গ-প্ৰত্যঙ্গ। জাঁহাপনা! আপুনি ভাবিব আৰু আমি কাম কৰিম, ইয়াতেই আমালোক উভয় পক্ষৰ মঙ্গল।

আলাউদ্দীন — ভাই গভৰু! মোৰ এতিয়া অনুতাপ হয় যে খঙত কিয় মই মীৰ মহিমাক খেদাই দিলোঁ। ৰণথম্ভোৰ লবলৈ বিচাৰিছিলোঁ, মীৰ মহিমাক আশ্ৰয় দি হম্মীৰ সিংহই মোক সোনকালে ইয়াৰ সুযোগ দিলে। দক্ষিণ ফালে ৰাজ্য বিস্তাৰ কৰাৰ পথত ৰাজপুতৰ এই ৰাজ্যখন থকা আমাৰ কাৰণে সুখৰ কথা নহয়, গতিকে ইয়াক শেষ কৰিবই লাগিব। চিতোৰৰ ওপৰত যুদ্ধ কৰিবলৈ আমাক এডোখৰ নিজৰ ঠাই লাগে, সেই কাৰণে মই ৰণথম্ভোৰ আক্ৰমণ কৰিছোঁ। মীৰ মহিমা ইয়াৰ এটা চেল্‌হে মাথোন। সম্ভৱতঃ ৰণ-থমম্ভোৰ অধিকাৰ কৰাৰ পাছত তোমাৰ ভায়েৰাক ক্ষমাও কৰিব পাৰোঁ।

গভৰু — মোক এইবোৰ কথা কোৱাৰ প্ৰয়োজন নাই, জাঁহাপনা। দিল্লীৰ ৰাজ্য বিস্তাৰ আৰু ইয়াৰ সুৰক্ষণৰ যত প্ৰশ্ন থাকিব তাত নিজৰ ডিঙিত তৰোৱাল ৰহুৱাবলৈকো গভৰু কুণ্ঠিত নহব। সাম্ৰাজ্যৰ সন্মানৰ আগত ভ্ৰাতৃ-স্নেহৰ কোনো মহত্ব নাই বাদছাহ! এইটোও সচাঁ যে যুদ্ধক্ষেত্ৰত যেতিয়া মহিমাক দেখোঁ, তেতিয়া মোৰ হাতৰ তৰোৱাল বৈ যায়, ইচ্ছা হয় মহিমাক সাবটি ধৰোঁ, কিন্তু অলপ সময়ৰ ভিতৰতে মোৰ জ্ঞান ঘূৰি আহে, মই নিজকে বুজাওঁ যে মোৰ কোনো 'ভাই'

নাই, কোনো 'আই' নাছিল, কোনো 'পিতাও' নাছিল। সৈনিকৰ জীৱনত তাৰ কৰ্ত্তব্যৰ বাহিৰে আৰু একোৱেই নাই। সৈনিকৰ অন্তৰৰ সলনি তাত মাত্ৰ এটুকুৰা শিলহে থাকে।

আলাউদ্দীন — মই তোমাৰ অন্তৰৰ ব্যথা অনুভৱ কৰিছোঁ, মীৰ চাহাব। তুমি নিজকে ফাঁকি দিব খুজিছা। কিন্তু ভাই, মই তোমাৰ অন্তৰ পৰিস্কাৰ কৰি দেখিছোঁ। তোমাৰ বুকুৰ স্পদন মই নিজৰ বুকুতো অনুভৱ কৰিছোঁ।

(প্ৰহৰীৰ প্ৰবেশ)

প্ৰহৰী — (অভিবাদন কৰি) এজন ৰাজপুত সৈনিকে দেখা কৰিব খুজিছে।

আলাউদ্দীন — ইয়ালৈ পঠিয়াই দিয়াঁ।

(প্ৰহৰীৰ প্ৰস্থান)

মীৰ গভৰু — কোন ৰাজপুত চৰ্দাৰ ?

আলাউদ্দীন — (মীৰ গভৰু আৰু জমালখাঁক) তোমালোক এতিয়া যাব পাৰাঁ। (উভয়ৰ প্ৰস্থান)

আলাউদ্দীন— মহাৰাৱ হম্মীৰ সিংহ সন্ধি কৰিবলৈ সন্মত হৈছে নেকি ? ৰাজপুত সেনাপতি অহাৰ কি উদ্দেশ্য হব পাৰে ?

(আলাউদ্দীনক অভিবাদন কৰি সুৰজন সিংহ সোমাই আহে)

আলাউদ্দীন — আহক, বহক। আপুনি কৰ পৰা আহিছে ?

সুৰজন — ৰণথম্ভোৰ দুগৰ পৰা।

আলাউদ্দীন — আপোনাৰ পৰিচয়।

সুৰজন — মোৰ নাম সুৰজন সিংহ ; মই ৰণথম্ভোৰ দুৰ্গৰ কোষাধক্ষ্য।

আলাউদ্দীন — কি খবৰ কওকছোন। মহাৰাৱে আপোনাৰ হাতত

সন্ধিব প্ৰস্তাৱ পঠাইছেনে কি ?

সুৰজন — নহয় বাদছাহ ! সন্ধি কৰাতো চৌহান বংশই এতিয়ালৈকে শিকাই নাই !

আলাউদ্দীন — মই আপোনাৰ মহাৰাৱৰ আত্মমৰ্য্যাদাক সন্মান কৰোঁ । তেওঁ যদি মোৰ বন্ধু হয়, তেতিয়াহলে মই নিজকে সৌভাগ্যশালী বুলি ভাবিম ; যদি নহয় তেন্তিয়াহলে ৰণথম্ভোৰ দুৰ্গৰো ছাহুগড়ৰ দশা ঘটিব ।

সুৰজন — সেইটো কথা আমি জানোঁ, আৰু সেইকাৰণেই আপোনাৰ ওচৰত এটা প্ৰাৰ্থনা কৰিবলৈ আহিছোঁ ; মহাৰাৱে চৌহান বংশৰ গৌৰৱত আমাৰ গোটেই দেশ ধ্বংস কৰি পেলাব খুজিছে ।

আলাউদ্দীন — আপোনালোকে যত্ন কৰিলে এই বিনাশ বন্ধ হব পাৰে ।

সুৰজন — হেজাৰ হেজাৰ ল'ৰা-তিৰোতাই নিৰাশ্ৰয় হৈ বাটে-ঘাটে ঘুৰি ফুৰিছে, এই দৃশ্য মই চাব নোৱাৰা হৈছোঁ ; মোৰ ওচৰত প্ৰজাতকৈ ৰজা ডাঙৰ নহয় । সেইকাৰণেই মই আপোনাৰ ওচৰলৈ আহিছোঁ ।

আলাউদ্দীন আপোনাক নিচিনা সাধু আৰু দয়ালু ৰজা যদি হয়, তেতিয়া হলে ক্ষতি কি ? আলাউদ্দীনে সকলো কৰিব পাৰে সুৰজন সিংহ; আপুনি যদি আমাৰ লগত সহযোগ কৰে, তেতিয়াহলে আপোনাৰ দেশ নন্দন-বন্দন কৰি তুলিম ।

সুৰজন — মানুহে মোৰ নামত থুই পেলাব । মই কেৱল আপোনাক ইয়াকে কবলৈ আহিছিলোঁ যে এই যুদ্ধ আপুনি বন্ধ কৰক । এতিয়াও কেইবছৰ মানলৈ ৰণথম্ভোৰ দুৰ্গৰ নিজক ৰক্ষা কৰিব পৰা শক্তি আছে ; গতিকে মিছাতে ৰক্তপাত কৰিছে কিয় ?

মোৰ প্ৰাৰ্থনালৈ কৰ্ণপাত নকৰিব তাৰ পৰিবৰ্ত্তে আপুনি কি ভীষণ লোভত মোক আসক্ত কৰিব খুজিছে ? মহাৰাণাৰ নগাত ছলনা ! প্ৰতাৰণা ! উস ! মানুহে মোক পিশাচ বুলিব ।

আলাউদ্দীন — পিশাচ বুলিব ! বাঃ ! ঠাকুৰ চাহাব ! আপুনি অতি সবল ! যাৰ হাতত শক্তি থাকে তাক কোনেও একো কব নোৱাৰে । আজি আপুনি মোৰ অতিথি । তিতৰলৈ যলক, আজি ৰাতি ভাবি-চিন্তি কাইলৈ আপোনাক উত্তৰ দিব ।

(পট পৰিবৰ্ত্তন)

আহুতি

চতুৰ্থ দৃশ্য

ৰণথম্ভোৰৰ ফুলনি । (এটা পানীৰ ফুলজাৰিৰ ওচৰৰ বগা শিলৰ আসনত মহাৰাৱ হম্মীৰ সিংহ বহি আছে ।)

হম্মীৰ — গোটেই জীৱন বিস্তৃত মৰুভূমিত পৰিণত হৈ গ'ল । বিশ্ৰামৰ কাৰণে এক মুহূৰ্ত্তও সময় নাই । আজি দুৰ্গৰ এইখন বেৰ ভাঙি গ'ল, কাইলৈ শত্ৰুৱে তাত আক্ৰমণ কৰিছে, তাৰ প্ৰতিবিধান কৰাঁ ! খাওঁতে-শোওঁতে কেৱল যুদ্ধৰেই স্বপ্ন । কি সুন্দৰ এই জীৱন ! প্ৰকৃততে সংঘৰ্ষই হৈছে জীৱন । সংসাৰৰ চকুত এনেকুৱা জীৱন যন্ত্ৰণাদায়ক, কিন্তু মই যে এই যন্ত্ৰণাৰ ভিতৰতো অব্যক্ত সুখ পাইছোঁ । সেউজীয়া শস্য শ্যামল প্ৰদেশত থাকি সকলোৱে আনন্দ অনুভৱ কৰে, কিন্তু মৰুভূমিৰ তপত বালিত তৃপ্তি পোৱা জাতি একমাত্ৰ ৰাজস্থানী ।

(মীৰ মহিমাৰ প্ৰবেশ)

মহিমা — মহাৰাজ ! ফুলনিৰ আনন্দ উপভোগ কৰিছেনে কি ?

হম্মীৰ — আনন্দ ! ফুলনিৰ আনন্দ নহয়, জীৱনৰ আনন্দ উপভোগ কৰিছোঁ। সেই ফুলবোৰলৈ চোঁৱাছোন ; ফুলৰ জীৱন কেৱল এদিনৰ কাৰণেহে, তথাপি কিমান গৌৰৱেৰে মিচিকিয়াই হাঁহে। ভাই, এদিন মৰিবই লাগিব, তেনেহলে জীয়াই থকা দিন কেইটা হাঁহি-মাতি জীয়াই নাথাকোঁ কিয় ?

মহিমা — মই আপোনাৰ জীৱনৰ আনন্দময় ফুলনিলৈ বসন্ত ঋতুৰ সুশীতল বায়ুৰ পৰিৱৰ্ত্তে গ্ৰীষ্ম ঋতুৰ গৰম বতাহ আনি দিলোঁ মহাৰাজ!

হম্মীৰ — এনেকুৱা কথা কিয় কোৱা মীৰ ? নিজৰ আদৰ্শ ৰক্ষাৰ কাৰণে কষ্ট সহ্য কৰি মই কিমান আনন্দ পাওঁ, তুমি নাজানা জানো ? মই যি কৰিছোঁ, পৰোপকাৰৰ কাৰণে নকৰোঁ, আত্মসুখৰ কাৰণেহে কৰোঁ।

মহিমা — আপুনি মোৰ কাৰণে নিজৰ বুঢ়া দদায়েককো বলি দিলে। বন্ধুত্বৰ এনেকুৱা উদাহৰণ পৃথিবীৰ ইতিহাসত আৰু বিচাৰি পোৱা হব জানো ?

হম্মীৰ — মনুষ্যত্বক ইমান হীন বুলি নাভাবিবাঁ মীৰ চাহাব ! সাধাৰণ মানুহৰ ভিতৰত জানো মনুষ্যত্বৰ উদাহৰণ নাই। যি মানুহে আমাৰ এটা ইঙ্গিতত নিজৰ প্ৰাণ বিসৰ্জ্জন দিয়ে, যি চাকিৰ নিচিনাকৈ দুখ আৰু কষ্টত জ্বলি পুৰি মৰে, তেওঁলোকৰ ভিতৰত এনেকুৱা বহুত আছে, যাৰ আগত মহাৰাজ হম্মীৰ সিংহ অতি ক্ষুদ্ৰ।

মহিমা — এইটো ময়ো স্বীকাৰ কৰোঁ মহাৰাজ ! মানৱত্ব দুখীয়াৰ ভিতৰতো পোৱা হয় আৰু ধনীসকলৰ ভিতৰতো পশুত্বৰ অভাৱ নহয়। কিন্তু লোভে মানুহক পশুত পৰিণত কৰে।

(সুৰজন সিংহৰ প্ৰবেশ)

হম্মীৰ — আহঁা সুৰজন সিংহ।

সুৰজন — এটা অতি জটিল সমস্যাৰ সম্বন্ধে অলপ বিবেচনা কৰিব লাগে মহাৰাৱ!

হম্মীৰ — জটিল সমস্যা! তোমাৰ সমস্যাৰ কথা মই জানোঁ সুৰজন। যেতিয়াৰ পৰা মীৰ চাহাব আমাৰ দৰবাৰলৈ আহিল, তেতিয়াৰ পৰাই তোমাৰ সমস্যাও জটিল হৈ পৰিল। কিন্তু আজি মই কোনো জটিল সমস্যাৰ সম্বন্ধে বিবেচনা কৰিবলৈ প্ৰস্তুত নহওঁ। চোৱাঁছোন পূব ফালে সূৰ্য্য উদয় হোৱাৰ লগে লগে তুমিও জটিল সমস্যালৈ উপস্থিত হৈছাঁহি। দেখা নাইনে সেই ফুলবোৰে হাঁলি-জালি তোমাক ইতিকিং কৰিছে, আৰু পখিলাবোৰে জপিয়াই জপিয়াই বিদ্ৰূপ দৃষ্টিৰে উৰি গৈছে।

সুৰজন — আজি দেখোন মহাৰাৱ কবি হৈ পৰিছে। জীৱনৰ প্ৰকৃত সত্যক আঁৰ-কাপোৰৰ পাছফালে লুকাই থলেওযে তাৰ গাম্ভীৰ্য্য কম নহয়, বৰং তেনে উপেক্ষাই তাক আৰু ভয়ঙ্কৰ কৰি তোলে।

হম্মীৰ — সুৰজন সিংহ! ৰণথম্ভোৰৰ মহাৰাৱৰ চকু আছে, তেওঁ যিদৰে উদয় হোৱা সূৰ্য্য দেখে, সেইদৰে অস্ত হোৱাও দেখে। যুদ্ধক্ষেত্ৰতো তেওঁৰ অন্তৰত আনন্দৰ বীণা বাজি উঠে, আৰু আনন্দ উৎসৱতো তেওঁৰ অন্তৰত যুদ্ধই তাণ্ডৱ নৃত্য কৰে। তেওঁ বসন্ত কালৰ আগমণত শীত ঋতুৰ বিনাশ দেখে আৰু শীত কালৰ শুষ্কতাৰ মাজত বসন্তৰ বিকাশো দেখে। গম্ভীৰ ৰূপ ধৰি বহি থাকিলেই সমস্যাও গম্ভীৰ বুলি জানিব পাৰিনেকি?

সুৰজন — কিন্তু মহাৰাৱ! আপুনি কেৱল যুদ্ধক্ষেত্ৰৰ সৈনিকৰ কথাহে

ভাবে ; যুদ্ধ চলাই থাকিবলৈ আৱশ্যক হোৱা ৰাজকোষৰ জানে। কিবা খবৰ ৰাখে ? এই যুদ্ধত ৰণথম্ভোৰৰ ধন-ভঁৰালৰ কিমান অংশ শূণ্য হৈ গল আপুনি জানে৷ জানে ?

হম্মীৰ — মই অলপ অনুমান কৰিব পাৰিছোঁ, সুৰজন।

সুৰজন — কিন্তু ৰাজকোষৰ অৱস্থা অনুমান কৰাতকৈও বেয়া। এই ধনেৰে আমি দহ দিনো যুদ্ধ কৰিব নোৱাৰোঁ।

হম্মীৰ — সচাঁকৈয়ে নেকি ?

সুৰজন — ইয়াত লুকাবলৈ কি আছে, মহাৰাজে নিজেই চাই আহিব পাৰে।

মহিমা — যথেষ্ট হল মহাৰাজ। নিজান মানুহে মোৰ সন্মানৰ কাৰণে নিজৰ গোটেই ৰাজ্য ধ্বংস স্তুপত পৰিণত কৰিলে, নিজৰ বুঢ়া দদায়েকক মৃত্যুৰ মুখলৈ আগ বঢ়াই দিলে, আৰু নিজৰ জীৱনৰ সৈতে মৃত্যুৰ লগত খেল কৰিছে, সেই মানুহজনৰ প্ৰতি মোৰো নিশ্চয় এটা কৰ্ত্তব্য আছে। মই কাইলৈকে আলাউদ্দীনৰ ওচৰলৈ যাম ; আৰু তেওঁৰ ওচৰলৈ গলেই এই যুদ্ধ বন্ধ হৈ যাব, আৰু মোৰ এজন অন্তৰঙ্গ বন্ধুও এনে বিনাশৰ পৰা ৰক্ষা পৰিব। আপোনাৰ কৃতজ্ঞতা মই এই জীৱনত পাহৰিব নোৱাৰোঁ, মহাৰাজ! আপোনাৰ ঋণ মই সুজিব নোৱাৰোঁ, আপুনি মোক সহোদৰ ভাইতকৈ বেছি স্নেহ কৰে।

হম্মীৰ — মীৰ চাহাব। ক্ষত্ৰিয়ই শৰণাগতক দেৱতা বুলি ভাবে। তোমাক মৃত্যুৰ মুখলৈ আগ বঢ়াই দিলে মোৰ মহাদেৱ কেৱল মোৰ ওপৰতেই নহয়, গোটেই বংশৰ ওপৰতে অসন্তুষ্ট হব। মই নিজৰ বংশত মহাদেৱৰ অভিশাপ কামনা নকৰোঁ। যেতিয়ালৈকে হম্মীৰ জীৱিত থাকে, তেতিয়ালৈকে মীৰ মহিমাৰ

জীৱন কোনেও বিপন্ন কৰিব নোৱাৰে।

সুৰজন — আপুনি যুদ্ধ কেতিয়ালৈকে চলাব পাৰিব ?

হম্মীৰ — খুব সোনকালেই এই যুদ্ধ শেষ হৈ যাব।

সুৰজন — সন্ধিৰ দ্বাৰা নে কি ?

হম্মীৰ — সন্ধি! সন্ধিৰ কথা ভবাও পাপ। ক্ষত্ৰিয়ৰ জীৱনৰ চাৰি সীমালৈকে সন্ধিয়ে খোজ দিব নোৱাৰে। জীৱন নাইবা মৰণ, হয় ইপাৰ নহয় সিপাৰ। ইয়াৰ মাজৰ বাটৰ কথা আমি ভাবিব নোৱাৰোঁ। জয়-পৰাজয়ৰ নিৰ্ণয় সন্ধিৰ দ্বাৰা নহয়, যুদ্ধৰ দ্বাৰাই হব। এইবাৰ আক্ৰমণাত্মক যুদ্ধ হব, দুৰ্গৰ ভিতৰত সোমাই থকা কাৰণে আমি নিজৰ দেশৰ পৰা বিছিন্ন হৈ পৰিছোঁ ; সেইকাৰণে এইবাৰ দুৰ্গৰ বাহিৰৰ পৰা যুদ্ধ কৰিব লাগিব।

মহিমা — এইটো কথা ময়ো অনুভৱ কৰিছোঁ যে খুৰা ৰণধীৰ সিংহ শ্বহীদ হৈ যোৱাৰ পৰা আমাৰ শক্তিও আধা হৈ গল। বাহিৰত আমাৰ সৈন্যই যুজাহেতেন, শত্ৰুৰ ৰচদ লুট কৰাহে-তেন, যুদ্ধৰ সামগ্ৰী কাঢ়ি অনাহেতেন, আৰু আক্ৰমণ কৰা-হেতেন, শত্ৰু পক্ষ ইমান দিন ইয়াত টিকিব নোৱাৰিলেহেতেন। মহাবাৰ! মোৰ অন্তৰত কিছুদিনৰ পৰা এটা হেপাঁহ হৈছে যে যদি মই এক হেজাৰ সৈন্য লব পাৰোঁ, তেতিয়া হলে মই বাহিৰৰ পৰা শত্ৰুৰ লগত যুজিব পাৰোঁ। কওক মহাবাৰ! খুৰাৰ স্থান মই পাব পাৰোঁনে ?

হম্মীৰ — যদি তুমি আলাউদ্দীনৰ হাতত আত্ম সমৰ্পণ নকৰোঁ বুলি প্ৰতিজ্ঞা কৰা, তেনেহলে পাবা! শত্ৰুৰ কবলত তুমি গুচি যোৱাৰ সমান ডাঙৰ অপমান মোৰ আৰু হব নোৱাৰে মহিমা! তুমি চৌহান বংশৰ নাক নকটাবা।

মহিমা — মহাৰাৰ! যিদৰে আপুনি মোৰ সন্মানক নিজৰ সন্মান বলি ভাবিছে, সেইদৰে আপোনাৰ সন্মানকো নিজৰ সন্মান বুলি মই ভাবিছোঁ। মোৰ হাত চাওক মহাৰাৰ, পাঠানো ৰাজ-পুতকৈ কম পৰাক্ৰমী নহয় আৰু তেওঁলোক অকৃতজ্ঞও নহয়। (দূৰত বিকুল বাজে)

হম্মীৰ — বৰ্ণা, বিকুল বাজি আছে। (সকলোৰে প্ৰস্থান)

(পট পৰিবৰ্ত্তন)

আঙ্গিক

পঞ্চম দৃশ্য

স্থান – ৰণথম্ভোৰ দুৰ্গৰ ওচৰৰ এটা বাট।

(কিছুমান গাঁৱলীয়া স্ত্ৰী, পুৰুষ আৰু লৰা-ছোৱালীয়ে মূৰত টোপোলা আৰু হাতত লাখুটি লৈ আহি আছে।)

১ম গ্ৰামবাসী— সেইয়া, সৈন্যৰ কোলাহল শুনিছাঁনে ?

২য় গ্ৰামবাসী— এৰা, বোধ কৰোঁ এইবাৰ আমাৰ এই গাৱঁৰ পাল।

৩য় গ্ৰামবাসী— যিমান বেগাই পাৰোঁ আঁতৰ হোৱাঁ। প্ৰাণলৈ যদি মায়া আছে, তেতিয়াহলে টোপোলা-টাপলি এৰি আগ বাঢ়া।

১ম গ্ৰামবাসী— কিন্তু এই কেচুৱা লৰা-ছোৱালীবোৰ! ইহঁতক ক'ত এৰি থৈ যাম ? ইহঁতে যে বেগাই যাবও নোৱাৰে। (দুজন মানুহে এজন আহত সৈনিকক সেইফালে ডাঙি লৈ আহে। সৈনিক জনৰ এখন হাত আৰু এটা ভৰি কটা ; চেহেৰা বিকৃত হৈ গৈছে আৰু ঘা বোৰৰ পৰা তেজ ওলাই আছে)

১ম গ্ৰামবাসী— বোধ কৰোঁ, ওচৰতে ক'ৰবাত যুদ্ধ হৈছে ।

এগৰাকী তিৰোতা— আহত সৈনিকক দেখি মোৰ অন্তৰাত্মা কঁপি উঠিছে। মানুহ হিংস্ৰুক পশুতকৈও দুষ্ট আৰু নিষ্ঠুৰ! কি আচৰিত, মানুহে মানুহক এইদৰে হত্যা কৰে!

২য় গ্ৰামবাসী— তুমি যে ব্ৰাহ্মণ কন্যা, সেইকাৰণে তোমাৰ এই দৃশ্য দেখি অন্তৰ কঁপি উঠিছে। যদি তুমি গৈ যুদ্ধক্ষেত্ৰ দেখাঁ, তেতিয়াহলে তোমাৰ প্ৰাণেই বাহিৰ হৈ যাব। অগণন মৰা শ একেলগে পৰি আছে, কিছুমানৰ হয়তো ডিঙি আধা কটা হৈ আছে, কিছুমানৰ পেটৰ নাড়ী-ভুৰু ওলাই আছে, কোনো শৰ ওচৰত বহি শগুণে ভোজ খাইছে! এনেকুৱা ধৰণৰ কত শোকাবহ দৃশ্য! যুদ্ধ অতি ভয়ঙ্কৰ কান্ড আই!

এগৰাকী তিৰোতা— লোভত মানুহ ৰাক্ষস হৈ যায়।

২য় গ্ৰামবাসী— এৰা লোভত মানুহ ৰাক্ষস হয়। এজন মানুহে আন-এজনৰ ওপৰত প্ৰভুত্ব কৰিবলৈ বিচাৰে। যিদৰে বলদ গৰুৰ ডিঙিত যুৱলি বান্ধি আমি খেতি কৰাওঁ, সেইদৰে ধনী মানুহবোৰেও দুখীয়া মানুহবোৰক গোলাম কৰি লৈ তেওঁলোকৰ পৰা কাম আদায় কৰে। ধনী মানুহবোৰে সুখ-উপভোগ কৰে আৰু দুখীয়া মানুহবোৰে তাৰ ইন্ধন যোগায়। যাক আমি ৰজা, মহাৰজা, ধনী, মানী বুলি ভাবোঁ তেওঁলোকৰ আচল ৰূপ-প্ৰকৃত ছবি এয়ে আই।

৩য় গ্ৰামবাসী ৰজা, মহাৰজাৰ ছবি পাছতো আঁকিব পাৰিবাঁ; কিন্তু কোনফালে পলাবাঁ, কোন পিনে গলে সৈন্যৰ সন্মুখত নপৰোঁ, এতিয়া আগতে সেইটো ভাবাঁ।—

(সন্ন্যাসিনীৰ বেশত চপলা আৰু তেওঁৰ পাছত কেইবাগৰাকী তিৰোতাৰ হাতত তৰোৱাললৈ প্ৰবেশ।)

চপলা—হেৰা। মৃৰত টোপোলা লৈ কোন্‌কালৈ যাব খুজিছাহঁক?

১ম গ্ৰামবাসী—যত মৃৰ গুজিব পাৰি।

চপলা—তেন্তে কোনখন নিৰাপদ ঠাইলৈ যাব খুজিছা, য'ত যম ৰজা প্ৰবেশ কৰিব নোৱাৰে?

২য় গ্ৰামবাসী—যেতিয়ালৈকে সম্ভৱ যম ৰজাক ফাঁকি দিবলৈ চেষ্টা কৰা উচিত।

চপলা—ধিক্কাৰ তোমালোক! নিজৰ জন্মভূমিক শত্ৰুৰ হাতত এৰি দি তোমালোক পলাই যাব খুজিছা; নিজৰ মাতৃভূমিক এৰি যাবলৈ তোমালোকৰ দুখ নালাগেনে? যাৰ অন্ন খাই জীয়াই আছাঁ যাৰ জলবায়ুৱে নিজক পৰিপুষ্ট কৰিছাঁ, বিপদৰ সময়ত সেই জন্মভূমিক এৰি যাবলৈ তোমালোকৰ লাজ লগা নাইনে? যি ঠাইলৈ যাবা, সেই ঠাইত নিজৰ জন্মভূমিৰ কথা তোমালোকৰ মনত নপৰিবনে? তোমাৰ আত্মাই তোমাক ধিক্কাৰ নিদিবনে?

১ম গৰাকী তিৰোতা—দেৱী! এনেকুৱা কোন আছে যি নিজৰ জন্মভূমিক এৰি থৈ যোৱাৰ সময়ত ব্যাকুল নহয়? ইয়াৰ গছ-লতা, পশু-পক্ষী, নদ-নদী সকলোৱে যেন আমাক ৰিঙিয়াই মাতে, তেওঁলোক যেন আমাৰ চিৰপৰিচিত তেওঁলোক যেন আমাৰ অতি আপোন। ইচ্ছা হয় পলাই যোৱাতকৈ ইয়াতে নিজৰ প্ৰাণ দি দিওঁ।

চপলা—হে নাৰী! তুমি ধন্য! প্ৰেমৰ এনেকুৱা শক্তিয়েই নিৰ্জ্জীৱ প্ৰাণীৰ ভিতৰতো প্ৰাণৰ সঞ্চাৰ কৰে। দেৱী! জন্মভূমিৰ কাৰণে প্ৰাণাহুতি দিবলৈ তুমি পুৰুষসকলক উত্তেজিত কৰাঁ।

১ম গ্ৰামবাসী—যি ক্ষত্ৰিয় তেওঁহে যুদ্ধ কৰে, যুদ্ধ কৰা আমাৰ কাম নহয়। আমি সদায় খেতি-বাতি কৰোঁ, যুদ্ধৰ সময়ত

খেতি-বাতি কৰা সম্ভৱ নহয়, সেই কাৰণে আমি পেটৰ দায়ত আন কিবা কাৰবাৰ কৰিবৰ কাৰণে দেশৰ বাহিৰলৈ ওলাইছোঁ।

চপলা— দেশ কেৱল ক্ষত্ৰিয়ৰহে নেকি ? দেশৰ কাৰণে প্ৰাণ দিবলৈ প্ৰত্যেক দেশবাসীৰে অধিকাৰ আছে। ভাই ! শত্ৰুৰ হাতৰ পৰা দেশক ৰক্ষা কৰিবলৈ সকলো পুৰুষেই আগ বাঢ়িব লাগিব। যি নিজৰ কাৰণে মায়ামোহ নাৰাখে, তেওঁহে প্ৰকৃত ক্ষত্ৰিয়; ক্ষত্ৰিয়ৰ ঘৰত জন্ম ললেই ক্ষত্ৰিয় হব নোৱাৰে। এনেকুৱা ক্ষত্ৰিয়ও আছে, যি নিজৰ স্বাৰ্থৰ কাৰণে শত্ৰুৰ লগত যোগ দিছে। এনেকুৱা মানুহক আমি, ক্ষত্ৰিয় বুলিমনে ? ক্ষত্ৰিয়তো নহয়েই, তেওঁক মানুহ বুলিও কব নোৱাৰোঁ। যি মৃত্যুৰ ভয়ত নিজৰ জন্মভূমিক শত্ৰুৰ ভৰিৰ গৰকত পৰিবলৈ এৰি দিযে, তেওঁ জানো জীৱিত ? তোমালোকেও এনেকুৱা হবলৈকে ইচ্ছা কৰাঁ নেকি ?

১ম গ্ৰামবাসী— আমি প্ৰস্তুত দেৱী ! কিন্তু এই স্ত্ৰী আৰু লৰা ছোৱালীবোৰ..............

চপলা— এওঁলোকৰ ভাৰ মোক দিয়াঁ। তোমালোকে নাভাবিবাঁ; মই এওঁলোকৰ সকলো ব্যৱস্থা কৰি দিম। তোমালোকে এতিয়া হাতত তৰোৱাল লোৱাঁ।

(লগৰ তিৰোতা সকলক) এওঁলোকক তৰোৱাল দিয়াঁ।

(পুৰুষ সকলে আগ্ৰহেৰে হাতত তৰোৱাল লয়)

চপলা— গোৱা, দেশগীতি গোৱাঁহক।

(সকলোৱে গায়)

হে জননী। দিয়াহে আশীষ
কৰিবলৈ দেশ মুক্ত।

জাগ্ৰত হোৱাঁ নন্দিত কৰাঁ
পৰিহাৰ কৰি সুপ্ত ॥
বিপদ কালিমা মেঘেৰে আবৃত
বেষ্টিত তব দেশ ॥
বিজয় ৰথত হোৱা আগুৱান
গুছোৱাঁ মাতৃৰ ক্লেশ ॥
ভয় নকৰিবাঁ অমৰ আত্মা
তোমাৰ কিহৰ ভয় ।
দিয়াঁ বলিদান প্ৰাণৰ আহুতি
হব তোমাৰেই জয় ॥
পাৰ হৈ বলাঁ মহা পাৰাবাৰ
নতুন সন্ধান লোৱাঁ ।
দিয়াঁ আশীৰ্ব্বাদ অমোঘ নিৰ্ম্মালি
দিয়াহেঁ জননী দিয়াঁ ॥

(গান গাই গাই সকলোৰে প্ৰস্থান)

(পট পৰিবৰ্ত্তন)

ষষ্ঠ দৃশ্য

স্থান ৰণথম্ভোৰৰ ৰাজমহল। (মহাবীৰ হম্মীৰ সিংহ বীৰ বেশত থিয় হৈ আছে)

হম্মীৰ — চৌহানসকলৰ তৰোৱালৰ শক্তি এতিয়াও ক্ষীণ হোৱা নাই। কিন্তু ৰাজকোষ? ৰাজকোষ শূণ্য হৈ গ'ল। ৰচদ শেষ হৈ গ'ল; বীৰত্বৰ অভাৱৰ কাৰণে নহয়, সামগ্ৰীৰ অভাৱৰ কাৰণেই যুদ্ধ সোনকালে শেষ হব। শেষ হোৱাৰ আগতে ক্ষত্ৰিয়সকলে আকৌ এবাৰ জগতবাসীক নিজৰ শক্তি দেখুৱাব।

(বীৰ বেশত মীৰ মহিমাৰ প্ৰবেশ)

মহিমা — মহাবীৰ! আজি মই আপোনাৰ ওচৰত শেষ বিদায় লবলৈ আহিছোঁ। ইমান দিনে আপুনি মোক আপোনাৰ যি স্নেহৰ ছাঁত আশ্ৰয় দিছিল, তাক মই জীৱনত পাহৰিব নোৱাৰোঁ। প্ৰকৃত মানৱ কাক বোলে ইমান দিনে মই আপোনাৰ জীৱনৰ পৰা তাক ভালদৰে শিকিলোঁ। আজি আপুনি মোক আপোনাৰ সেনাপতি পাতি মোৰ ওপৰত কিমান বিশ্বাস ৰাখিছে। আজি মই জীৱনৰ সকলোতকৈ ডাঙৰ কাম কৰিবলৈ ওলাইছোঁ মহাবীৰ। আজিৰ এই যুদ্ধই মোৰ ভাগ্য নিৰ্ণয় কৰিব।

হম্মীৰ — লগতে ৰণথম্ভোৰৰ ভাগ্যও মহিমা। ইমান দিন ৰাজপুতৰ লগত থাকি তুমি ৰাজপুতৰ স্বভাৱ বুজিব পাৰিছা। দিল্লীৰ সৈন্যৰ যুদ্ধ প্ৰণালী তুমি জানা, গতিকে তোমাতকৈ উপযুক্ত সেনাপতি আৰু ৰণথম্ভোৰত নোলাব মীৰ চাহাব। খুৱাদেৰে

যি কাম শেষ কৰিব নোৱাৰিলে, সেই কাম তুমি নিশ্চয় শেষ কৰিব পাৰিবাঁ, তুমি নিশ্চয় জয়ী হবাঁ ।

(মহাৰাণী দেৱল আৰু ৰাজকুমাৰী চন্দ্ৰকলাৰ প্ৰবেশ ; চন্দ্ৰকলাৰ হাতত তিলকৰ সামগ্ৰী)

মহাৰাণী — ময়ো আশীৰ্ব্বাদ কৰিছোঁ—মোৰ ভায়ে যেন আজি নিজৰ নাম অমৰ কৰে, আৰু লগতে ৰণথম্ভোৰৰ সৈন্যৰ নামো গৌৰৱৰ উচ্চ শিখৰলৈ লৈ যায় ।

(জয় আৰু বিজয়ৰ বীৰ বেশত প্ৰবেশ । তেওঁলোকে মহাৰাৱ আৰু মহাৰাণীৰ ভৰি চুই সেৱা কৰে ।

মহাৰাণী— যশস্বী হোৱাঁ বৎস !

হম্মীৰ— চৌহান বংশৰ গৌৰৱ উজ্জ্বল কৰাঁ কুমাৰ ! মীৰ চাহাব ! তোমাৰ অধীনত আজি এই দুই কুমাৰে যুদ্ধ কৰিব ।

মহিমা— কিন্তু এই বুকুৰ মাণিকক এনে যুদ্ধলৈ পঠোৱা কি প্ৰয়োজন মহাৰাৱ ?

হম্মীৰ— মহিমা ! এতিয়া এনেকুৱা সময় আহিছে যে নিজৰ প্ৰিয় বস্তুৰ ওপৰত আৰু মোহ ৰখা উচিত নহয় । জন্মভূমিয়ে আত্মত্যাগ আৰু বলিদান বিচাৰিছে ।

মহাৰাণী— অতিথি আমাৰ দেৱতা ; অতিথিৰ কাৰণে আমি নিজৰ প্ৰাণতকৈও প্ৰিয় বস্তু ত্যাগ কৰিবলৈ দ্বিধা নকৰোঁ ।

মহিমা— (গদ-গদ হৈ) মহাৰাণী ! আপুনি যেনে উচ্চ হৃদয়েৰে কথা কৈছে, তেনে উচ্চ হৃদয় পাবলৈ সাধাৰণ মানুহৰ জানো যোগ্যতা আছে ? আপুনি নিজৰ বুকুৰ মাণিক, চকুৰ মণি, দেশৰ আশা-ভৰষাৰ স্থল, ৰাজকুমাৰ সকলক এই তুচ্ছ প্ৰাণীৰ কাৰণে বিপদৰ মুখলৈ আগ বঢ়াই নিদিব মহাৰাণী ! মই হাত যোৰ কৰি ভিক্ষা খুজিছোঁ ; আপুনি "মা," মাকৰ স্নেহৰ কথা

মই জানোঁ। আপুনি নিজৰ ওপৰত, মোৰ ওপৰত আৰু ৰণ-থম্ভোৰৰ ওপৰত অত্যাচাৰ নকৰিব।

মহাৰাণী— মীৰ চাহাব! এইটো ঠিকেই যে মই "মা," আৰু এইটোও সঁচা, যে যুদ্ধ ক্ষেত্ৰলৈ পঠোৱা মানে মৃত্যুলৈ আগ বঢ়াই পঠোৱা। কিন্তু মীৰ চাহাব! আপুনি ক্ষত্ৰিয়াসকলৰ অন্তৰৰ কথা নাজানে, যিদিনাই ক্ষত্ৰিয়াই নিজৰ পুত্ৰক ৰণৰ সাজেৰে সজাই যুদ্ধ ভূমিলৈ পঠায়, তেওঁৰ মাতৃত্ব সেইদিনাহে ধন্য হয়।

জয়— মীৰ চাহাব। আমাৰ কাৰণে আপুনি নাভাবিব, যেতিয়া জন্মভূমিৰ মৰ্য্যাদাৰ প্ৰশ্ন উঠে, তেতিয়া নিজৰ প্ৰাণ বলিদান দিবলৈ সাজু হোৱা যে প্ৰত্যেক যুৱকৰে কৰ্ত্তব্য।

বিজয়— মাকৰ ওচৰত সাধাৰণ সৈনিক আৰু ৰাজ পুত্ৰ সকলোৰে মূৰৰ সমান দাম মোমাইদেউ! যেতিয়া আপুনি শত-সহস্ৰ সৈনিকৰ কাৰণে চিন্তা-কৰা নাই, তেতিয়া আমাৰ কাৰণে ইমান মোহ কৰিছে কিয়? আমি যে একেবাৰে সৰু লৰা নহয়, আমি নিজৰ দায়ীত্ব নিজে বুজিবলৈ শিকিছোঁ। মাতৃ-ভূমিৰ ধূলিকণা মহাৰাৰৰ পুত্ৰতকৈ অধিক মূল্যবান, মোমাইদেউ।

হম্মীৰ—মীৰ চাহাব! আজি মোৰ মনত বৰ আনন্দ হৈছে। আজি মোৰ প্ৰাণৰ অংশই নিজৰ কৰ্ত্তব্যৰ পথত আগ বাঢ়ি গৈছে। আজি স্বৰ্গত সম্ৰাট পৃথ্বীৰাজেও নিশ্চয় নিজৰ বংশধৰৰ এই শক্তি দেখি আনন্দত অধীৰ হৈ পৰিছে। ৰাজকুমাৰহঁত! মোৰ বিশ্বাস যে তোমালোকে নিজৰ শক্তিৰে শত্ৰুৰ চকুত চমক লগাই দিবাঁ। ৰক্তগঙ্গাত স্নান কৰি আজি অগ্নি পুত্ৰসকলৰ অতৃপ্ত আত্মাই তৃপ্তি লাভ কৰিব।

জয়— পিতা! আজি দেশৰ সম্মান ৰক্ষাৰ সময় উপস্থিত হৈছে; এই সময়ত আপুনি আমাক আমাৰ শক্তি দেখুৱাবলৈ আজ্ঞা

দিয়াত আমি কৃতজ্ঞ। আপোনাৰ বীৰত্ব ভাৰতৰ প্ৰত্যেক চুকে কোনে বিদিত। আমাৰ শৰীৰতো আপোনাৰ তেজ আছে, আমাৰ হাতত আপোনাৰ শক্তি আছে, আমাৰ চকুত আপোনাৰ জ্বেউতি আৰু প্ৰাণত আপোনাৰ উৎসাহ আছে। আমাৰ বিশ্বাস এই পৰীক্ষাত আমি নিশ্চয় উত্তীৰ্ণ হব পাৰিম।

ৰাজকুমাৰী— ভাই! তোমালোকৰ নামেই যে জয় আৰু বিজয়;পৰাজয় তোমালোকৰ ওচৰলৈ কেতিয়াও আহিব নোৱাৰে। তোমালোকে পতাকা উচ্চ কৰি যুদ্ধক্ষেত্ৰলৈ আগ বাঢ়ি যোৱা আৰু সেই দৰেই যেন উলটি আহাঁ। তোমালোকক যুদ্ধ কৰা দেখিলে আমাৰ সৈন্যৰ মাজতো উৎসাহৰ ঢৌ উঠলি উঠিব। তোমা-লোকৰ লগত যুদ্ধক্ষেত্ৰলৈ যাবলৈ মোৰো ইচ্ছা হৈছে।

বিজয়— যিদিনা আমাৰ তেজ চেচা হৈ যাব, সেইদিনা তুমি অস্ত্ৰ লব লাগিব।

ৰাজকুমাৰী— কিন্তু আমাক নো কিয় অস্ত্ৰ চলাবলৈ শিকোৱা হয়?

হম্মীৰ— আত্ম-ৰক্ষাৰ কাৰণে। ৰাজকুমাৰী! ক্ষত্ৰিয়ই প্ৰাণতকৈ মানক বেচি প্ৰিয় বুলি ভাবে। দেশৰ সম্মান আমাৰ ওচৰত যিমান প্ৰিয়, নাৰী জাতিৰ সন্মানো সিমানেই প্ৰিয়। যেতিয়া-লৈকে এজন ক্ষত্ৰিয়ও জীৱিত থাকে, তেতিয়ালৈকে তেওঁৰ চকুৰ আগত কোনো নাৰীৰ অপমান হব নোৱাৰে। কিন্তু তথাপি কেতিয়াবা এনেকুৱা সময় আহে, যি সময়ত নাৰীৰো আত্মনিৰ্ভৰশীল হোৱা প্ৰয়োজন হৈ পৰে। সেই সঙ্কটৰ সময়ৰ কাৰণে তোমাক অস্ত্ৰ চলাবলৈ শিক্ষা দিয়া হৈছিল।

মহাৰাণী— ৰাজকুমাৰী! আজিলৈকে কোনো নাৰীৰ কাৰণে ক্ষত্ৰিয়ৰ সন্মান নষ্ট হোৱাৰ সুযোগ অহা নাই। যেতিয়া

আমাৰ অস্ত্ৰই পৰাজয় স্বীকাৰ কৰে, তেতিয়া জহৰৰ জুয়ে আমাক পবিত্ৰ কৰি তোলে। জুইৰ শিখাৰ শাৰী পিন্ধি আমি অমৰ লোকলৈ প্ৰস্থান কৰোঁ।

ৰাজকুমাৰী— আহা ভাই! ৰণলৈ যাত্ৰা কৰাৰ আগতে তিলক দি তোমালোকক আশীৰ্ব্বাদ দিওঁ।

(দুয়ো কুমাৰ আগবাঢ়ি আহে, ৰাজকুমাৰীয়ে তিলক দিয়ে)

ৰাজকুমাৰী— ভাই! জগতৰ চকত তোমালোকৰ গৌৰৱ সূৰ্য্যৰ কিৰণৰ দৰে যুগে যুগে প্ৰকাশিত হৈ থাকক।

জয়, বিজয় — তোমৰ আশীৰ্ব্বাদ সত্য হওক।

মহাৰাণী — আহক মীৰ চাহাব! আপোনাকো তিলক দিওঁ।

(মীৰ মহিমা আগ বাঢ়ি আহে)

মহাৰাণী — (তিলক দিয়ে) ভাই! আপোনাক লৈ যেন মনুষ্যত্বই যুগে যুগে গৌৰৱ কৰিব পাৰে।

মহিমা — (মহাৰাণীৰ ভৰিত পৰি) মহাৰাণী! মোৰ ইচ্ছা এয়ে যে যি দেশত এনেকুৱা শক্তি আছে, এনেকুৱা প্ৰেম আছে, সেই ঠাইৰ ধূলিৰ লগত যেন মই মিহলি হৈ যাব পাৰোঁ। আজি মই এই অভিলাষ লৈয়ে আপোনাৰ পৰা বিদায় লৈছোঁ।

(পট পৰিবৰ্ত্তন)

তৃতীয় অঙ্ক

প্ৰথম দৃশ্য

ৰণথম্ভোৰৰ প্ৰধান দুৱাৰৰ ওচৰত মীৰ মহিমা, জয়, বিজয় আৰু বহুতো ৰাজপুত সৈনিক ৰণসজ্জাত সজ্জিত হৈ থিয় হৈ আছে।

জয়— মোমাইদেউ! আজি দহ মাহৰ পাছত ৰণথমম্ভোৰ দুৰ্গৰ এই প্ৰধান দুৱাৰ খন খুলি শত্ৰুক প্ৰবেশ কৰিবলৈ আহ্বান কৰি মই ইয়াত থিয় দিছোঁ।

বিজয় — কাৰ এনেকুৱা শক্তি আছে যে আমাৰ এই তৰোৱালৰ ধাৰৰ পৰা মুক্তি পাই দুৰ্গত প্ৰবেশ কৰিব?

মহিমা — বাস্তৱিকতে আজিহে প্ৰধান যুদ্ধ আৰম্ভ হ ব। আজি আমাৰ সন্মুখত জীৱন-মৰণৰ প্ৰশ্ন! ৰাজকুমাৰ! আজি তোমালোকে একো কৰিব নালাগে, কেৱল যুদ্ধৰ পদ্ধতি চোৱাহঁক। এই দুৱাৰৰ ওচৰত তৰোৱাল লৈ মই পাহাড়ৰ দৰে দৃঢ় হৈ থিয় হৈ আছোঁ, তোমালোকে কেৱল মোৰ পাছত থাকি আমাৰ সৈন্যক সাহস দিবাহঁক।

জয় — আমি দুয়ো দুৱাৰৰ ওচৰত প্ৰস্তৰ স্তম্ভৰ দৰে থিয় হৈ আছোঁ। আমাৰ সংগঠন ইমান দৃঢ় যে দুৱাৰ খুলি ৰাখিলেও শত্ৰুৰ সৈন্য ভিতৰ সোমাব নোৱাৰিব। দীপ শিখাৰ পোহৰত যিদৰে পোক-পৰুৱাই আহি নিজৰ প্ৰাণ হেৰুৱায়, সেইদৰে

তেওঁলোকেও বাৰে বাৰে দুৱাৰৰ ওচৰলৈ আহি নিজৰ প্ৰাণ হেৰুৱাব। (দূৰত বিকুলৰ ধ্বনি)

মহিমা — ৰাজকুমাৰ ! মহাবীৰৰ যুদ্ধৰ কৌশল অতুলনীয়, অনুপম। আমি কেৱল যুদ্ধ কৰিব জানোঁ, কিন্তু যুদ্ধৰ ছবি আঁকিব নাজানোঁ। এই কাম মহাবীৰৰহে ; খোদাই মহাবীৰক যিদৰে বলিষ্ঠ শৰীৰ দিছে, সেইদৰে তীক্ষ্ম বুদ্ধিও দিছে। নহলে যি আলাউদ্দীনৰ সৈন্যৰ আগত ডাঙৰ ডাঙৰ ৰজা মহাৰজাও খেৰৰ দৰে উৰি যায়, সেই আলাউদ্দীনৰ সৈন্যৰ লগত এইদৰে দহ মাহ যুদ্ধ কৰা সহজ কামনে ?

(দূৰত বিকুলৰ ধ্বনি আৰু স্পষ্ট হৈ উঠে)

মহিমা — দুৰ্গৰ দুৱাৰ খোলা দেখি শত্ৰুৰ সৈন্যই সোমাবৰ কাৰণে আগ বাঢ়ি আহিছে। চোৱাঁ, ৰাজকুমাৰ ! সেয়া মোৰ ককাই, যি সকলোতকৈ আগত হাতত তৰোৱাল লৈ নিৰ্ভীক ভাৱে আহিছে। ভাগ্যৰ কি বিড়ম্বনা ! একেজনা আইৰ কোলাত লালিত-পালিত হৈ আজি এজনে আনজনৰ বিৰুদ্ধে যুদ্ধ কৰিব লগীয়া হৈছে। শেষবাৰৰ কাৰণে আজি মোৰ ককাইক শেষ দেখা কৰিবলৈ ইচ্ছা হৈছে, সেই কাৰণে মই এখন চিঠি লিখি লৈ আহিছোঁ। এই কাঁড়ত বান্ধি এতিয়াই তেওঁৰ ওচৰলৈ পঠিয়াই দিওঁ।

(চিঠি খন কাড়ঁত বান্ধি কাড়ঁ ডাল মাৰি দিয়ে)

জয় — বাঃ ! মোমাইদেউ। আপোনাৰ কি অদ্ভূত লক্ষ্য ! আপোনাৰ কাড় গৈ ঠিক মীৰ গভ্ৰুৰ ভৰিৰ গুৰিত পৰিছেগৈ।

মহিমা — চোৱাঁছোন, দাদাই নিজৰ ফৌজৰ গতি ৰোধ কৰি অকলে আগ বাঢ়ি আহিছে।

বিজয় — তেওঁ সন্দেহ কৰা নাই যে তেওঁক আমি ছলনা কৰিম।

মহিমা — তেওঁ জানে যে যিফালে মীৰ মহিমা থিয় হব, ন্যায়ক লগত লৈ থিয় হব ; গোপন ভাৱে অসাধু আক্ৰমণ কৰা মীৰ মহিমাৰ স্বভাৱ নহয় । তাৰ বাহিৰেও ভায়েকৰ ওপৰত এই খিনি বিশ্বাস থকা তেওঁৰ নিশ্চয় উচিত ।

(মীৰ গভৰুৰ প্ৰবেশ । মীৰ মহিমাই লৰি আহি মীৰ গভৰুক সাৱটি ধৰে ।)

জয় — আহা ! কি স্বৰ্গীয় দৃশ্য ! প্ৰেমৰ দুই ধাৰা আজি এক হৈ গৈছে । চোৱাঁছোন বিজয় ! দুয়োৰো চকুৰ পৰা কেৱল চকুৰ পানী নাগৰিছে । এই চকুৰ পানীত আজি পৃথিৱী পবিত্ৰ হৈ গৈছে । ৰণথম্ভোৰৰ চিৰ অতৃপ্ত ভূমি আজি এই অশ্ৰু-জলেৰে তৃপ্ত হৈছে ।

গভৰু — ভাই !

মহিমা — দাদা !

(দুয়ো চকুৰ পানী মচি থিয় হয়)

গভৰু — স্বৰ্গৰ পৰা আজি আমাৰ পিতৃ-মাতৃয়ে আমি দুয়ো ধৰ্ম্মৰ কাৰণে যুদ্ধ কৰা দেখিলে নিশ্চয় সুখী হব ।

মহিমা — দাদা ! মোক ক্ষমা কৰাঁ ।

গভৰু — ভাই ! তুমিও মোক ক্ষমা কৰাঁ । এইটো কথা ভাবি সঁচাকৈ মই বৰ সুখী হৈছোঁ যে তুমি নিজৰ ধৰ্ম্মত অটল হৈ আছাঁ ।

মহিমা — কিন্তু জাতিৰ শত্ৰু ....

গভৰু— জাতীয়তাৰ লগত তুলনা কৰি মানৱত্বক হেয় নকৰিবা মহিমা । মানুহৰ অভিলাষেই এই প্ৰাচীৰৰ সৃষ্টি কৰে । এদিন জাতীয়তাৰ সমন্ধে মোৰো ধাৰণা বিপৰীত আছিল । কিন্তু ভাই ! ন্যায় আৰু ধৰ্ম্মৰ ওপৰত অবিচলিত হৈ থকাটোৱেই প্ৰকৃত জাতীয়তা ।

মহিমা — তেনেহলে তুমিনো কিয় আমাৰ লগত যোগ নিদিয়া ?

গভৰু — এইকাৰণেই, যে মোৰ ধৰ্ম্মই, মোৰ বিবেকে কৈছে যে যাৰ নিমখ খাইছোঁ, তেওঁৰ কাৰণে নিজক বলিদান দিয়োঁ। যুদ্ধক্ষেত্ৰত আমি দুয়ো এজনে আনজনৰ লগত যুদ্ধ কৰিব লগীয়া হৈছে সচাঁ, কিন্তু তথাপি আমাৰ অন্তৰত সেই প্ৰেমৰ সোঁত প্ৰবাহিত হৈ আছে, যাক নিজৰ গাখীৰৰ লগত আমাৰ আয়ে আমাৰ অন্তৰত সুমাই দিছিল।

মহিমা — আজি স্নেহ আৰু বিশ্বাসৰ প্ৰতিযোগিতা হব দাদা !

গভৰু — বিশ্বাস আৰু প্ৰেমৰ ভিতৰত শত্ৰুতা নাই মহিমা। বিশ্বাসক আঁকোৱালি লৈ আজি যদি যুদ্ধক্ষেত্ৰত তুমি মোৰ মূৰ কাটি পেলোৱা, তেতিয়াহলে মই এইটো কথা কেতিয়াও নকওঁ যে তোমাৰ অন্তৰত মোৰ কাৰণে ঠাই নাই। এই হাড়-মাংসৰ শৰীৰ বিনষ্ট হৈ গলে কি ক্ষতি হব মহিমা ! কাৰণ প্ৰেম এই শৰীৰৰ বস্তু নহয়, অন্তৰৰহে। মোৰ ভাই মোৰ শত্ৰু, তেনে কথা মই এক মুহূৰ্ত্তলৈকো ভাবিব নোৱাৰোঁ। আৰু যদি সোধা, মহাবাৰ হম্মীৰ সিংহকো মই শত্ৰুৰ চকুৰে চাব নোৱাৰোঁ। মই কেৱল ধৰ্ম্মৰ ওপৰত ভিত্তি কৰি নিজৰ কৰ্ত্তব্য পালন কৰি গৈছোঁ। যুদ্ধ ক্ষেত্ৰত আমি তৰোৱা-লেৰে যুজিম আৰু বাহিৰত কোলা-কুলি কৰিম।

মহিমা — দাদা ! এয়েই আমাৰ শেষ দেখা। যুদ্ধক্ষেত্ৰত আজি আমাৰ দুয়োৰো জীৱন-মৰণৰ শেষ মীমাংসা হব। আজি মই মৃত্যুক হাতত লৈ ওলাইছিলোঁ, কিন্তু তোমাক ওচৰত পাই নাজানো কিয় মোৰ শক্তি নাইকিয়া হৈ গৈছে।

গভৰু — মহিমা ! তুমি মহাবাৰৰ ভাল পোৱাৰ মূল্য দিবই লাগিব। যিজনে তোমাৰ সন্মানৰ কাৰণে নিজৰ বুঢ়া দদায়েকক বলি

দিলে, নিজৰ আত্মীয় কুটুম্ব, শত সহস্ৰ নগৰীয়া আৰু হেজাৰ হেজাৰ সৈন্য বলি দিলে, তেওঁৰ স্নেহৰ আগত মোৰ স্নেহ কি বস্তু মহিমা ?

মহিমা — কি কম দাদা ! মইযে মহাৰাৰৰ নিচিনা উদাৰ পুৰুষ জীৱনত এয়ে প্ৰথম দেখিলোঁ। মহাৰাৰে আজি দুয়ো কুমাৰক মোৰ অধীনত যুদ্ধ কৰিবলৈ পঠিয়াই দিছে। নিজৰ প্ৰাণৰ পুতলাক মৃত্যুৰ মুখলৈ আগ বঢ়াই দিবলৈ অলপো সঙ্কোচ কৰা নাই। আৰু মহাৰাণী ! মহাৰাণীৰ কথা কি কম ! তেওঁ মোক সহোদৰ ভাইৰ দৰে ভাবিছে ; যেতিয়া ৰাজাৰ আন আন বিষয়াই "মহাৰাৰ ! এজন মানুহৰ কাৰণে গোটেই দেশ ধ্বংস নকৰিব" বুলি কৈছিল তেতিয়া মহাৰাণীয়ে খঙত উত্তেজিত হৈ কৈছিল, যে' 'পৃথ্বীৰাজৰ বংশধৰে নিজৰ প্ৰতিজ্ঞা কেতিয়াও ভঙ্গ নকৰে। যেতিয়ালৈকে এজন চৌহানো জীৱিত থাকিব, তেতিয়ালৈকে আমাৰ অতিথিক কেনেও অসন্মান কৰিব নোৱাৰিব।" মহাৰাণীয়ে দুয়োজন কুমাৰক মোৰ হাতত গতাই দি কলে "মীৰ চাহাব ! এওঁলোকৰ জীৱন যদি আপোনাৰ কোনো কামত লাগে, তেনেহলে মই নিজৰ কৰ্ত্তব্য শেষ হল বুলি ভাবিম ! অক্ষয় এতিয়া অতি সৰু হৈ আছে নহলে তাক দিবলৈকো মই দ্বিধা নকৰোঁ।"

গভৰু — বাঃ ! ৰাজপুত নাৰী ! পৃথিবীৰ এই পটভূমিত এনেকুৱা উদাহৰণ আৰু ক'ত ওলাব ! মই দুৰ্ভগীয়া মহিমা। এনেকুৱা দেবীৰ চৰণত মই মূৰ দোঁৱাব নোৱাৰিলোঁ। এই যুদ্ধৰ ফল যিয়েই নহওক, যেতিয়ালৈকে চন্দ্ৰ-সূৰ্য্য থাকিব, তেতিয়ালৈকে মহাৰাৰ আৰু মহাৰাণীৰ নাম অমৰ হৈ থাকিব।

মহিমা ! ভালপোৱাই ইয়াতকৈ আৰু বেচি সময় অপহৰণ কৰিব নোৱাৰে, এতিয়া আমি তৰোৱাল উলিয়াওঁ। (দুয়ো তৰোৱাল উলিয়ায় আৰু নিজৰ প্ৰথা অনুসাৰে তৰোৱালত তৰোৱাল লগাই ৰঙেৰে বিদায় লয়)

মহিমা — দাদা ! বিদায় ।

(এফালে মীৰ গভৰুৰ প্ৰস্থান ; সকশ্বেৰে আনফালে প্ৰস্থান)

(পট পৰিবৰ্ত্তন)

আহুতি

দ্বিতীয় দৃশ্য

স্থান – মহাৰাব হম্মাৰ সিংহৰ অন্তঃপুৰ। সময় সন্ধ্যা।

(হম্মীৰ সিংহ অকলে চিন্তামগ্ন হৈ বহি আছে।)

হম্মীৰ— হায় ! এজন এজনকৈ সকলো গল । কিন্তু তথাপি মোৰ ক্ষত্রিয়ত্বৰ অহঙ্কাৰ এতিয়াও চূৰ্ণ নহল। ৰাজপুতৰ মৰ্য্যাদাৰ কাৰণে মোৰ গোটেই পৰিয়ালে হাঁহি হাঁহি আত্মবলি দিলে ! এখন সুন্দৰ সুশোভিত ৰাজ্য ধ্বংসৰ জুইত জ্বলি গল । তেনেহলেও মই পৰাজয় স্বীকাৰ কৰিমনে কি ? সন্ধি কৰিমনে কি ? নহয় অসম্ভৱ ! মই চৌহান বংশক কলঙ্কিত হবলৈ দিব নোৱাৰোঁ। এতিয়াও মোৰ নিজৰ বাহুবলৰ ওপৰত বিশ্বাস আছে, এতিয়াও শত্ৰুৰ লগত যুদ্ধ কৰিবলৈ মোৰ উদ্যম আছে। ত্রিলোচনৰ

তৃতীয় চকুৱে মোৰ তৰোৱালক আহ্বান কৰিছে। হম্মীৰৰ তৰোৱালে শত্রু সৈন্য কচু কটাদি কাটিব।

সুৰজন — (অভিবাদন কৰি) মহাৰাৱ! সৰ্ব্বনাশ হ'ল।

হম্মীৰ — বুজিছোঁ সুৰজন! দুয়ো জন কুমাৰে বীৰ-গতি পালে। চৌহান বংশৰ নাম উজ্জ্বল কৰি সিহঁতে অকালতে চিৰদিনৰ কাৰণে মহাশূন্যৰ কোলাত শুই গ'ল।

(মহাৰাণীৰ প্ৰৱেশ)

মহাৰাণী — কি হল সুৰজন সিংহ? দুয়ো জন কুমাৰে বীৰ-গতি পালেনে কি?

সুৰজন — হয় মহাৰাণী। এই সংসাৰত মোৰ অন্তৰ টুকুৰা টুকুৰ হৈ যাব খুজিছে। কিন্তু আপোনাৰ চকুত পানী নাই কিয়? আপোনাৰ চকুত পানী নেদেখি যে মোৰ ভয় লাগিছে।

মহাৰাণী — অগ্নিপুত্রীসকলে চকুপানী নোটোকে সুৰজন। মোৰ পুত্ৰই নিজৰ দেশৰ মান ৰক্ষাৰ কাৰণে. ৰাজপুতৰ মৰ্য্যাদা ৰক্ষাৰ কাৰণে নিজৰ প্ৰাণ বলি দিছে, গতিকে মোৰ নিচিনা সৌভাগ্যশালী নাৰী কোন আছে?

সুৰজন — আপোনাৰ দুখ নালাগেনে মহাৰাণী? হয়তো দুখত আপোনাৰ অন্তৰ শিল হৈ গৈছে। আপোনাৰ বুকুৰ ভিতৰত আজি ভীষণ ধুমুহা উঠিছে।

(হাতত খোলা তৰোৱাল লৈ বীৰ বেশত ৰাজকুমাৰী চন্দ্ৰ কলাৰ প্ৰৱেশ)

ৰাজকুমাৰী — আই। মই যুদ্ধ কৰিবলৈ যাম, যি মোৰ দুই ভাইক হত্যা কৰিলে তেওঁলোকক মই নিজৰ তৰোৱালেৰে হত্যা কৰিম।

মহাৰাণী — বাঃ ৰাজকুমাৰী ! মই যে ভাবিছিলোঁ মোৰ এজন কুমাৰ ঘুৰি আহিছে। (ৰাজকুমাৰীক সাবটি ধৰে)

সুৰজন — মহাৰাজ ! এতিয়াও সন্ধি কৰিবৰ সময় হোৱা নাই নেকি?

হম্মীৰ — সন্ধিৰ সময় ! ইমান সৰ্ব্বনাশৰ পাছত সন্ধিৰ দ্বাৰা এতিয়া শত্ৰুৰ ওচৰত অপমানিত হম নেকি ? খুড়া ৰণধীৰ সিংহ, দুই ৰাজকুমাৰ আৰু হেজাৰ হেজাৰ সৈনিকৰ জীৱনাহুতিৰ পাছত এতিয়া আত্মৰক্ষাৰ চেষ্টা কৰিম ? ধিক ! ধিক ! এই ভাবনা !

(সন্যাসিনীৰ বেশত চপলাৰ প্ৰবেশ)

চপলা — বাঃ ৰাজকুমাৰী ! তোমাক স্বয়ং দুৰ্গা দেবী যেন লাগিছে।

হম্মীৰ — চপলা ! মই গোটেই দেশ ধ্বংস কৰিলোঁ।

চপলা - ক'তা মহাৰাজ ! দেশত যে এনেকুৱা কোনো ব্যক্তি নাই যি মহাৰাজৰ ওপৰত এই কলঙ্ক আৰোপ কৰিছে ! জ্বলি-পুৰি ধ্বংস হৈ যোৱা গাওঁবোৰে, স্বৰ্গগত সৈনিকসকলৰ লৰা-তিৰোতাসকলে আৰু তেজেৰে ৰাঙলী হৈ থকা মাতৃভূমিয়ে চিয়ঁৰি চিয়ঁৰি কৈছে যে মহাৰাজে দেশৰ সন্মানৰ কাৰণে নিজৰ সৰ্ব্বস্ব বলিদান দি দেশত প্ৰাণৰ সঞ্চাৰ কৰি দিছে। মহাৰাজ ! কেৱল উশাহ লৈ জীয়াই থকাই মানুহৰ জীৱন নহয়, আত্মসন্মানৰ কাৰণে প্ৰাণ দান কৰাটোহে মানুহৰ প্ৰকৃত জীৱন।

হম্মীৰ — মহিমা ছাহৰ খবৰ নাপালোঁ সুৰজন।

চপলা — তেওঁৰ খবৰ মই জানোঁ মহাৰাজ ! তেওঁ অক্লান্ত ভাবে যুদ্ধ কৰি শ্বহীদ হৈ গৈছে।

মহাৰাণী — সঁচাকৈ তেওঁ প্ৰকৃত মুছলমান আছিল ; সেইহে কৰ্ত্তব্যৰ কাৰণে নিজৰ প্ৰাণ বলি দিলে।

চপলা — মহাৰাণী ! ৰাজকুমাৰসকলৰ মৃত্যুৰ পাচত মীৰ মহিমা

একেবাৰে পাগলৰ দৰে হৈ গল। যেনিয়েই তেনিয়েই তৰো-ৱাল চলাই তেওঁ শত্ৰু সৈন্যৰ মাজলৈ সোমাই গ'ল ; শেহত যেতিয়া তেওঁৰ ককায়েক মীৰ গভৰুৰ লগত দেখা হল তেতিয়া দুয়ো প্ৰাণপনে যুদ্ধ কৰিবলৈ ধৰিলে, যুদ্ধ কৰি কৰি দুয়ো ককাই-ভাই এজন ইজনৰ ওপৰত বাগৰি পৰিল, আৰু ৰাজ-স্থানৰ এই মাটিত তেওঁলোক চিৰদিনৰ কাৰণে শুই গ'ল।

হম্মীৰ — চপলা ! এই দুয়োজন পাঠানে মনুষ্যত্বক জগতত অমৰ কৰি থৈ গ'ল। যি নিজৰ বন্ধুৰ সন্মানৰ কাৰণে সহোদৰ ভাইৰ ডিঙিত তৰোৱাল বহুৱাব পাৰে, তেওঁ জানো সাধাৰণ মানুহ ? সুৰজন। মানুহ চিনোঁতে মহাৰাৰে ঠগ খোৱা নাই।

সুৰজন — মহাৰাৱ ! মীৰ মহিমাৰ কাৰণেই এই যুদ্ধ আৰম্ভ হৈছিল, গতিকে তেওঁৰ মৃত্যুৰ লগে লগে ইয়াক শেষ কৰি পেলোৱা আমাৰ উচিত নহয় জানো ? মই আপোনাৰ হিত চিন্তা কৰোঁ।.........

হম্মীৰ — হিত-চিন্তা ? এতিয়া কিহৰ হিত-চিন্তা সুৰজন ? যি মোৰ প্ৰাণৰ সাৰথি আছিল, তেঁৱেই গুছি গ'ল। তুমি ভাবিছা যে মীৰ মহিমা শ্বহীদ হোৱাৰ লগে লগে আমাৰ কৰ্ত্তব্যও শেষ হল, কিন্তু মই সেইদৰে ভাবিব পৰা নাই। ইমান সৰ্ব্বনাশৰ পাছত সন্ধিৰ দ্বাৰা এতিয়া এই যুদ্ধ শেষ হব নোৱাৰে। (মহাৰাণীৰ ফালে) মহাৰাণী !

মহাৰাণী — প্ৰাণেশ্বৰ

হম্মীৰ — তোমাৰ শক্তি পৰীক্ষাৰ সময় আহি গৈছে।

মহাৰাণী — মই বুজিছোঁ প্ৰিয়তম। জহৰৰ জুয়ে আমাৰ কাৰণে প্ৰতীক্ষা কৰি আছে। চৌহান বংশৰ মৰ্য্যাদা অক্ষুণ্ণ থাকিব

মহাৰাজ। জহৰৰ জুইৰ শিখাই আমাৰ প্ৰাণত প্ৰলয়ঙ্কৰী জ্বালা জ্বলাই তুলিব।

হম্মীৰ — কাইলৈ অন্তিম যুদ্ধ হব, আৰু আমি বীৰ-ব্ৰত গ্ৰহণ কৰিম। আমি যেতিয়া যুদ্ধৰ সাজ পিন্ধি ওলাই যাম, তেতিয়া তুমি "চিতা" প্ৰস্তুত কৰিবা; যদি আমি বিজয়ী হৈ আহোঁ, তেনেহলে ভালেই, নহলে মহাপ্ৰকাশৰ লগত মিহলি হৈ যাবাঁ।

মহাৰাণী — আপোনাৰ আদেশ শিৰোধাৰ্য্য, মহাৰাজ!

চপলা — মহাৰাজ! আপোনাক এটা কথা নিবেদন কৰিব খুজিছোঁ। জহৰ-ব্ৰত আৰু বীৰ-ব্ৰতে এই যুদ্ধ শেষ কৰি দিবনেকি? জহৰৰ জুইত যি দেবী সকল ভস্ম হৈ যাব, বীৰ-ব্ৰত পালন কৰোঁতে যি ৰাজপুত সকল শেষ হৈ যাব, ভবিষ্যতে তেওঁলোকৰ স্মৃতিয়ে মানুহৰ অন্তৰত যুদ্ধৰ জুই নজ্বলাবনে? সেই যুদ্ধত নেতৃত্ব কৰিবলৈ দেশত এজন ৰজাৰ প্ৰয়োজন।

হম্মীৰ — কি মোক বিচাৰিছা নেকি?

চপলা — মোৰ ইমান ডাঙৰ সাহস নাই মহাৰাজ! মই কুমাৰ অক্ষয়সিংহক ভিক্ষা বিচাৰিছোঁ; তেঁৱেই চৌহান বংশৰ এক-মাত্ৰ দীপক. সেই কাৰণে তেওঁক মই মোৰ নিজৰ আঁচলেৰে লুকাই লৈ যাব খুজিছোঁ।

হম্মীৰ — চপলা! দেশে নিজেই নিজৰ ৰজা নিৰ্ব্বাচন কৰিব।

চপলা — কিন্তু এই অকণমান শিশুটিক বলি দিয়া নিৰ্দ্দয়তা মহাৰাজ! ৰাজকুমাৰী! কুমাৰ অক্ষয় সিংহক লৈ আহাঁ।

(ৰাজকুমাৰীৰ লগত অক্ষয় সিংহৰ প্ৰবেশ)

মহাৰাণী — সোণ! আজিৰ পৰা এঁৱেই তোমাৰ " মা "। তুমি এতিয়াই এওঁৰ লগত যাব লাগিব।

অক্ষয় — কলৈ মা ?

চপলা — সংসাৰৰ যুদ্ধক্ষেত্ৰলৈ, কুমাৰ ! কিমান দায়ীত্বশীল কাম আজি মই হাতত লৈছোঁ। হে ঈশ্বৰ! এই গধুৰ ভাৰ সহ্য কৰিবলৈ তুমি মোক শক্তি দিয়াঁ।

(চপলা আৰু কুমাৰৰ প্ৰস্থান)

হম্মীৰ — বলাঁ। এতিয়া আমি কাইলৈ কৰ্ত্তব্য ব্ৰতৰ আয়োজন কৰোহঁক। (সকলোৱে প্ৰস্থান)

পটপৰিবৰ্ত্তন

আত্মহুতি

তৃতীয় দৃশ্য

(**আলাউদ্দীনৰ তম্বু** । (আলাউদ্দীনে তম্বুৰ ভিতৰত গাৰুত আউজি বহি ধপাত খাই আছে। তেওঁৰ ওচৰত জমালখাঁ আৰু অন্যান্য সৈনিকসকল বহি আছে)

আলাউদ্দীন — জমালখাঁ ! মীৰ গভৰুৰ মৃত্যুত সঁচাকৈয়ে মোৰ এতিয়া বৰ অনুতাপ হৈছে। এই যুদ্ধত আমাৰ বহুত ক্ষতি হল। আমাৰ আধাতকৈ বেচি সৈন্য শেষ হ'ল, আৰু দিল্লীৰ পৰা সৈন্য আৰু ৰচদ-পাতি আনোঁতে আমাৰ ধন-ভৰালো শূন্য হ'ল।

জমালখাঁ — জাঁহাপনা ! আপুনি মীৰ মহিমাৰ কাৰণে ইয়ালৈ আহিছিল, কিন্তু তেওঁ নিজেই নিজৰ ককায়েকৰ তৰোৱালৰ

ধাৰত চিকাৰ হৈ গ'ল। গতিকে এতিয়া আমি নিজৰ সন্মানত কলঙ্কৰ চেকা নলগাকৈ মনে মনে দিল্লীলৈ উলটি যোৱাই উচিত।

আলাউদ্দীন — কিন্তু তেনে কৰিলে মই অঁকা ছবিৰ ৰূপ বেলেগ হৈ যাব জমাল। ৰণথম্ভোৰত মই এনেকুৱা শাসন কৰিবলৈ বিচাৰিছিলোঁ, যি শাসনৰ আগত ৰাজপুত সকলেও মূৰ দোঁৱাব।

জমালখাঁ — আমি জানো ইয়াত নিজৰ সকলো শক্তি প্ৰয়োগ কৰা নাছিলোঁ? কিন্তু ৰণথম্ভোৰ লাভ কৰা যে বৰ সহজ নহয়, সেই কথা নিশ্চয় বাদছাহে নিজেই অনুভৱ কৰিছে।

আলাউদ্দীন — তুমি ঠিকেই কৈছা, আমি বোধ হয় ৰণথম্ভোৰৰ তম্বু সোনকালেই উঠাব লাগিব।

(এজন প্ৰহৰীৰ প্ৰবেশ)

প্ৰহৰী — (অভিবাদন কৰি) এজন ৰাজপুত চৰদাৰে বাদছাহৰ লগত দেখা কৰিবলৈ অনুমতি বিচাৰিছে।

আলাউদ্দীন— ইয়ালৈকে লৈ আহা। (অভিবাদন কৰি প্ৰহৰী গুছি যায়)

আলাউদ্দীন — এতিয়া আপোনালোকেও অলপ বিশ্ৰাম কৰক।

(সকলোৰে প্ৰস্থান)

আলাউদ্দীন — হম্মীৰৰ উপযুক্ত সৈনিকসকলে যুদ্ধত প্ৰাণ দিলে ইয়াত কোনো সন্দেহ নাই, দুজন ৰাজকুমাৰো শ্বহীদ হল। কিন্তু তথাপি তেওঁ এতিয়াও ইমান স্থিৰ হৈ দুৰ্গৰ ভিতৰত বহি আছে! তেওঁক ইমান নিৰ্ভয়ে যুদ্ধ কৰা দেখি হয়তো এতিয়া দিল্লীৰ বাদছাহৰ বিৰুদ্ধে আন ৰজাবো যুদ্ধ কৰিবলৈ সাহস হ'ব। গতিকে এনেকুৱা অৱস্থাত সন্ধি কৰি সন্মানেৰে উলটি যোৱাটোৱেই বাঞ্ছনীয়।

(বাদছাহক অভিবাদন কৰি সুৰজন সিংহ সোমাই আহে)

আলাউদ্দীন — অ', আপুনি ঠাকুৰ সুৰজন সিংহ। মই আপোনাৰ কথাকে ভাবিছিলোঁ, কওকচোন দুৰ্গৰ কি খবৰ? এতিয়ালৈকে আপুনি নিজৰ প্ৰতিজ্ঞা পালন কৰিব পৰা নাই। এতিয়াও মহাৰাৱৰ সন্ধি কৰাত আপত্তি নেকি?

সুৰজন — বাদছাহ! সন্ধিৰ শব্দ উচ্চাৰণ কৰাও মহাৰাৱে পাপ বুলি ভাবে। কিন্তু মই এনেকুৱা এটা ফন্দী কৰিছোঁ, যাৰ দ্বাৰা বিনা প্ৰতীক্ষা, বিনা পৰিশ্ৰম আৰু বিনা ব্যয়ত ৰণথম্ভোৰ দুৰ্গ বাদছাহৰ হস্তগত হব।

আলাউদ্দীন — সচাঁকৈয়েনে? বাৰু কওকচোন আজি দুৰ্গত ইমান চাকি জ্বলিছে কিয়?

সুৰজন — আজি দুৰ্গত উৎসৱ পালন কৰা হৈছে।

আলাউদ্দীন — আপুনি কি অদ্ভুত কথা কৈছে সুৰজন সিংহ! দুজন ৰাজকুমাৰৰ মৃত্যু হৈছে আৰু মহাৰাৱে আজি দুৰ্গত উৎসৱ পালন কৰিছে!

সুৰজন — ৰাজকুমাৰ দুজনে বীৰ-গতি পোৱাত মহাৰাৱে দুখ কৰা নাই।

আলাউদ্দীন — তেনেহলে আমাৰ প্ৰধান সেনাপতি মীৰ গভৰুৰ মৃত্যুৰ আনন্দত নেকি?

সুৰজন — নহয়। কাইলৈ মহাৰাৱে নিজৰ অৱশিষ্ট সকলো শক্তি গোটাই লৈ অন্তিম যুদ্ধ কৰিব খুজিছে। সেই কাৰণে মৃত্যুক আলিঙ্গন কৰাৰ আগতে জীৱনৰ আনন্দ উপভোগ কৰি লৈছে। মই মহাৰাৱৰ মনত এই কথা সুমাই দিছোঁ যে ৰণথম্ভোৰৰ ধন ভৰাল একেবাৰে শূণ্য হৈ গৈছে। এনেকুৱা পৰিস্থিতিত এতিয়া নিজৰ প্ৰাণ আহুতি দিয়াৰ বাহিৰে মহাৰাৱৰ আৰু আন কি উপায় আছে?

আলাউদ্দীন — তেনেহলে আজি মোৰ বৰ আনন্দৰ দিন। মোৰ ভাগ্যাকাশ আজি প্ৰকাশিত হৈ পৰিছে। সুৰজন সিংহ! মই আজি হতাশ হৈ ঘূৰি যাব খুজিছিলোঁ, আপুনি মোৰ মৃত দেহত প্ৰাণ দিলে। আজি আমিও উৎসৱ পাতিম, সুৰজন সিংহ! আজি মই আপোনাক ৰণথম্ভোৰৰ ৰজা কৰিম। আপোনাৰ গান শুনাৰ ইচ্ছা নিশ্চয় আছে নহয় ৰাণা! মই মোৰ নৰ্ত্তকীক পঠিয়াই দিম। আজি ৰাতি আপুনি ইয়াতে আৰাম কৰক। (আলাউদ্দীনৰ প্ৰস্থান)

সুৰজন — মই ৰণথম্ভোৰৰ মহাৰাৱ হম, মোৰ অন্তৰ আজি কঁপি উঠিছে। মই কি কৰিবলৈ ওলাইছোঁ! মহাৰাৱ হোৱাৰ লোভত নিজৰ দেশক শত্ৰুৰ হাতত সঁপিবলৈ ষড়যন্ত্ৰ কৰিছোঁ। মই যেন ইয়াৰ পৰাই মহাৰাৱৰ অভিশাপ অনুভৱ কৰিছোঁ। যি ৰজাই জন্মভূমিৰ সন্মান ৰক্ষাৰ কাৰণে নিজৰ বুঢ়া দদায়েকক, দুই ৰাজকুমাৰক বলিৰ বেদীত আগ বঢ়াই দিলে, যি স্বয়ং নিজে ৰাজবলি হবলৈ প্ৰস্তুত, যি ভূমিত মহাৰাণীয়ে ক্ষত্ৰিয়াসকলৰ লগত জহৰব্ৰত পালন কৰিছে, আঃ! সেই পবিত্ৰ ভূমিত বিদেশীৰ ছত্ৰ ছায়াত মই ৰাজত্ব কৰিম!

(বিজুলীৰ দৰে তীব্ৰ গতিৰে হাতত কটাৰী লৈ চপলাৰ প্ৰবেশ)

চপলা — কি মহাৰাৱ জীয়াই থাকোঁতেই তুমি ৰাজত্ব কৰিবা সুৰজন সিংহ? (সুৰজন সিংহৰ বুকুত কটাৰী বহুৱাই দিয়ে) পিশাচ! জন্মভূমিৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাৰ শাস্তি এয়ে।

সুৰজন — (বাগৰি পৰি) আঃ। কোন? চপলা! চপলা তুমি মোক উদ্ধাৰ কৰিলা। মই ক্ষত্ৰিয়ত্বৰ ওপৰত কলঙ্ক সানিব খুজিছিলোঁ, তুমি মোক এই পাপৰ পৰা ৰক্ষা

কৰিলোঁ ! চপলা ! মই এতিয়া অলপ সময়ৰ বাবে আনহী। তুমি ইয়াৰ পৰা সোনকালে পলোৱা।

চপলা — পলাবলৈ যত্ন কৰিম, কাৰণ কুমাৰ অক্ষয় সিংহৰ দায়ীত্ব এতিয়া মোৰ ওপৰত। ৰাতিৰ আন্ধাৰত চোৰৰ দৰে তোমাক এইফালে অহা দেখি মোৰ সন্দেহ হ'ল, সেই কাৰণে মইয়ো পাছে পাছে আহিলোঁ। ৰণথম্ভোৰৰ চিন্তা সময়ে নিজে কৰি লব। মোৰ চিন্তা কেৱল ক্ষত্ৰিয়ত্বৰ মৰ্য্যাদা ৰক্ষা কৰা; ঈশ্বৰক ধন্যবাদ যে মই এই কামত সফল হব পাৰিলোঁ। এতিয়া মই আহিলোঁ।

(চপলাৰ প্ৰস্থান)

সুৰজন — পানী ! পানী ! আঃ ! ইয়াত এচলু পানী দিবলৈও কোনো নাই। দেশদ্ৰোহীৰ মৃত্যু যে এনেকুৱাই।

(হাতত মদৰ গিলাচ লৈ নৰ্ত্তকীৰ প্ৰবেশ; নৰ্ত্তকীয়ে গানৰ কলি ধৰে আৰু লগে লগে তেওঁৰ চকু সুৰজনৰ ওপৰত পৰে। তেওঁ উচপ্ খাই উঠে, হাতৰ গিলাচ পৰি যায় আৰু তেওঁ 'হত্যা', 'হত্যা' বুলি চিঞৰি পলাই যায়।)

(আলাউদ্দীনৰ প্ৰবেশ)

আলাউদ্দীন — কি হ'ল ? (সুৰজন সিংহক দেখি) এয়া কি ! হত্যা ! তেজ ! চকীদাৰ ! চকীদাৰ !

(অভিবাদন কৰি এজন চকীদাৰ সোমাই আহে)

আলাউদ্দীন — লৈ যা এইটোক। কুকুৰৰ আগত পেলাই দেগৈ।

(চকীদাৰে সুৰজন সিংহক চোচোৰাই লৈ যায়)

আলাউদ্দীন — কি অদ্ভুত কথা ! মোৰ তম্বুত হত্যা !

(পট পৰিবৰ্ত্তন)

চতুৰ্থ দৃশ্য

ৰণথম্ভোৰ দুৰ্গৰ দুৱাৰ মুখ। (মহাৰাণী দেৱল আৰু ৰাজকুমাৰী চন্দ্ৰকলা সুসজ্জিত বেশত সোমাই আছে।)

ৰাজকুমাৰী — আই ! সন্ধ্যা হৈ গ'ল কিন্তু এতিয়ালৈকে যুদ্ধৰ কোনো সংবাদ নাহিল। এবাৰ ময়েই যাওঁনেকি ?

মহাৰাণী — অলপ ৰোৱাঁ ৰাজকুমাৰী, আমাৰ বিজয় অসম্ভৱ নহয় ; কিন্তু তাৰ আশা বৰ ক্ষীণ।

ৰাজকুমাৰী — আই ! জহৰৰ জুইত ভস্ম হোৱাতকৈ যুদ্ধ ক্ষেত্ৰলৈ নাযাওঁ কিয় ? তাত আমি একো সহায় কৰিব নোৱাৰোঁনেকি ?

মহাৰাণী — ৰাজকুমাৰী ! আমাৰ কৰ্ত্তব্য হৈছে উপযুক্ত সন্তান জন্ম দিয়া আৰু তেওঁলোকক বীৰ ৰূপে গঢ়ি তোলা। আমি জগতত বীৰত্বৰ প্ৰকাশ দিব খোজোঁ। ৰাজকুমাৰী ! আমি আনক হত্যা কৰি দেশক স্বতন্ত্ৰ কৰিবলৈ নিবিচাৰোঁ ; আমি আত্ম-বলিদানৰ দ্বাৰা অত্যাচাৰৰ বিৰুদ্ধে যুদ্ধ কৰোঁ ; নিজৰ প্ৰাণ বলি দি দেশৰ প্ৰাণত নৱ জীৱনৰ প্ৰেৰণা জগাই তোলোঁ।

(সুসজ্জিত সাজত ক্ষত্ৰিয়াসকলৰ প্ৰবেশ

মহাৰাণী — আমাৰ যুদ্ধৰ এয়ে পদ্ধতি। দেশ, ধৰ্ম্ম, আৰু জাতিৰ প্ৰতি আমাৰ অন্তৰত কিমান স্নেহ আছে, তাক প্ৰমাণিত কৰাটোৱেই আমাৰ পক্ষে যথেষ্ট। আন বলিদানে নিজৰ কাম নিজে কৰি থয়। হিংসাৰ পৰিণাম অস্থায়ী, কিন্তু আত্ম বলিদানৰ পৰিণাম চিৰস্থায়ী। ক্ষত্ৰিয় তিৰোতা সকলৰ শৰীৰত আজি যি শক্তি বাকী আছে, সি কেৱল তেওঁ লোকৰ মাক আৰু বায়েক-ভনীয়েক সকলৰ আত্ম ত্যাগৰ কাৰণেই আছে।

এগৰাকী ক্ষত্ৰিয় তিৰোতা — মহাৰাণী! সৌ ফালে চাওকচোন, সেয়া কাৰ পতাকা! আৰু পতাকাৰ পাছত সেয়া কাৰ সৈন্য?

মহাৰাণী — সেয়া শত্ৰুৰ পতাকা। হায়! হয়তো সকলো বীৰেই নিজৰ বীৰ ব্ৰত পালন কৰি যুদ্ধ-ভূমিত শুই গ'ল। ক্ষত্ৰিয়া সকল! শত্ৰু সেনা আহি পোৱাৰ আগতে আমি জহৰৰ জুইত জাপ দি তাৰ কোলাত আশ্ৰয় লোৱা উচিত।

১ম ক্ষত্ৰিয়া — আমি প্ৰস্তুত মহাৰাণী!

মহাৰাণী — যাৰ সংসাৰৰ প্ৰতি মায়া-মোহ আছে, যি মৃত্যুক ভয় কৰে, যি জুইৰ তাপ সহ্য কৰিব নোৱাৰে, তেওঁ এতিয়াও নিৰাপদ ভাৱে ইয়াৰ পৰা বাহিৰলৈ যাব পাৰে দুৰ্গৰ বাহিৰলৈ যোৱাৰ ব্যৱস্থা মই কৰি দিম।

২য় ক্ষত্ৰিয়া — জুইৰ অংশৰ জুইৰ ভিতৰত প্ৰৱেশ কৰিবলৈ কি ভয় মহাৰাণী? তদুপৰি আমাৰ স্বামী-পুত্ৰ, ভাই-ককাই সকলোৱে নিজৰ প্ৰাণ বিসৰ্জ্জন দিলে, এতিয়া আমাৰ কিহৰ প্ৰতি আকৰ্ষণ? কিহৰ প্ৰতি মোহ? ৰাতিয়ে-দিনে অশান্তিৰ জুইত তিল তিল কৰি জ্বলি-পুৰি মৰাতকৈ জহৰৰ জুইত জ্বলি ততালিকে মৰা শতগুণে শ্ৰেয় মহাৰাণী!

মহাৰাণী — ভনীহঁত! এই জহৰ-ব্ৰতক আমাৰ শেষ আশ্ৰয় ৰূপে নহয়, জীৱনৰ ধৰ্ম্মৰূপেহে গ্ৰহণ কৰা উচিত। যেতিয়ালৈকে আমাৰ অন্তৰত এই জুইক আলিঙ্গন কৰিব পৰা প্ৰেৰণা নাজাগিব, তেতিয়ালৈকে আমাৰ এই আত্ম-বলিদানো ব্যৰ্থ প্ৰমাণিত হব।

১ম ক্ষত্ৰিয়া — ঠিকেই মহাৰাণী। জহৰ-ব্ৰত আমাৰ জীৱনৰ ধৰ্ম্ম। জহৰৰ শিখাই আমাক সেই মূহুৰ্ত্তৰ পৰাই ভষ্ম কৰে, যেতিয়া আমি নিজৰ পতি, পুত্ৰ আৰু ভাইক নিজ হাতেৰে যুদ্ধৰ

সাজ পিন্ধাই যুদ্ধ ক্ষেত্রলৈ পঠিয়াওঁ। জহৰৰ শিখাই আমাৰ জ্বলি থকা শৰীৰত মলমৰ কামহে কৰে।

মহাৰাণী — ৰাজকুমাৰী! যোৱা ফুলৰ মালা আনা!

(ৰাজকুমাৰীৰ প্ৰস্থান)

মহাৰাণী — হে বীৰ-ভূমি! হে জন্মভূমি! তুমি আজি আমাৰ অন্তিম প্ৰণাম গ্ৰহণ কৰা। এই ৰণথম্ভোৰৰ সুদৃঢ় শিলত দিল্লীৰ সেনাই দহমাহ খুন্দিয়াই থাকিল, এমুঠি ৰাজপুত সৈন্যৰ যুদ্ধ কৌশলত শত্ৰু সেনা পৰাজিত হল। নিজৰ আপ্ৰাণ চেষ্টাৰ দ্বাৰা আজিও ৰাজপুতে এই দুৰ্গ ৰক্ষা কৰি আছে। সাধনা সমাপ্ত হৈ গৈছে, কিন্তু আমাৰ অন্তৰে এতিয়াও পৰাজয় স্বীকাৰ কৰা নাই। হয়তো সম্ৰাট পৃথ্বীৰাজে আজি স্বৰ্গত বহি নিজৰ বংশধৰৰ এই আত্ম-বলিদান আৰু বীৰত্বত প্ৰফুল্লিত হৈছে।

(ফুলৰ মালা লৈ ৰাজকুমাৰী চন্দ্ৰকলাৰ প্ৰৱেশ; মহাৰাণীয়ে ৰাজকুমাৰীৰ হাতৰ পৰা মালা লৈ প্ৰত্যেক ক্ষত্ৰিয় তিৰোতাৰ ডিঙিত এধাৰ এধাৰ পিন্ধাই দিয়ে)

মহাৰাণী — বীৰ-মাতৃ, বীৰ-পুত্ৰী আৰু বীৰ ভগ্নী সকল! আজি আমাৰ ভিতৰত কোনো ভেদাভেদ নাই। আজি চিতাই আমালোক সকলোকে একে কৰি সাৱটি লব। প্ৰকৃত জীৱন কি আজি সংসাৰক আমি তাকে দেখুৱাম। যেতিয়ালৈকে জীয়াই থাকিম, স্বাধীনতাৰ গৌৰৱ লৈ জীয়াই থাকিম; যিদিনা পৰাধীনতাৰ প্ৰশ্ন উঠিব, সেইদিনাই জহৰৰ জুইত আমি নিজেই স্বাধীন আৰু মুক্ত হৈ যাম।

(ৰাজকুমাৰ অক্ষয় সিংহক লগত লৈ চপলাৰ প্ৰৱেশ)

চপলা — মহাৰাণী! আপুনি ৰাজকুমাৰক আশীৰ্ব্বাদ দিয়ক!

(ৰাজকুমাৰে মাকৰ ভৰিত ধৰে)

মহাৰাণী — অক্ষয় ! সোণ মোৰ ! আকাশ লঙ্ঘি উঠা জহৰৰ পবিত্ৰ শিখাই তোমাক আশীৰ্ব্বাদ দিব । জন্মভূমিৰ কোলাই আজিৰ পৰা তোমাৰ আই । যি মৰ্য্যাদাৰ কাৰণে তোমাৰ পিতাৰে নিজৰ সৰ্ব্বস্ব বলি দিলে, সেই মৰ্য্যাদাক তুমিও যেন চিৰদিন শ্ৰদ্ধাৰ চকুৰে চোৱা । এইটো কথা সদায় মনত ৰাখিবা যে ক্ষত্ৰিয়ৰ মূৰ কটা গলেও মূৰ দোঁ নাখায় ।

অক্ষয় — আই ! তুমি মোক এৰি থৈ কলৈ যাবা ?

মহাৰাণী — সোণ ! মোৰ শৰীৰ যদিও পুৰি ছাই হৈ যা'ব তথাপি মোৰ আত্মা সদায় তোমাৰ আশে-পাশে থাকিব । ৰাজকুমাৰ ! ক্ষত্ৰিয় কেতিয়াও নমৰে, তেওঁ চিৰ অমৰত্ব লৈ জীয়াই থাকে । শিলৰ ওপৰত শুবো তুমি এই কথা পাহৰি নাযাবা, যে তুমি ভাৰত সম্ৰাট পৃথ্বীৰাজৰ বংশধৰ আৰু ৰণথম্ভোৰৰ কীৰ্ত্তি অমৰ কৰি থৈ যোৱা মহাৰাৱৰ সন্তান । জুপুৰিত থাকিলেও তুমি এই কথা নাপাহৰিবা যে এদিন তুমি ৰাজমহলত প্ৰতি পালিত হৈছিলা । জুপুৰিক ঘিণ নকৰিবা, বৰং তাৰ ভিতৰত থাকিও নিজক প্ৰকৃত ক্ষত্ৰিয় ৰূপে গঢ়ি তুলিবলৈ চেষ্টা কৰিবা । আজি আমি এই জহৰৰ শিখাৰ দ্বাৰা সম্পূৰ্ণ দেশৰ অন্তৰ প্ৰজ্জ্বলিত কৰি থৈ যাম । যিদিনা তুমি হাতত তৰোৱাল লবা, সেইদিনা তোমাৰ দেশে৷ তোমাৰ সহগামী হব । মোৰ সোণ ! আমাৰ সকলোৰে আশীৰ্ব্বাদ তোমাৰ লগতে থাকিব ।

(ৰাজকুমাৰে আকৌ মহাৰাণীৰ ভৰিত ধৰে আৰু বায়েকক সাৱটি ধৰে ।)

অক্ষয় — আই ! (কণ্ঠৰোধ হৈ যায়)

মহাৰাণী — সোণ ! তোমাৰ অৱৰুদ্ধ কণ্ঠস্বৰ মই শুনিছোঁ । তোমাক

অবোধ অন্তৰৰ দুখো মই অনুভৱ কৰিছোঁ। অক্ষয় তোমাৰ কীৰ্ত্তি চিৰদিন অক্ষয় হৈ থাকিব।

অক্ষয় — আই! মই ভীৰুৰ দৰে······ ···

মহাৰাণী — নহয় অক্ষয়! তুমি ভীৰু নহয়। এই ধ্বংসৰ পাছত তুমি নতুন ৰাজ্য নিৰ্ম্মাণ কৰিব লাগিব। সাধনহীন হৈয়ো তুমি পূৰ্ব্ব-পুৰুষৰ অধিকাৰ উদ্ধাৰ কৰিব লাগিব।

চপলা — মহাৰাণী! তেনেহলে আদেশ ··············

মহাৰাণী — যোৱাঁ চপলা! ঈশ্বৰে তোমাৰ মঙ্গল কৰক।

(ৰাজকুমাৰক লৈ· চপলাৰ প্ৰস্থান)

মহাৰাণী — যোৱাঁ সোণ! যোৱাঁ মোৰ চকুৰ মণি! হায়! কিয় মোৰ চকুৰ পৰা পানী ওলাব খুজিছে! হে ঈশ্বৰ! তুমি মোৰ চকুত চকু-পানীৰ মেঘৰ স্থলত, বিজুলীৰ পোহৰ দিয়াঁ। বলাঁ! দেবীসকল! আমি চিৰদিনৰ কাৰণে চিতাৰ শয্যাত আশ্ৰয় লওঁ।

(সকলোৰে প্ৰস্থান)

(পট পৰিবৰ্ত্তন)

পঞ্চম দৃশ্য

ৰণথম্ভোৰৰ ওচৰৰ এডোখৰ ঠাই।

(মহাৰাণা হম্মীৰ সিংহ আৰু বহুতো ৰাজপুত যুদ্ধৰ বেশত তেজেৰে লুতুৰি-পুতুৰি হৈ ঠিয় হৈ আছে। মহাৰাণাৰ হাতত আলাউদ্দীনৰ পতাকা, সৈনিকসকলৰ হাততো শত্ৰুৰ পতাকা)

হম্মীৰ — গোৱাঁ, বীৰ সকল! বিজয়ৰ গান গোৱাঁ।

(সকলোৱে গায়)

হে বীৰ! গোৱাঁ বিজয়ৰ গান!
ৰাখিব লাগিব তুমিয়েই ভাই
মাতৃভূমিৰ মান।
তুচ্ছ কৰিবাঁ উচ্চ গৰ্ব্ব
কোন জয়ী হব পাৰে?
তীক্ষ্ণ তৰৱাৰি ক্ষত্ৰিয় তেজৰ
মহাকালেও ভয় কৰে।
সাৰ্থক জনম অমৰ আত্মা
দেশাৰ্থে ত্যজিবা প্ৰাণ।
সেয়েই সৰগ এই ধৰণীত
দিবাঁ হিয়া বলিদান।

হম্মীৰ — আমাৰ জন্ম সঁচাকৈয়ে আজি সাৰ্থক হৈছে। দহ মাহ ধৰি চলা এই ভয়ঙ্কৰ আৰু কষ্টকৰ যুদ্ধৰ পাছত আজি আমাৰ আকাঙ্খিত ইচ্ছা পূৰ্ণ হৈছে।

এজন ৰাজপুত — মহাৰাণা! আপোনাৰ আগত কোন থিয় হব পাৰে? আপোনাৰ ছত্ৰ-ছায়াত বহুত যুদ্ধ কৰিছোঁ, কিন্তু এনেকুৱা

যুদ্ধ জীৱনত কেতিয়াও কৰা নাই, আৰু দেখাও নাই। যেতিয়া সেই জনসমুদ্ৰৰ ভিতৰত আপুনি কাঁড়ৰ দৰে সোমাই গ'ল, তেতিয়া আমিও আপোনাৰ লগতে সোমাই পৰিলোঁ আৰু পোনেই গৈ আলাউদ্দীনৰ হাতী আবৰি ধৰিলোঁ।

হম্মীৰ — কিন্তু মোৰ মনৰ ইচ্ছা মনতে থাকিল, আলাউদ্দীনৰ হাতীটো মাউতে খেদাই নিদিয়াহলে আমি এই কাঁইটটি চিৰদিনৰ কাৰণে পৰিষ্কাৰ কৰি পেলাব পাৰিলোহেতেঁন ; তেতিয়া হলে আমাৰ বিজয়ো চিৰস্থায়ী হলহেতেঁন। আকৌ যে এওঁলোকে আহি আমাৰ ৰাজ্য আক্ৰমণ নকৰিব কোনে জানে ?

১ম ৰাজপুত — ভবিষ্যতৰ কথা ভবিষ্যতলৈ হব। কিন্তু আজিৰ এই যুদ্ধৰ কথা তেওঁৰ বহুত দিনলৈকে মনত থাকিব। আলা-উদ্দীনক পলাই যোৱা দেখি তেওঁৰ সৈন্যসকলেও পতাকা এৰি পলাই গ'ল।

৩য় ৰাজপুত — মহাৰাজ ! এই পতাকা আমি পুৰস্কাৰ স্বৰূপে পালোঁ।

হম্মীৰ — কেৱল পতাকা নহয় আৰু বহুত .... হায় ! দুৰ্গৰ ভিতৰত সেয়া কিহৰ জুই ! আমাৰ বিকুল বজোঁৱাছোন।

(এজন সৈনিকে বিকুল বজায়)

(চপলাৰ প্ৰবেশ)

চপলা — কোন ? মহাৰাজ!

হম্মীৰ — চপলা ! তুমি ইয়াত ?

চপলা — মই মনে মনে কুমাৰ অক্ষয় সিংহক লৈ পলাই গৈছিলোঁ, তেনেকুৱা সময়ত আমাৰ বিকুল শুনি বৰ আচৰিত হলোঁ ; আৰু সেই কাৰণে ইয়ালৈ আহিলোঁ। কিন্তু মহাৰাজ ! বৰ বিভ্ৰাট হৈ গ'ল।

হম্মীৰ — কি বীৰাঙ্গনাসকলে জহৰ-ব্ৰত পালন কৰিলে ? আমাৰ শক্তিৰ ওপৰত তেওঁলোকৰনো অকণো বিশ্বাস নাছিলনে ?

চপলা — নহয় মহাবীৰ ! আমাৰ সৈনিকে হাতত শত্ৰুৰ পতাকা লৈ আগ বাঢ়ি অহা দেখি ৰাজপুতসকলে বীৰগতি পালে বুলি তেওঁলোকে ভাবিলে আৰু জহৰ-ব্ৰত গ্ৰহণ কৰিলে।

হম্মীৰ — তুমি ঠিকেই কৈছা, চপলা ! বিজয়ৰ উৎসাহত আমি সকলো পাহৰি গৈছিলো। শত্ৰুৰ পতাকা আগত ৰাখিলে যে কিমান অনৰ্থ হব পাৰে আমি ভাবিবই পৰা নাছিলোঁ। শঙ্কৰৰ যি ইচ্ছা সি পূৰ্ণ হবই। নিয়তিৰ আগত মানুহৰ পৰাক্ৰম পৰাজিত হ'ল। এতিয়া আমাৰ বিজয় কিহৰ কাৰণে ? শূণ্য দুৰ্গৰ ভিতৰলৈ গৈ আমি কি কৰিম ? এতিয়া সংসাৰত আমি একেবাৰে অকলশৰীয়া। বলাঁ, উলটি বলাঁ। এই সংসাৰৰ পৰা এদিন নহয় এদিন যাবই লাগিব, দুদিনৰ আগত যাবলৈ ভয় কি ?

চপলা — মহাবীৰ ! বিবেক ?

হম্মীৰ – বিবেকৰ চাকি নুমাই গৈছে, চপলা ! মহাযজ্ঞৰ পূৰ্ণাহুতি সমাপ্ত প্ৰায়। আমাৰ মনত কোনো নিৰাশা নাই, দেশৰ মৰ্য্যাদাৰ কাৰণে আমি নিজৰ সকলো বলিদান দিলোঁ। সংসাৰে আমাৰ প্ৰতিভা দেখিলে, শত্ৰুৱে আমাৰ শক্তিৰ পৰিচয় পালে। হয়তো সংসাৰত এনেকুৱা মানুহো ওলাব যি এই সম্পূৰ্ণ ঘটনাক "হম্মীৰৰ জেদ্" বুলি অভিহিত কৰিব আৰু দেশব্যাপী হাহাঁকাৰত মহাবীৰৰ প্ৰতি অভিশাপৰ স্বৰ শুনিবলৈ পোৱা হব।

চপলা — আপুনি এইবোৰ কি কৈছে মহাবীৰ। ন্যায় আৰু ধৰ্ম্মৰ কাৰণে আপুনি যুদ্ধ কৰিলে, নিজৰ বন্ধুৰ সন্মানৰ কাৰণে আপুনি নিজৰ সকলো বলিদান দিলে।

হম্মীৰ — এনেকুৱা বন্ধুৰ কাৰণে চপলা ! যি বন্ধুৱে নিজৰ হাতেৰে নিজৰ ককায়েকৰ ডিঙি কাটিবলৈ কুণ্ঠিত হোৱা নাছিল। তেওঁ কেৱল নিজৰ জাতিৰ বিৰুদ্ধেই ঠিয় হোৱা নাছিল, নিজৰ আশাৰ বিৰুদ্ধেও ঠিয় হৈছিল ; এনেকুৱা এজন বন্ধুৰ কাৰণে যদি মই নিজৰ আত্মীয়কো বলি দিওঁ, তাত বেজাৰ কি ?

(ৰাজকুমাৰৰ প্ৰবেশ)

চপলা — তুমিও আহিলাঁ ?

ৰাজকুমাৰ — কিমান সময় বৈ থাকিম ! ·

(দেউতাকৰ ভৰিত ধৰে)

হম্মীৰ — বাঃ ! কুমাৰ ! তুমিও আহিলাঁ ? শেষ সময়ত তোমাক এবাৰ বুকুৰ মাজত সুমাই লওঁ, আহঁা। (বুকুত লয়) কুমাৰ ! তোমাক পিতৃ-মাতৃহীন কৰি নিতান্ত অসহায় অৱস্থাত এৰি থৈ যাব খুজিছোঁ। তুমি মোক ক্ষমা কৰাঁ। (চকুপানী টোকে)

অক্ষয় — পিতা ! আপুনি কিয় কান্দিছে ? মোক দুৰ্ব্বল বুলি ভাবিছে নেকি ? আয়ে বিদায় দিবৰ সময়ত কন্দা নাছিল, তেওঁ হাঁহি মুখে মোক আশীৰ্ব্বাদ দিছিল।

হম্মীৰ — তেওঁৰ অন্তৰৰ কান্দোন জুই শিখাৰ পৰা অহা বতাহত প্ৰতিধ্বনিত হৈ আছে। তেওঁৰ অন্তৰৰ এই হাঁহাকাৰ যুগ যুগ ধৰি ব্যাপ্ত হৈ থাকিব। মই মানুহ, তোমাৰ মাৰো মানুহ আছিল ; এইটো কেনেকৈ সম্ভৱ যে তেওঁ বিদায় লবৰ সময়ত কন্দা নাছিল ! মইতো ইমান দূৰত থাকিও তেওঁৰ অন্তৰৰ করুণ বিননি শুনিবলৈ পাইছোঁ।

কুমাৰ পাহৰি পেলোৱাঁ এইবোৰ কথা। তুমি প্ৰকৃত মানুহৰ দৰে সংসাৰত জীয়াই থাকিবলৈ শিকিবাঁ। ৰণথম্ভোৰ সদায় আমাৰ আৰু চিৰদিন আমাৰ হৈয়ে থাকিব। মোৰ বিজয় পৰাজয়ত পৰিণত ব'ল, তুমি এই পৰাজয়ক যেন বিজয়ত পৰিণত কৰিবাঁ। লোৱা অক্ষয়! মই আজি এই মুকুট তোমাক পিন্ধাই মহাযজ্ঞত শেষ আহুতি দিবলৈ ওলালোঁ।

(হম্মীৰ সিংহই নিজৰ মুকুট অক্ষয়ৰ মূৰত পিন্ধাই দিয়ে।)

— যৱনিকা —

কিতাপ পোৱাৰ ঠাই :—

বাণী মন্দিৰ (ডিব্ৰুগড়)

আৰু

অসমৰ আন আন বিখ্যাত কিতাপৰ দোকান।